# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## WEDNESDAY, THE 13TH DECEMBER, 2006

**The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair.**

## STARRED QUESTIONS AND ANSWERS

(TO WHICH ORAL REPLIES WERE GIVEN)

**Mr. Speaker :** Starred Question No. 41, Hon'ble Member, Smti Jon Jonali Baruah.

বিষয় ঃ পাম্পচেট দিয়াৰ আঁচনি।

শ্ৰীমতী জোন জোনালী বৰুৱাই সুধিছে ঃ

* ৪১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ
(ক) মৰিগাঁও জিলাখন খৰাং পীড়িত জিলা হিচাবে কৃষকৰ বাবে "পাম্পচেট" দিয়াৰ আঁচনি গ্ৰহণ কৰিছে নেকি ?
(খ) যদি আঁচনি গ্ৰহণ কৰিছে, কিমান দিনত উক্ত আঁচনি কাৰ্য্যকৰী হ'ব ?

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কৰা হোৱা নাই।
(খ) প্ৰশ্ন নুঠে।

* **শ্ৰীমতী জোন জোনালী বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটোৰ উত্তৰ যদিও নিগেটিভ দিছে তথাপি মই আপোনাৰ জৰিয়তে মাননীয়া মন্ত্ৰী মহোদয়াক দুখীয়া খেতিয়ক সকলক পাম্পচেট দিয়াৰ আঁচনি গ্ৰহণ কৰাৰ কাৰণে অনুৰোধ জনালো।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** চাৰ, যোৱা কালিও এই বিষয়ে ইয়াত আলোচনা কৰা হৈছিল। কিন্তু সময়ৰ অভাৱত কালিও উত্তৰ দিব নোৱাৰিলে। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো-

**মাননীয় অধ্যক্ষ ঃ** মৰিগাঁও জিলাখন খৰাং পীড়িত জিলা হিচাবেহে এই প্ৰশ্নটো কৰা হৈছে।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** চাৰ, ৰাজ্যখনত খৰাং পৰিস্থিতি হৈছে। মই জানিব বিচাৰিছো আমাৰ ৰাজ্যখনৰ খৰাং পীড়িত অঞ্চল সমূহৰ খেতিয়ক সকলক কি কি সাহাৰ্য্য দিয়া হৈছে ?

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো মৰিগাঁওক লৈ কৰিছে। Please continue to Morigaon only.

* **শ্ৰীদ্ৰুপদ বৰগোহাঁই ঃ** চাৰ, মৰিগাঁওত এতিয়া মানুহে হাহাকাৰ কৰি ফুৰিছে। যিহেতু মৰিগাঁওক লৈ প্ৰশ্নটো কৰা হৈছে সেয়েহে মই পাৰ্টিকুলাৰলি মৰিগাঁওৰ কথাকেই কৈছো। কৃষকৰ বাবে তাত পাম্পচেট দিয়াৰ আঁচনি নোলোৱাটো দূৰ্ভাগ্যজনক কথা হৈছে। মাননীয় মন্ত্ৰী মহোদয়াই অন্ততঃত স্পষ্ট ভাবে জনাব লাগে তাত কিয় পাম্পচেট দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই ?

---

* Speech not corrected

* **শ্ৰীবৃন্দাবন গোস্বামী** ঃ চাৰ, ৰিলেটেড্ কথাটো কবলৈ দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ কুৱেচনটো মৰিগাঁওৰ ওপৰতহে কৰিছে। (সদনত একেলগে কেইবাজনো মাননীয় সদস্যই কবলৈ ঠিয় হোৱাত হুলস্থুল)

* **শ্ৰীমিশ্বন ৰঞ্জন দাস** ঃ চাৰ, পাম্পচেট দিয়া নাই, কিন্তু কি আঁচনি লৈছে।

**মাননীয় অধ্যক্ষ** ঃ ইয়াত মৰিগাঁও জিলাখন খৰাং পীড়িত জিলা হিচাবে কৃষকৰ বাবে 'পাম্পচেট' দিয়াৰ আঁচনি গ্ৰহণ কৰিছে নেকি সেইটোহে দিয়া আছে।

(সদনত একেলগে কেইবাজনো মাননীয় সদস্যই কবলৈ ঠিয় হোৱাত হুলস্থুল)

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ চাৰ, খৰাং সদৃশ বতৰৰ কাৰণে আমি কাকো পাম্পচেট দিয়া নাই। ৰাজ্যখনত যিবিলাক পাম্পচেট আছে সেইবিলাক চলাবৰ কাৰণে তেল-মবিল দিয়া হৈছে। এতিয়া চেলো টিউবওৱেল আৰু এল. এল. পি. পাম্পচেট দিয়াৰ ব্যৱস্থা আছে। চেলো টিউবওৱেলৰ কাৰণে ৬০ হাজাৰ টকা আৰু এল. এল. পি. পাম্পচেটৰ কাৰণে ২০ হাজাৰ টকা দিয়া হয়।

* **শ্ৰীদ্ৰুপদ বৰগোহাঁই** ঃ চাৰ, ইয়াত একো কৰা হোৱা নাই বুলি কৈছে।

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ চাৰ, মই মৰিগাঁওৰ কথাহে কৈছো। খৰাং সদৃশ বতৰৰ মোকাবিলা কৰিবলৈ আমি কাকো পাম্পচেট দিয়া নাই।

* **শ্ৰীৰণজিৎ দত্ত** ঃ চাৰ, অকল ৫ লিটাৰ ডিজেলেৰে কৃষকে কি কৰিব ?

---

* Speech not corrected

* শ্ৰীআব্দুল আজিজ ঃ চাৰ, অকল ৫ লিটাৰ ডিজেল দিলেই নহয়।
(সদনত এককেলগে কেইবাজনো মাননীয় সদস্যই কৰলৈ ঠিয় হোৱাত হুলস্থুল)

**Mr. Speaker : Starred Question No. 42, Hon'ble Member, Shri Sushil Dutta.**

**বিষয় ঃ কল্পতৰু আঁচনিৰ ধন।**

* **৪২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ২০০৪-০৫, ২০০৫-০৬ বৰ্ষত লামডিং সমষ্টিৰ অৰ্ন্তগত লামডিং আৰু উদালী ব্লকত কল্পতৰু আঁচনিৰ ধন পোৱাৰ বাবে কিমান ল'ৰা-ছোৱালীয়ে (Beneficiaries) Interview দিছে ? (সম্পূৰ্ণ তালিকা নাম, ঠিকনা সহকাৰে সদনৰ মেজত দাখিল কৰিব)।

(খ) লামডিং সমষ্টিৰ অৰ্ন্তগত লামডিং আৰু উদালী ব্লকৰ সকলো পঞ্চায়তত ২০০১-০২, ২০০২-০৩, ২০০৩-০৪, ২০০৪-০৫, ২০০৫-০৬ বৰ্ষত কোন কোন আঁচনিৰ বিপৰীতে কিমান টকা আৱণ্টন কৰা হৈছে ? (সদনৰ মেজত বৰ্ষ ভিত্তিত দাখিল কৰিব)

(গ) লামডিং সমষ্টিৰ অৰ্ন্তগত ২০০১-২০০৬ লৈকে গাঁও পঞ্চায়ত, আঞ্চলিক আৰু জিলা পৰিষদৰ সদস্য বিলাকৰ অধীনত কি কি আঁচনিৰ জৰিয়তে কিমান টকা আৱণ্টন কৰা হৈছে ? প্ৰতিটো আঁচনিৰ বিপৰীতে টকাৰ পৰিমাণ উল্লেখ কৰিবনে ?

(ঘ) লামডিং সমষ্টিৰ অৰ্ন্তগত লামডিং আৰু উদালী ব্লকত (Individual Beneficiaries Scheme) ৰ অধীনত প্ৰতিখন পঞ্চায়তে কিমানজনকৈ I. B. S. পাব আৰু কোনে কোনে পাইছে ? (নাম, ঠিকনা আৰু টকাৰ পৰিমান সহ সদনৰ মেজত দাখিল কৰিব)।

(ঙ) লামডিং সমষ্টিৰ অৰ্ন্তগত উদালী আৰু লামডিং ব্লকত হাৰিয়ালী প্ৰজেক্টৰ

* Speech not corrected

বাবদ কিমান টকা আহিছে আৰু ক'ত ক'ত কিমান টকাৰ কাম হৈছে ?

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ২০০৪-০৫, ২০০৫-০৬ বৰ্ষত লামডিং সমষ্টিৰ অৰ্ন্তগত লামডিং আৰু উদালী ব্লকত কল্পতৰু আঁচনিৰ ধন পোৱাৰ বাবে Interview দিয়া প্ৰাৰ্থীৰ সংখ্যা তলত দিয়া হ'ল।

| | | |
|---|---|---|
| লামডিং | ২০০৪-০৫, ২০০৫-০৬ | ৬৬২ জন। |
| উদালী | ২০০৪-০৫, ২০০৫-০৬ | ৯৩৭ জন। |

তালিকা পৰিশিষ্ট-১৩ ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(খ) লামডিং সমষ্টিৰ অৰ্ন্তগত লামডিং আৰু উদালী উন্নয়ন খণ্ডৰ সকলো পঞ্চায়তত ২০০১-০২, ২০০২-০৩, ২০০৩-০৪, ২০০৪-০৫ আৰু ২০০৫-০৬ বৰ্ষত SGRY, IAY আৰু PMGY আঁচনিৰ বিপৰীতে আৱণ্টন পোৱা পুঁজিৰ তালিকা পৰিশিষ্ট 'ক' আৰু 'খ' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(গ) ২০০১-০২ চনত নগাঁও জিলা পৰিষদে কোনো আঁচনি গ্ৰহণ কৰা নাই। লামডিং সমষ্টিৰ অৰ্ন্তগতউদালী আৰু লামডিং জিলা পৰিষদ সমষ্টিত SGRY আঁচনিৰ অধীনত ২০০২ চনৰ পৰা বিভিন্ন আঁচনি লৈ সম্পূৰ্ণ কৰা হৈছে। আঁচনিৰ নাম আৰু টকাৰ পৰিমান Annexure-1 ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল। লামডিং সমষ্টিৰ অৰ্ন্তগত লামডিং আৰু উদালী উন্নয়ন খণ্ডৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়তৰ অধীনত ৰূপায়ন কৰা JGSY, SGRY (1), SGRY (II), IAY, PMGY আঁচনি সমূহৰ বিপৰীতে আৱণ্টন কৰা প্ৰতিটো আঁচনিৰ বিতং তালিকা পৰিশিষ্ট ১, ২, ৩, ৪, ৫ (লামডিং উন্নয়ন খণ্ড) আৰু পৰিশিষ্ট ৬, ৭, ৮, ৯, ১০ (উদালী উন্নয়ন খণ্ড) ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(ঘ) লামডিং সমষ্টিৰ অৰ্ন্তগত লামডিং আৰু উদালী উন্নয়ন খণ্ডত (Individual Beneficiaries Scheme) ৰ অধীনত প্ৰতিখন আঞ্চলিক

পঞ্চায়ত ৰূপায়ন কৰা ব্যক্তিগত হিতাধিকাৰীৰ নামৰ তালিকা যথাক্ৰমে পৰিশিষ্ট ১, ২, ৩, ৪, ৫ (লামডিং উন্নয়ন খণ্ড) আৰু পৰিশিষ্ট ৬, ৭, ৮, ৯, ১০ (উদালী উন্নয়ন খণ্ড) ২০০১-০২ ৰ পৰা ২০০৫-০৬ বিত্তীয় বৰ্ষ হিচাবে সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(ঙ) লামডিং সমষ্টিৰ অৰ্ন্তগত লামডিং আৰু উদালী উন্নয়ন খণ্ডই হাৰিয়ালী ২০০৪-০৫ প্ৰজেক্টৰ বাবে যথাক্ৰমে ১২.০০ লাখ টকা আৰু ১৫.০০ লাখ টকা আৱণ্টন হৈছে। ইয়াৰে ৰূপায়ন কৰা আঁচনিৰ তালিকা পুঁজি সহ যথাক্ৰমে পৰিশিষ্ট "গ" আৰু "ঘ" ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

* **শ্ৰীসুশীল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, কল্পতৰু আঁচনিৰ ধন কি কি নিয়মৰ অধীনত বেনিফিচিয়েৰীক দিয়া হয় সেইটো জনালে ভাল হয়।

* **শ্ৰীচন্দন ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে 'কল্পতৰু' আঁচনিটো পি.এণ্ড আৰ, ডি ডিপাৰ্টমেণ্টৰ দ্বাৰা কাৰ্য্যকৰী কৰা নহয়। যিহেতু মাননীয় সদস্য গৰাকীয়ে জানিবলৈ বিচাৰিছে সেয়েহে মই থুলমুলকৈ উত্তৰ দিছো। 'কল্পতৰু' আঁচনিৰ জৰিয়তে বি. পি. এল. ফেমিলি তথা ব্যক্তি সকলক ৭ হাজাৰ টকাৰ পৰা ১০ হাজাৰ টকাকৈ দিয়া হয়। সেই ধনৰ জৰিয়তে বেনিফিচিয়াৰীয়ে যাতে নিজে চণ্ডালিব পৰা স্কীম লৈ উপকৃত হব পাৰে তেনেকুৱা স্কীমৰ আধাৰতেই সেই টকা দিয়া হয়।

* **শ্ৰীসুশীল দত্ত ঃ** চাৰ, যিবিলাকে ইণ্টাৰভিউ দিছে তেওঁলোককহে দিয়া হয় নে ইণ্টাৰভিউ নিদিয়া লোককো দিয়া হয়।

* **শ্ৰীচন্দন ব্ৰহ্ম (মন্ত্ৰী) ঃ** চাৰ, যিবিলাকে ইণ্টাৰভিউ দিয়ে তেওঁলোকৰ মাজৰ পৰাই দিয়া হয়।

* **ডাঃ কমলা কান্ত কলিতা ঃ** চাৰ, মাননীয় মন্ত্ৰী মহোদয়ে এই মাত্ৰ জনাইছে

* Speech not corrected

যে বি. পি. এল. কেটেগৰিৰ বেনিফিচিয়াৰী সকলক ৭ হাজাৰৰ পৰা ১০ হাজাৰ টকা পৰ্য্যন্ত দিয়া হয়। যোৱা বছৰ কল্পতৰু আঁচনিৰ অধীনত যিখিনি বেনিফিচিয়াৰীক ধন দিয়া হৈছে তাৰে কিমান জন বি. পি. এল. ৰ লোকে পাইছে সেই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে।

**Mr. Speaker :** Please bring separate question. The question is regarding Lumding and Udali.

* **Dr. Kamala Kanta Kalita :** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে গাইডলাইন মতে বি. পি. এল. ৰ বেনিফিচিয়াৰী ৭ হেজাৰৰ পৰা ১০ হেজাৰকৈ দিয়া হয়। এতিয়া মই জনাব বিচাৰিছো যে বি. পি. এল. ক দিয়া হোৱা নাই।

**Mr. Speaker :** This is regarding Lumding and Udali.

* **ডাঃ কমলা কান্ত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সদনত কৈছো বি. পি. এল. ৰ বেনিফিচাৰীক দিয়া হোৱা নাই।

* **শ্ৰীহিৰেন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কল্পতৰু আঁচনিৰ নাম সংযোগ কৰি গীতিমালি কৰা হয় নেকি ?

**Mr. Speaker : Now, Starred Question No. 43, Hon'ble Member, Shri Ananta Deka.**

**বিষয় ঃ কৰ্ম সংস্থাপনৰ ব্যৱস্থা।**

---

* Speech not corrected

**শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ**

*** ৪৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**
(ক) এপ'ল মিলৰ স্কিনিং শাখাটো খোলাৰ পিছত উইভিং, ডাইং আৰু প্ৰছেছিং শাখা খোলাৰ মাজেদি এতিয়ালৈ কামত যোগদান কৰিব নোৱাৰাএপ'ল শ্ৰমিক সকলৰ কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি কৰা হব নে ?
(খ) সমবায় বিভাগে চলিত বিত্তীয় বৰ্ষত চাবচিডি বাবদ মিলটোলৈ মোকলাই দিবলগীয়া ৫০ লাখ টকা মোকলাই দিছেনে ? যদি দিয়া নাই কেতিয়াকৈ দিব ?
(গ) মিলটোৰ পুনৰজীৱিত প্ৰক্ৰিয়া তৰান্বিত কৰাৰ কাৰণে উদ্যোগৰ চৰকাৰী দেনা সাময়িকভাৱে স্থগিত ৰখাৰ ব্যৱস্থা কৰা হৈছে নে ?
(ঘ) পুনৰজীৱিত প্ৰক্ৰিয়াত এপ'ল ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগমে আগ বঢ়াবলগীয়া অনুদানৰ বাবে ৰাজ্য চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে ?

**শ্ৰীগৌতম বৰা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**
(ক) এপ'ল মিলৰ সৰ্বমুঠ নিয়মীয়া শ্ৰমিক কৰ্মচাৰীৰ সংখ্যা ৫৮৬ জন। বৰ্ত্তমান এই নিয়মীয়া কৰ্মচাৰীৰ ভিতৰত ৩০১ জন কৰ্মচাৰী কাম কৰি আছে। বাকী সকলক কাৰ্য্যকৰী মূলধন আৰু মেৰামতিৰ ধন সুলভ হ'লে মিল কৰ্ত্তৃপক্ষই পৰ্য্যায়ক্ৰমে সংস্থাপিত কৰিব পাৰিব।
(খ) এই পৰ্য্যন্ত দিয়া হোৱা নাই। এইটো বিত্তীয় বৰ্ষতে মোকলাই দিয়া হব।
(গ) মিলটোৰ অসম চৰকাৰক দিবলগীয়া বৰ্ত্তমান কোনো দেনা নাই। কেন্দ্ৰীয় চৰকাৰ আৰু অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ দেনা সমূহ স্থগিত ৰখাৰ কোনো ব্যৱস্থা ৰখা নাই।
(ঘ) ১) পুনৰ জীৱিত প্ৰক্ৰিয়াত এপ'ল মিললৈ ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগমে (NCDC) আগবঢ়াব লগীয়া বিত্তীয় সাহাৰ্য্যৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে PIB (Public Investment Board) ৰ নিৰ্দ্দেশ মৰ্মে-

* Speech not corrected

(অ) ২০০৪-০৫ বৰ্ষত ৫০:০০ লাখ টকা অংশ প্ৰাপ্ত মূলধন (Share Capital) হিচাবে আৰু
(আ) ২০০৫-০৬ বৰ্ষত ৩৩.০০ লাখ টকা অংশ প্ৰাপ্ত মূলধন আৰু ১৭.০০ লাখ টকা অনুদান হিচাবে মুকলি কৰি দিয়া হৈছে।
(ই) ওপৰোক্ত অনুদানেৰে মিলটো চলাৰ পিছত সমবায় বিভাগে ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগমৰ পৰা পাব লগা মুঠ ১১৭৭.২০ লাখ টকাৰ বিত্তীয় সাহায্যৰ বাবে ইতিমধ্যে বিত্ত বিভাগলৈ অনুমোদনৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

**শ্ৰীঅনন্ত ডেকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০০৩ চনৰ ২৫ ডিচেম্বৰত 'এপ'ল' মিলটো বন্ধ কৰি দিয়া হৈছিল। তাৰ পিছত ২০০৬ চনত এই মিলটো কাৰ্য্যক্ষম কৰি তোলা হৈছিল। এই এপ'ল মিলৰ স্কিনিং শাখাটো খোলাৰ পিছত উইভিং, ডাইং আৰু প্ৰছেছিং এই তিনিটা শাখাত কৰ্মসংস্থাপনৰ সুযোগ দিয়া প্ৰস্তাৱ লোৱা হৈছে নেকি ? মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো চাবচিডি বাবদ যিখিনি টকা মোকলাই দিয়া নাই সেই টকা খিনি মোকলাই দিয়া হবনে ? সমবায়ৰ সামগ্ৰীবিলাক আনকি গছ-গছনি পৰ্য্যন্ত বিক্ৰী কৰা হৈছে ব্যক্তিগত উদ্যোগত। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে।

আমাৰ এন. চি. ডি. চি. ফালৰ পৰা ৰাজ্যখনৰ সমবায় বিভাগলৈ চিঠি দিয়া হৈছে গতিকে এই মিলটো কাৰ্য্যক্ষম কৰা সম্পূৰ্ণ সম্ভাৱনা আছে। যিহেতু এই মিলৰ সামগ্ৰীৰ যথেষ্ট চাহিদা আছে। সেইকাৰণে ইউকো বেংক, ইউনাইটেড বেংক, এপেক্স বেংকৰ লগতে ঋণৰ এককালীন নিযুক্তি কৰিব লাগে। মিলৰ হেড কোৱাৰ্টাৰ উদ্যোগ স্থানত স্থাপন কৰিব লাগে। কিছু ক্ষেত্ৰত পৰামৰ্শ দিয়া হৈছে। কিছু কিছু ক্ষেত্ৰত টকা দিয়া কথাও কোৱা হৈছে। অসমৰ অৰ্থনীতিৰ সবলীকৰণৰ স্বাৰ্থত সমবায় খনৰ এই উদ্যোগটোৰ কথা গুৰুত্ব সহকাৰে মাননীয় মন্ত্ৰী মহোদয়ে বিবেচনা কৰি আছে নেকি ?

* **শ্ৰীগৌতম বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পুনৰজীৱিত প্ৰক্ৰিয়াত এপ'ল মিলৰৈ ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগমে আগবঢ়াবলগীয়া বিত্তীয় সাহায্যৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে পি. আই. বি. ৰ নিৰ্দ্দেশ মৰ্ম্মে ২০০৪-০৫ বৰ্ষত ৫০ লাখ টকা চেভ কেপিটেল হিচাপে আৰু ২০০৫-০৬ বৰ্ষত ৩৩.০০ লাখ টকা চেভ কেপিটেল আৰু ১৭.৯ লাখ টকা অনুদান হিচাপে মুকলি কৰি দিছে। তেখেতে কৈছে সমবায় চেক্টৰ আছে আৰু বিক্ৰীৰ বাবে মোকলাই দিয়াৰ পিছত এন. চি. ডি. চি. মিলটো চলাবৰ বাবে ১১৭৭.২০ লাখ টকা ইতিমধ্যে বিত্তীয় বিভাগৰ পৰা অনুমোদন লোৱা হৈছে। পইচাখিনি পালে মিলটো চলাব পৰা যাব। মিলটোৰ নিয়মীয়া ৫৮৬ জন কৰ্ম্মচাৰী আছে। মিলটো কাৰ্য্যক্ষম হ'লে বাকী কৰ্ম্মচাৰী সোমাই লব পৰা যাব।

* **শ্ৰীঅনন্ত ডেকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বেঙ্কৰ ওপৰত নিৰ্ভৰ কৰি মিলটোৰ পুনৰ কাৰ্য্যক্ষম কৰি তুলিব পাৰি। এ. এচ. ই. বি. ৰ আগৰ কিছু বকেয়া ধন দিবলৈ বাকী আছে। পুনৰজীৱনৰ প্ৰক্ৰিয়াত এই দেনা স্থগিত ৰাখিব লাগে। মিলটোৰ শ শ কৰ্ম্মচাৰী আছে। তেওঁলোকে বিক্ষোভ কৰিছে আজিলৈকে কোনো ব্যৱস্থা লোৱা হোৱা নাই। যদিহে ৰিলায়েঞ্চৰ লগত কোনো চুক্তি হৈছে, সেই চুক্তি বাতিল কৰিব লাগে। মাননীয় সমবায় মন্ত্ৰী মহোদয়ে অৰ্থনৈতিক অধিনিয়মবোৰ উঠাই দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, হাবিৰ মূল্যবান গছ কাটি কাঠ বিক্ৰী কৰি পইচা লৈ আছে। এইবিলাক বন্ধ কৰা ব্যৱস্থা কৰিব লাগে।

* **শ্ৰীগৌতম বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা কথাখিনিৰ সন্দৰ্ভত কওঁ যে অসম চৰকাৰে কাকো দিবলৈ বাকী ৰখা নাই। কিন্তু একচাইজ ডিউটিৰ পইচাখিনি দিবই লাগিব। এ. এচ. ই. বি. ক দিবলৈ ৪ কোটি টকাৰ ওপৰ আছে। চেয়াৰ মেনৰ লগত কথাপাতি ২ কোটি টকালৈ আনিছো। কিস্তি হিচাপে টকাখিনি দি থকা হৈছে। ইয়াত প্ৰডাকচন হোৱা সামগ্ৰীবোৰ বাহিৰলৈ গ'লে যিটো একচাইজ ডিউটিৰ টকা

* Speech not corrected

দিব লাগে সেইটো বন্ধ কৰিব নোৱাৰি। গছ কটা কথা কৈছে। বতাহত ভাগি পৰা গছবোৰ কাটি বিক্ৰী কৰিছে। মই তাত গৈ দেখিছো যে বতাহত পৰি থকা গছহে আছিল।

মাননীয় অধ্যক্ষ মহোদয়, মিলটো কাৰ্য্যক্ষম কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। এন. চি. ডি. চি. ৰ লগত বিত্ত বিভাগে এটা প্ৰস্তাৱ উৎথাপন কৰিছে। ১১ কোটি ৭৭ লাখ টকা পালে কৰ্ম্মৰত অৱস্থাত থকা ৫৮৬ জন কৰ্ম্মচাৰীৰ ভিতৰত ৩১১ জনে। বাকী থকা কৰ্ম্মচাৰীৰ কথাটো অনুধাৱন কৰিব নে ?

**মাননীয় অধ্যক্ষ ঃ** অলৰেডি এইটো হৈ গৈছে।

* **শ্ৰীঅনন্ত ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ওৱান টাইম Settlement ৰাজ্য চৰকাৰে কি কৰিছে ? এন. চি. ডি. চি. লৈহে নেকি ? মই কৈছো সেই সময়ত ধুমুহা অহা নাই। তেতিয়াহ'লে ৰাইজে এচ. ডি. অ'. অফিচত গৈ কিহৰ কাৰণে আপত্তি দিছে ? তেওঁলোকে গছ কাটিছে। চৰকাৰে অসত্য বিবৃতি দিছে। এই মিলটো সম্পৰ্কে যাৱতীয় অনুসন্ধান কৰি কিবা এটা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

* **শ্ৰীগৌতম বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টা আৰু সদিচ্চা থকা কাৰণে এই মিলটো পুনৰ জীৱিত কৰি কাৰ্য্যক্ষম কৰি তোলা হৈছে। এই সমবায়টো সুন্দৰ ভাৱে চলিব যিহেতুকে পোটেনচিএলিটি আৰু মাৰকেট আছে। আমি তাৰ কাৰণে সম্পূৰ্ণ ব্যৱস্থা লৈছো। আমি এন. চি. ডি. চি. ৰ লগত কথা পাতিছো। যিটো প্ৰস্তাৱ আমি পঠাইছো সেইটো হ'লে আমি ব্যৱস্থা কৰিম।

* **শ্ৰীপ্ৰবীন গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত যিবোৰ টেক্সটাইল ইণ্ডাষ্ট্ৰি আছে সেই বিলাকত আমাৰ বাহিৰত থকা টেক্সটাইল এক্সপাৰ্ট যুৱক

* Speech not corrected

সকলক মাতি আনি নিয়োগ কৰাৰ ব্যৱস্থা কৰিলে ভাল হয়। আমাৰ বহুটো যুৱক মহাৰাষ্ট্ৰ আদিত টেক্সটাইল এক্সপাৰ্ট হিচাবে কাম কৰি আছে। তেওঁলোকক আমাৰ অসমৰ টেক্সটাইল ইণ্ডাষ্ট্ৰিৰ দায়িত্ব অৰ্পণ কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

**Mr. Speaker : Starred Question No. 44, Hon'ble Member, Dr. Alaka Sarma.**

**Subject : Development of Fisheries Sector.**

✱ **44. Will the Minister of Fisheries be pleased to state :**

(a) During the years 2000-2001 to 2005-06, what is the total quantity of fish purchased from outside Assam for consumption purpose ?

(b) What is the monetary value of the said quantity of fish at current market price ?

(c) During 2000-2001 to 2005-06, how much fingerlines (মাছৰ পোনা) purchased from outside Assam, for the purpose of reading ?

(d) What is the monetary value of the said fingerlines at current market price ?

(e) Whether the Government has any comprehensive policy for development of fisheries sector ? If yes, please give a copy.

(f) If not, by what time, the comprehensive policy is expected to the adopted ?

---

✱ Speech not corrected

(g) During 2000-2001 to 2005-06 how much loan from national/international sources has been taken by Government of Assam, for development of fisheries sector ? (Please give yearwise, source wise data)

**Shri Nurjamal Sarkar (Minister of Fisheries) replied :**

(a) Fish is imported to Assam but not purchased by the department.

(b) Does not arise.

(c) Fingerlines are not purchased bu the department for reading

(d) Does not arise.

(e) Neither in the National Level nor in the State Level there is any comprehensive policy for development of fishery sector.

(f) It will be considered after National level policy is adopted.

(g) The Govt. of Assam through the World Bank aided project has received fund (Grant as well as loan) under Agriculture and allied sector where fisheries is also a component. Source wise/year wise sanction of the fund is Annexed herewith at Annexure-(A).

(h) Year wise, scheme wise allocation received is Annexed herewith at Annexure (B).

(i) Its a periodic scheme continuing up to 2001 year. Present status is indicated at Annexure (C).

* **ডঃ অলকা শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে Fish is imported to Assam but not purchased by the Department শব্দটো ব্যৱহাৰ কৰা হৈছে। বস্তু ইম্পৰ্টেড্ কৰিলে বেলেগ দেশৰ পৰাহে সম্পৰ্ট কৰা হয়। আমাৰ অসমখন ভাৰতৰ ভিতৰত নহয় নেকি ? তাৰ পিছত মই সুধিছিলো কিমান মাছ বাহিৰৰ পৰা ডিপাৰ্টমেণ্টে আনে ? How much quantity of fish purchased from outside Assam ? প্ৰত্যেক মাহে ৩০ লাখ টকাৰ মাছ বাহিৰৰ পৰা আহে।

**Mr. Speaker :** What is the total quantity of fish purchased from outside Assam ?

* **ডঃ অলকা শৰ্মা ঃ** বাহিৰৰ পৰা ফিঙ্গাৰ লিংচ্ বিভাগে কিনি আনিছে কিন্তু উত্তৰত কব বিচৰা নাই। বিভাগে কিনা নাই বুলি কৈছে। প্ৰশ্নৰ উত্তৰটো গুৰুত্ব সহকাৰে দিব বিচৰা নাই। মোৰ প্ৰশ্নটোত কোনো গুৰুত্ব দিয়া হোৱা নাই। মোৰ চি প্ৰশ্নৰ উত্তৰত ফিচাৰি পলিচি নাই বুলি কৈছে। কৈছে নেচনেল লেভেলটো নাই আৰু ষ্টেট লেভেলটো নাই। নেচনেল পলিচি নহ'লেও আমাৰ ষ্টেট লেভেলত ফিচাৰি পলিচি লব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ চাপলিমেণ্টাৰীটো কওঁক।

* **ডঃ অলকা শৰ্মা ঃ** আমাৰ নেচনেল লেভেলত পলিচি নাথাকিলেও আমাৰ ষ্টেট লেভেলত কিয় কৰিব পৰা নাই ? এতিয়ালৈকে ১ কোটিৰো অধিক টকাৰ মাছ অসমে বাহিৰৰ পৰা কিনিছে। মই আঁচনি পৰিপুৰক কৰাৰ কথা

* Speech not corrected

সোধা নাছিলো। এতিয়া বৰ্তমান কি হৈ আছে সেইটোহে সুধিছো। তাৰোপৰি ইম্পৰটেড্ শব্দটো উঠাই দিব লাগে।

**শ্ৰীনুৰজামাল সৰকাৰ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা গৰাকীয়ে ঠিকেই বুজিছে যে আমাৰ চৰকাৰে মাছ প্ৰাৰচেজ নকৰে। মই কথাটো কৈ দিছো। Fishes are purchased from Andhra Pradesh, Uttar Pradesh, Bihar and West Bengal. মাছ বিলাক মহলদাৰ বিলাকে অনাৰ পিছত চেকগেট বিলাকত ট্ৰেচ লোৱা হয়। তেওঁলোকে আনি বজাৰত বিক্ৰী কৰে। As per data collected from the district during the year 2000-2001 to 2005-2006 about 83,300 MT fish have been purchased from outside of Assam. The exect value of the fish would be about Rs. 375 crores. ফিঙ্গাৰলিংচ চৰকাৰে পাৰচেচ নকৰে। Fingerlings are not purchased by the department for rearing. পাম কিনি আনি ডাঙৰ কৰি নিজৰ পুখুৰীত ৰাখি বিক্ৰী কৰে। চৰকাৰৰ এটা ডিচিচন আছে। লো লেণ্ড এৰিয়া যিবিলাক আছে তাত ফিচাৰিৰ ৰুল এমেণ্ডমেণ্ট কৰি সেই একেই এৰিয়া বিলাকত মাছৰ প্ৰডাকচন বঢ়োৱাৰ ব্যৱস্থা লৈছোঁ। মাননীয় অধ্যক্ষ মহোদয়, লো লাইন এলেকা বিলাকৰ উন্নয়নৰ কাৰণে ব্যৱস্থা লোৱা হৈছে।

* **শ্ৰীপ্ৰনৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে মাছৰ বজাৰ চৰকাৰে নিয়ন্ত্ৰণ নকৰে। মন্ত্ৰী মহোদয়ে জানেনে নাই মই নাজানো বজাৰত মাছৰ দাম কিমান। মাছৰ বজাৰ যদি চৰকাৰে নিয়ন্ত্ৰণ নকৰে মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে এই ফাৰ্মাৰিচ্ সকলক কোনে নিয়ন্ত্ৰণ কৰে ? বাহিৰৰ পৰা অহা চালানী মাছবিলাক উত্তৰ গুৱাহাটীলৈ লৈ যোৱা হয় আৰু তাৰ পৰা পুনৰ গুৱাহাটীলৈ আনি ল'কেল মাছ বুলি বিক্ৰী কৰা হয়। গতিকে চাৰ, নতুন নীতি নিৰ্দ্ধাৰণ কৰি মাছৰ বজাৰ নিয়ন্ত্ৰণ

---

* Speech not corrected

কৰাৰ ব্যৱস্থা লব লাগে।

✱ **শ্ৰীনুৰজামাল সৰকাৰ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত গুৱাহাটী পৌৰ নিগমে মাছৰ বজাৰ নিয়ন্ত্ৰণ কৰে।

✱ **শ্ৰীপ্ৰনৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কেৱল গুৱাহাটীৰ মাছৰ বজাৰৰ কথা কোৱা নাই, অসমৰ বজাৰৰ কথা কৈছো।

✱ **শ্ৰীনুৰজামাল সৰকাৰ (মন্ত্ৰী) ঃ** চাৰ, পঞ্চায়তে নিয়ন্ত্ৰণ কৰে।

✱ **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে পঞ্চায়তে নিয়ন্ত্ৰণ কৰে। পঞ্চায়তে কেনেকৈ নিয়ন্ত্ৰণ কৰে, জনাবনে ?

✱ **শ্ৰীবৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক প্ৰস্তুত হৈ আহিবলৈ নিৰ্দ্দেশ দিব লাগে।

**Mr. Speaker : Starred Question No. 45, Hon'ble Member, Shri Hiren Das.**

**বিষয় ঃ আঁচনিৰ সদব্যৱহাৰ।**

**শ্ৰীহিৰেন দাসে সুধিছে ঃ**

✱ **৪৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) দৰং জিলাত দৰং জিলা পৰিষদৰ জৰিয়তে ২০০৬-০৭ বৰ্ষৰ ৯১ লাখ

✱ Speech not corrected

৭৩ হাজাৰ টকাৰ কি কি আঁচনি গ্ৰহণ কৰিছে ? ইয়াৰ বিপৰীতে ৭১৩৫.০০ টকাৰ চাউলখিনি বৰ্তমান ক'ত আছে ? (আঁচনিৰ তালিকা আৰু আৱণ্টিত ধনৰ পৰিমাণ সদনৰ মেজত দাখিল কৰিব)

(খ) ২০০১ চনৰ পৰা বৰ্তমানলৈ দৰং জিলা পৰিষদ, পূৱ মঙ্গলদৈ আঞ্চলিক পঞ্চায়ত আৰু পশ্চিম মঙ্গলদৈ আঞ্চলিক পঞ্চায়তৰ I.B.S. ৰ জৰিয়তে কি কি আঁচনিৰ দ্বাৰা কিমানজন লোক উপকৃত হ'ল ? (উল্লেখ কৰা প্ৰত্যেকটো স্তৰৰ তালিকা নাম, ঠিকনা আৰু জাতিৰ প্ৰমাণ পত্ৰ (SC/ST) সহ সদনৰ মেজত দাখিল কৰিব)।

(গ) পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ ধনেৰে দৰং চহৰাঞ্চলত কি কি আঁচনিৰ বাবে কিমান পুঁজি খৰছ কৰিলে ? (২০০১ চনৰ পৰা বৰ্তমানলৈ আঁচনিৰ নাম খৰছ কৰা পুঁজিৰ তালিকা সদনৰ মেজত দাখিল কৰিব)।

(ঘ) গাঁও পঞ্চায়তত ১ কোটি টকাৰ যি আঁচনি গ্ৰহণ কৰিছে, এই টকা কেতিয়া মুকলি কৰি দিব ?

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) দৰং জিলাত দৰং জিলা পৰিষদৰ জৰিয়তে ২০০৬-০৭ বৰ্ষৰ ৯১ লাখ ৭৩ হাজাৰ টকাৰ আঁচনি সমূহ পৰিশিষ্ট 'ক' ত সংলগ্ন কৰি সদনৰ মেজত পেচ কৰা হ'ল।

প্ৰশ্ন উল্লেখ কৰা মতে ৭১৩৫.০০ টকাৰ চাউল নহয়। ৭১৩৫ কুইন্টল চাউলহে। ৭১৩৫ কুইন্টল আৱণ্টিত চাউলৰ ৩০০০ কুইন্টল চাউল F. C. I. ৰ পৰা মোকলাই অনা হৈছে আৰু ধুলা সমবায়ৰ ভঁৰালঘৰত জমা ৰখা হৈছে।

(খ) ২০০১-০২ বিত্তীয় বৰ্ষত দৰং জিলা পৰিষদৰ কোনো কাম-কাজ আৰম্ভ হোৱা নাছিল। ২০০২-০৩ পৰা ২০০৫-০৬ বিত্তীয় বৰ্ষৰ I. B. S. আঁচনিৰ অধীনত উপকৃত হোৱা হিতাধিকাৰীৰ নাম, ঠিকনা আদি পৰিশিষ্ট 'খ'-১ আৰু 'খ'-২ ত সংলগ্ন কৰি সদনৰ মেজত পেচ কৰা হ'ল। ২০০১ চনৰ পৰা

বৰ্তমানলৈ পূৱ মঙ্গলদৈ আঞ্চলিক পঞ্চায়তৰ জৰিয়তে I. B. S. আঁচনিত উপকৃত হোৱা হিতাধিকাৰীৰ তালিকা পৰিশিষ্ট 'খ'-৩ আৰু 'খ'-৪ সংলগ্ন কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(গ) পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ ধনেৰে দৰং জিলাৰ চহৰ অঞ্চলত কোনো আঁচনি ৰূপায়ন কৰা হোৱা নাই।

(ঘ) দৰং জিলা পৰিষদ আৰু দৰং জিলা গ্ৰামীণ অভিকৰণ গাঁও পঞ্চায়তত ১ কোটি টকাৰ আঁচনি লোৱা সম্পৰ্কে অৱগত নহয়।

* **শ্ৰীহিৰেন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, দৰং জিলাত এতিয়ালৈকে ৩ হাজাৰ কুইণ্টল চাউল মুকলি কৰি দিছে বুলি ইয়াত তথ্য দাখিল কৰিছে। কিন্তু বাকী ৪১৩৫ কুইণ্টল এতিয়ালৈকে দিয়া নাই। সেইবিলাক চাউল ক'ত আছে ? নিয়মমতে পঞ্চায়তে চাউলবিলাক বিতৰণ কৰিব লাগে, কিন্তু দেখা গৈছে পঞ্চায়তৰ চাউল বজাৰত বিক্ৰী হৈ আছে। এইটো মাননীয় মন্ত্ৰী মহোদয়ে তদন্ত কৰি বন্ধ কৰাৰ ব্যৱস্থা কৰিব নোৱাৰেনে ?

দ্বিতীয়তে চাৰ, আই. বি. এচ. ৰ সম্পৰ্কে কব খুজিছো। এই আঁচনিৰ দ্বাৰা কিমানজন লোক উপকৃত হৈছে। এচ. টি/ এচ. চি. ৰ নামত বেলেগে ভোগ কৰি আছে। চাৰ, মই ২৩ $^1/_2$ কোটি টকাৰ কথা কৈছো। ১ কোটি টকাৰ কথাটো সত্য নহয় অসত্য।

* **শ্ৰীচন্দন ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য, শ্ৰীহিৰেণ দাস ডাঙৰীয়াই দৰং জিলা পৰিষদৰ অধীনত ৯১ লাখ ৭৩ হাজাৰ টকাৰ যি আঁচনিৰ কথা সুধিছে, সেই আঁচনিবিলাক ৰূপায়ন কৰা হব। ২০০৬-০৭ ত যি চাউল পাবলগীয়া আছে, সেয়া অহা মাৰ্চ মাহৰ ভিতৰত দিব পৰা যাব। মাৰ্চৰ পৰা সকলোৱে চাউলখিনি পাব। ৪১০০ কুইণ্টল চাউল মাৰ্চ মাহত পাব।

* **শ্ৰীহিৰেণ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনি বাহাল ৰাখিব নেকি

* Speech not corrected

? আই. বি. এচ. ত বহুত দূর্নীতি হৈছে। এক কোটি টকা এইটো ৰহস্য। প্ৰত্যেক গাঁও পঞ্চায়তৰ কাৰণে এক কোটি টকাৰ আঁচনি লব লাগে। এইটো নিৰ্বাচনী চমক নে কি এইটো আমাক জনাব লাগে।

**শ্ৰীৰঞ্জিত দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে ২০০৬-০৭ 1st Instalment ৰ যিটো ৰ কাম সেইমতে 40% চাউল আৰু Cash 60% দিয়া হৈছে। কিন্তু এতিয়া শতকৰা ৪০ ভাগ চাউল আছে, সেই চাউল এতিয়ালৈ ৰিলিজ কৰি দিয়া নাই। শতকৰা ৪০ ভাগৰ ২০ ভাগে চাউল পাইছে বাকী শতকৰা ২০ ভাগ চাউল DRDA ৰ পৰা ৰিলিজ হোৱা নাই। এফ. চি. আই. য়ে ৰিলিজ কৰা নাই। চৰকাৰৰ ইনষ্ট্ৰাকশ্যন আছে, পঞ্চায়তৰ যি পইচা ও চাউল আছে সেই পইচা আৰু চাউল ৰাইজক সকাহ দিবৰ কাৰণে দিয়া হৈছে। চাউলবিলাক সোনকালে মোকলাই দিয়াৰ ব্যৱস্থা কৰিব লাগে।

* **শ্ৰীচন্দন ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে, সেই প্ৰসংগত মই উল্লেখ কৰিব বিচাৰিছো যে অহা মাৰ্চ মাহৰ ভিতৰত আমি সকলোবিলাক চাউল মোকলাই দিব পাৰিম। মই মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে এফ. চি. আই. ৰ লগত ইতিমধ্যে আমাৰ আলোচনা হৈছে অহা মাৰ্চ মাহৰ ভিতৰত চাউল মোকলাই দিয়াৰ কাৰণে। যিখিনিয়ে পাবলগীয়া আছে মাৰ্চৰ ভিতৰত পাব।

* **শ্ৰীমহিবুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, এফ. জি. আৰু ৰাই আঁচনিৰ অধীনৰ যি চাউল আছে, সেই চাউল বজাৰত বিক্ৰী হৈ আছে। সেইবিলাক কথা বাতৰি কাকতত অহৰহ প্ৰকাশ পাই আহিছে। চাউল বিলাক যে বজাৰত এনেকৈ বিক্ৰী হৈ গৈছে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে ? এইটো আমাক জনাব লাগে।

---

* Speech not corrected

❋ **শ্ৰীচন্দন ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা সদনৰ মজিয়াত কব বিচাৰিছো যে যোৱাবাৰ বাজেট চেছনত মই এটা কথা কৈছিলো। মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াও আছিল। মই নিজে টেকআপ কৰিছিলো যে ৰাইচ কোশ ফুড গ্ৰেইনচ আমাক নালাগে। এই ক্ষেত্ৰত এতিয়া বজাৰ বিক্ৰী হৈ আছে নে নাই সেইটো বেলেগ কথা। এতিয়া মই কব বিচাৰিছো যে 'নেশ্যনেল ৰুৰেল এম্প্লইমেণ্ট গেৰাণ্টি এক্ট ' এই আঁচনিৰ অধীনত ৰূপায়ন হব। ইয়াত কোনো ফুড গ্ৰেইনচ নাই। এই আঁচনি গোটেই ভাৰতবৰ্ষৰ বিভিন্ন জিলাত অহা পাঁচ বছৰৰ ভিতৰত প্ৰৱৰ্ত্তন হব।

❋ **শ্ৰীমহিবুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই চাউলৰ দূৰ্নীতিৰ বিষয়ে কৈছো। বজাৰত বিক্ৰী হোৱা চাউলৰ কথা কৈছো। চৰকাৰৰ নিশ্চয় দায়বদ্ধতা আছে। ইয়াৰ কি ব্যৱস্থা লৈছে।

**মাননীয় অধ্যক্ষ** ঃ বজাৰত বিক্ৰী হলেই যে দূৰ্নীতি হৈছে, সেইটো কথা নহয়।

❋ **শ্ৰীচন্দন ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চাউল বিক্ৰীৰ কিবা স্পেচিফিক কেচ থাকিলে আমি কৰি দিম।

❋ **শ্ৰীহিৰেণ দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, আই. বি. এচ. ৰ তদন্তটো হ'ব নে নাই ?

❋ **শ্ৰীচন্দন ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আই. বি. এচ. ৰ তদন্তটো হ'ব।

❋ **শ্ৰীকাৰ্ত্তিক সেনা সিনহা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ কৰিমগঞ্জ জিলাৰ কথা কব বিচাৰিছো। ১৫০০০ চাউল এফ. চি. আই. ৰ পৰা ড্ৰ কৰিব

পৰা নাই। এই চাউল ৰিলিজ কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কিবা ব্যৱস্থা লৈছে নেকি মই জানিব বিচাৰিছো।

**Mr. Speaker : Now, Starred Question No. 46, Hon'ble Member, Shri Phani Bhusan Choudhury.**

**বিষয় ঃ পঞ্চায়ত নিৰ্ব্বাচন।**

**শ্ৰীফনীভূষন চৌধুৰীয়ে সুধিছে ঃ**

*** ৪৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বৰ্ত্তমান পঞ্চায়ত সমূহৰ কাৰ্য্যকাল কেতিয়া উকলিব ? কাৰ্য্যকাল উকলাৰ আগতে পঞ্চায়ত নিৰ্ব্বাচন অনুষ্ঠিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

(খ) পঞ্চায়ত নিৰ্ব্বাচন অনুষ্ঠিত হোৱাৰ পূৰ্ব্বে পঞ্চায়ত সমূহ পুনৰ গঠনৰ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে অসমত কিমানখন নতুন পঞ্চায়ত আৰু কিমানখন জিলা পৰিষদৰ সমষ্টি নতুনকৈ গঠন কৰা হ'ল ?

(গ) যিবোৰ পঞ্চায়ত (কিছু অংশ BTAD ত অৰ্ন্তভূক্ত হোৱা বাবে) ৰ নিৰ্ব্বাচন যোৱা পঞ্চায়ত নিৰ্ব্বাচনৰ সময়ত অনুষ্ঠিত হোৱা নাছিল। সেইবোৰ পঞ্চায়তৰ নিৰ্ব্বাচন অনুষ্ঠিত কৰাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমান পঞ্চায়ত সমূহৰ কাৰ্য্যকাল ২০০৬ চনৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখৰ পৰা ২০০৭ চনৰ এপ্ৰিল মাহৰ ভিতৰত উকলিব। পঞ্চায়ত সমূহৰ নিৰ্ব্বাচনৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) পঞ্চায়ত নিৰ্ব্বাচন অনুষ্ঠিত হোৱাৰ পূৰ্বে পঞ্চায়ত সমূহ পুনৰ গঠনৰ

* Speech not corrected

বিষয়টো চৰকাৰে বিবেচনা কৰি আছে।

(গ) অসম পঞ্চায়ত আইন, ১৯৯৪ চনৰ আধাৰত এই পঞ্চায়ত সমূহৰ সীমা পুনৰ নিৰ্দ্ধাৰিণ কৰি নিৰ্ব্বাচন অনুষ্ঠিত কৰা হব।

* **শ্ৰীফনী ভূষন চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মাননীয় মন্ত্ৰী মহোদয়ে বৰ্তমান পঞ্চায় সমূহৰ কাৰ্য্যকাল ২০০৬ চনৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখৰ পৰা ২০০৭ চনৰ এপ্ৰিল মাহৰ ভিতৰত উকলিব বুলি কৈছে। মই জানিব বিচাৰিছো কোনবোৰ জিলাত কেতিয়া নিৰ্ব্বাচন অনুষ্ঠিত হব। মন্ত্ৰী মহোদয়ে জনাব নেকি ?

* **শ্ৰীচন্দন ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্যজনে যি প্ৰশ্ন কৰিছে, সেই প্ৰশ্নটোৰ উত্তৰ দিবলৈ মোক অলপ সময় লাগিব।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো গুৰুত্বপূৰ্ণ। মন্ত্ৰী ডাঙৰীয়াই কোৱাটো ভাল।

* **শ্ৰীপদ্ম হাজৰীকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, কিহৰ ওপৰত ভিত্তি কৰি এপ্ৰিল মাহৰ ভিতৰত উকলিব বুলি কৈছে ?

* **শ্ৰীচন্দন ব্ৰহ্ম (মন্ত্ৰী)** ঃ আমাৰ পঞ্চায়ত আইন, ১৯৯৪ ৰ ৭ নং দফাৰ ওপৰত ভিত্তি কৰি গাঁও পঞ্চায়ত সমূহৰ কাৰ্য্যকাল হোৱা দিনৰ পৰা আৰম্ভ কৰি ৫ বছৰলৈ বৰ্ত্তি থাকিব।

* **শ্ৰীপদ্ম হাজৰীকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিচেম্বৰৰ পৰা এপ্ৰিললৈ শপত গ্ৰহণৰ দিন ধৰিলে আমাৰ শোণিতপুৰ জিলাত কি হব। কাৰণ ইয়াত জুন মাহতহে শপত গ্ৰহণ হৈছে। সেইটো কি হব।

---

* Speech not corrected

✱ **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, নগাঁও জিলাত জুন মাহত শপত গ্ৰহণ হৈছে। পঞ্চায়ত বিলাকক এতিয়াও কিয় ক্ষমতা দিয়া নাই।

✱ **শ্ৰীচন্দন ব্ৰহ্ম (মন্ত্ৰী) ঃ** আইনগত ভাৱে নিৰ্বাচিত হোৱাৰ পিচত প্ৰথম মিটিঙখন হোৱাৰ পৰা ৫ বছৰলৈকে কাৰ্য্যকাল ধৰা হয়।

✱ **শ্ৰীফনী ভূষন চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই কৈছে প্ৰথম গাঁওসভা হোৱাৰ পৰা কাৰ্য্যকাল নিৰ্দ্ধাৰিণ হব। আমাৰ সন্মানীয় সদস্য, পদ্ম হাজৰীকা ডাঙৰীয়াই কৈ গৈছে যে শোণিতপুৰ, নগাঁও জিলাত জুন মাহত শপত গ্ৰহণ হৈছিল। কথাটো মন্ত্ৰী মহোদয়ক শুদ্ধকৈ কবলৈ অনুৰোধ জনালো।

**Mr. Speaker :** We will have it to the Departmental Minister. He will discuss with the officers of the Department and give a decision.

✱ **শ্ৰীবৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো আলোচনাৰ বিষয় নহয়। এই ক্ষেত্ৰত নিদিষ্ট আইন আছে, সেই মতে নিৰ্ব্বাচন হোৱাৰ দিনৰ পৰা হয় নে ডিচেম্বৰ মাহৰ পৰা হয় চাব। শপত লোৱাৰ দিনৰ পৰা ৫ বছৰৰ ভিতৰত সেইটো ভেৰি কৰিব। শোণিতপুৰৰ বিষয়টো স্পষ্ট কৰি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** বিধান সভা, ইলেকচন কমিশ্যনে ডিক্লেয়াৰ কৰিলে (হুলস্থুল) যেনেদৰে আমাৰ সদস্য, শ্ৰীপ্ৰদীপ হাজৰীকাই শপত গ্ৰহণ পিছত কৰিছে, কিন্তু এফেক্টটো সেই দিনৰ পৰাই হব। (হুলস্থুল)

✱ **শ্ৰীবৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো একেবাৰে সাধাৰণ

---

✱ Speech not corrected

কথা। জিলা পৰিষদ সমূহৰ নিৰ্ব্বাচন সময়মতে হব লাগে। এই দেট ডিচেম্বৰত নিৰ্ব্বাচন হোৱাৰ পৰা হব নে শপত গ্ৰহণ হোৱা দিনৰ পৰা হব। মন্ত্ৰী মহোদয়ে কথাটো স্পষ্ট কৰিব লাগে।

* **শ্ৰীচন্দন ব্ৰহ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিখন গাঁও পঞ্চায়তৰ কাৰ্য্যকাল ৫ বছৰ বৰ্ত্তি থাকিব।

* **শ্ৰীফনী ভূষন চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই কৈছে যে পঞ্চায়ত নিৰ্ব্বাচন অনুষ্ঠিত হোৱাৰ পূৰ্বে পঞ্চায়ত গঠন হব। আমাৰ যিবিলাক জিলাৰ কিছু অংশ বি. টি. এ. ডি. ত সোমাইছে, সেই বিলাকৰ পুনৰগঠন কৰিব লাগিব। নগাঁও জিলাত বি. টি. এ. ডি. ৰ প্ৰব্লেম নাই। সেইবোৰত কি হব।

* **শ্ৰীচন্দন ব্ৰহ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যি কথাত ধৰি আছে সেই ক্ষেত্ৰত মই কওঁ যে এইটো প্ৰচেচ চলি আছে গোটেই অসমতে।

* **ডাঃ আদিত্য লাংঠাছা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাৰ্বি আংলং জিলা পৰিষদ, এন. চি. হিলচ জিলা পৰিষদৰ নিৰ্ব্বাচন কিয় ঘোষনা কৰা নাই ? মই জিলা পৰিষদৰ নিৰ্ব্বাচনৰ ক্ষেত্ৰত এই প্ৰশ্ন আনিছো

**মাননীয় অধ্যক্ষ ঃ** এইটো ষষ্ঠ অনুসূচীৰ কথা।

* **শ্ৰীবৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি পঞ্চায়তবোৰ পূৰ্ণগঠন হয়, মই অনুৰোধ কৰিম সমষ্টিবোৰৰ ক্ষেত্ৰত যিদৰে লোৱা হৈছে বিৰোধী দল সমূহকো বিশ্বাসত লৈ কাম কৰিব লাগে।

---

* Speech not corrected

* শ্ৰীপদ্ম হাজৰীকা ঃ মাননীয় অধ্যক্ষ মহোদয়, পূৰ্নগঠন কৰোতে বহুতো বনাঞ্চল ধ্বংস হৈ যাব। শোণিতপুৰ জিলাতো বহুত বনাঞ্চল আছে। পুননিৰ্দ্ধাৰণ কৰোতে সেইবোৰৰ প্ৰতি যাতে চকু দিয়া হয়, তাকে মই অনুৰোধ কৰিলো।

* মোঃ আতাউর রহমান মাঝার ভূইঞা ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় আইনের দফা পড়ে উত্তৰ দিয়েছেন যে শপথ নেওৱার পাঁচ বছরের পর নির্বাচন হবে আবার বলেছেন যে ডিসেম্বর/০৬ এবং এপ্রিল/০৭ মধ্যে পঞ্চায়ত নির্বাচন অনুষ্ঠিত করা হবে। এটশ একটা পরস্পর উত্তর। সুতরাং আমি ——

**Mr. Speaker : Question Hour is over.**

**(Starred Question Nos. 47 to 60 could not be taken up for disposal as the Question Hour was over. However the said questions deemed to have been laid on the table of the House with replies thereto.)**

**বিষয় ঃ হিতাধিকাৰীৰ সংখ্যা।**

**শ্ৰীবিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ**

* **৪৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ২০০২ চনৰ পৰা বৰ্ত্তমানলৈকে সেই সময়ৰ অবিভক্ত দৰং জিলাত (বৰ্ত্তমান ওদালগুৰি আৰু দৰং জিলা) দৰং জিলা পৰিষদৰ জৰিয়তে ব্যক্তিগত হিতাধিকাৰী আঁচনি (I.B.S.) ৰ অধীনত কিমান সংখ্যক হিতাধিকাৰী উপকৃত হৈছে ?

(খ) সমষ্টি ভিত্তিত মুঠ হিতাধিকাৰীৰ সংখ্যা, নামৰ তালিকা আৰু ধনৰ

* Speech not corrected

পৰিমাণ, সামগ্ৰী বিৱৰন সদনৰ মেজত দাখিল কৰিব নে ?
(গ) ২০০২ চনৰ পৰা বৰ্ত্তমানলৈকে এই আঁচনিত কিমান সংখ্যক টকা ব্যয় কৰা হৈছে, চন ভিত্তিত সমষ্টি অনুযায়ী ব্যয় কৰা ধনৰ তথ্য সদনৰ মেজত দাখিল কৰিবনে ?
(ঘ) ২০০২ চনৰ পৰা বৰ্ত্তমানলৈকে অবিভক্ত দৰং জিলাত জিলা পৰিষদৰ জৰিয়তে বৃদ্ধ পেঞ্চন আঁচনিৰ অধীনত কিমান সংখ্যক হিতাধিকাৰী উপকৃত হ'ল। সমষ্টি অনুযায়ী চন ভিত্তিত হিতাধিকাৰীৰ নাম, ধনৰ পৰিমাণ সহ তালিকা সদনৰ মেজত দাখিল কৰিবনে ?

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**
(ক) ২০০২ চনৰ পৰা বৰ্ত্তমানলৈকে ৫৮৮১ জন হিতাধিকাৰী I.B.S. ৰ অধীনত উপকৃত হৈছে।
(খ) দৰং জিলাৰ (অবিভক্ত) ৭ টা বিধান সভা সমষ্টিৰ অৰ্ন্তগত হিতাধিকাৰীৰ সংখ্যা, নামৰ তালিকা আৰু ধনৰ পৰিমাণ পৰিশিষ্ট ক/১ আৰু ক/২ ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।
(গ) ২০০২ চনৰ পৰা বৰ্ত্তমানলৈকে এই আঁচনিৰ অধীনত ৩৪৩.৬৯ লাখ টকা ব্যয় কৰা হৈছে। বিত্তীয় বৰ্ষ অনুযায়ী ব্যয় কৰা ধনৰ তথ্য তলত দিয়া হ'ল।

| বৰ্ষ | টকাৰ পৰিমাণ |
|---|---|
| ২০০২-০৩ | ১২২.২১ লাখ |
| ২০০৩-০৪ | ১২৪.২৮ লাখ |
| ২০০৪-০৫ | ৫৫.৮০ লাখ |
| ২০০৫-০৬ | ১৪১.৪০ লাখ |

(ঘ) ২০০২ চনৰ পৰা বৰ্ত্তমানলৈকে বৃদ্ধ পেঞ্চন আঁচনিৰ অধীনত ২৪,৭০২ জন হিতাধিকাৰী দৰং জিলাত উপকৃত হৈছে। হিতাধিকাৰীৰ নাম আৰু ধনৰ পৰিমাণ উল্লেখ থকা তালিকা পৰিশিষ্ট 'খ' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ

কৰা হ'ল।

**বিষয় ঃ প্লেটফৰ্ম নিৰ্ম্মান।**

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

* ৪৮। **মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ৰাজ্যখনৰ বিভাগৰ অৰ্ন্তগত কোন কোন খণ্ড উন্নয়ন বিষয়াৰ এলেকাৰ "ৰেইজ প্লেটফৰ্ম" নিৰ্ম্মান কৰা হৈছিল ?

(খ) প্ৰতিখন প্লেটফৰ্ম নিৰ্ম্মানৰ বাবে কিমান পৰিমাণৰ টকা অথবা চাউল দিয়া হৈছিল ?

(গ) নগাঁও জিলা গ্ৰামোন্নয়ন অভিকৰণে "ৰেইজ প্লেটফৰ্ম" নিৰ্ম্মানৰ বাবে কোন কোন খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালিয়ৰ এলেকা চিনাক্তকৰণ কৰিছিল ? কিমান পৰিমাণৰ চাউল অথবা টকা দিয়া হৈছিল ?

(ঘ) পাখিমৰীয়া খণ্ড উন্নয়ন কাৰ্য্যালিয়ে "ৰেইজ প্লেটফৰ্ম" নিৰ্মান কৰিছিল নেকি ?

(ঙ) যদিহে কৰিছিল, কোন কোন এলেকাত কৰিছিল ?

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনৰ ১৪৮ টা উন্নয়ন খণ্ড এলেকাত (Raised Plateform) "ৰেইজ প্লেটফৰ্ম" নিৰ্ম্মাণ কৰা হৈছিল। জিলা আৰু ব্লক ভিত্তিত Annexure- 'A' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল। (See Annexure-I)

(খ) প্ৰতিখন "প্লেটফৰ্ম" নিৰ্ম্মানৰ বাবে ধাৰ্য্য কৰা নগদ ধন আৰু চাউলৰ পৰিমাণ একে নহয়। আঁচনি অনুসৰি আৱণ্টন দিয়া ধনৰ পৰিমাণ জিলা ভিত্তিত বেলেগ বেলেগ।

(গ) অসম চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ DRD/12M/16/2003-04/49;dt. 11/1/05 তাৰিখৰ চিঠি মৰ্মে নগাঁও জিলাৰ ১৮ টা উন্নয়ন খণ্ডৰ সকলোৰে বিপৰীতে Spl. Component of SGRY আঁচনিত ২০০৪-০৫ বৰ্ষত অন্যান্য আঁচনিৰ বাবে আৱণ্টনৰ উপৰিও প্ৰতি উন্নয়ন খণ্ডতে ১২৫ মেট্ৰিকটন চাউল (Raised Plateform) ৰেইজ প্লেটফৰ্ম নিৰ্ম্মাণৰ বাবে আৱণ্টন কৰিছিল। Annexure-B ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল। (See Annexure-II)

নগাঁও জিলা গ্ৰামোন্নয়ন অভিকৰণে পোনপটীয়াকৈ (Raised Plateform) নিৰ্ম্মাণৰ কোনো আঁচনি নিৰ্ব্বাচন কৰা নাই।

(ঘ) হয়, কৰিছিল।

(ঙ) পাখিমৰীয়া উন্নয়ন খণ্ডই তুলসী দেউৰী গাঁও পঞ্চায়তৰ অৰ্ন্তগত বুঢ়াগোহাঁই থানত এখন "Raised Plateform" নিৰ্ম্মাণ কৰিছিল।

**বিষয় ঃ জনজাতীয়কৰণ।**

**শ্ৰীপ্ৰবীন গগৈয়ে সুধিছে ঃ**

*** ৪৯। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমৰ ছয় জনগোষ্ঠীক জনজাতি কৰণৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

(খ) আহোম, চুতীয়া, চাহ জনগোষ্ঠী, কোঁচ ৰাজবংশী, মৰাণ আৰু মটক সম্প্ৰদায়ক জনজাতীয়কৰণ কৰিলে অসমত জনজাতিৰ সংখ্যা কিমান বাঢ়িব ?

(গ) এই জনগোষ্ঠী কেইটাক জনজাতিকৰণ কৰিবৰ কাৰণে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ কিবা প্ৰস্তাৱ প্ৰেৰণ কৰিছে নেকি ? যদি কৰিছে, তাৰ সমস্ত প্ৰতিলিপি দাখিল কৰিবনে ?

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (ভৈয়াম জনজাতি ও পিছপৰা শ্ৰেণী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, ছয় জনগোষ্ঠীক জনজাতিকৰণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

(খ) লোকপ্ৰিয়লৰ প্ৰতিবেদনত আহোম, চুতীয়া, চাহ জনগোষ্ঠী, কোঁচ ৰাজবংশী, মৰাণ, মটক লোক সকলৰ জনসংখ্যা পৃথকে পৃথকে প্ৰতিফলন হোৱা নাই। গতিকে এই লোকসকলক জনজাতিকৰণ কৰিলে অসমত জনজাতিৰ সংখ্যা কিমান হ'ব সঠিককৈ কব পৰা নহব।

(গ) হয়, কৰা হৈছে। প্ৰতিলিপি সমূহ সদনৰ মেজত দাখিল কৰা হৈছে।

**Sub.: Improvement of Irrigation Scheme.**

**Shri Drupad Borgohain asked :**

* **50. Will the Minister of Irrigation be pleased to state :**

(a) In the prevailing irregularly of Monsoon in Assam for last two consequtive years, whether the Govt. takes any plan to revive all the lift irrigations schemes on the Dikhow River- Sundar Pukhuri, Sartak, Joktali and Hahchara Schemes ?

(b) If so, give details.

(c) What is the present status of other irrigation schemes in Nazira L.A.C. areas ? Whether the department has taken any plan to improve these schemes ?

**Shri Nurjamal Sarkar (Minister, Irrigation)**

**replied :**

(a) The revival of defunct lift Irrigation schemes from River Dikhow at Hahchara is proposed under state plan during 2006-07. Other lift points at Sundar Pukhuri, Santak and Juktali will be proposed in phase manner under state plan as per availability of fund.

(b) Details shown in Annexure-I. (See Annexure-III)

(c) Present status of other Irrigation schemes of Nazira L.A.C. is shown in Annexure-II. (See Annexure-IV)

**বিষয় ঃ জনজাতিকৰণৰ ব্যৱস্থা।**

**শ্ৰীজ্যোতি প্ৰসাদ দাসে সুধিছে ঃ**

*** ৫১। মাননীয় ডব্লিউ পি টি এণ্ড বি চি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমত থকা কোচ ৰাজবংশী সকলৰ জনজাতিকৰণৰ কি ব্যৱস্থা কৰিছে ? জনজাতিকৰণৰ প্ৰক্ৰিয়াত কিবা বাধাৰ সৃষ্টি হৈছে নেকি ? যদি বাধা নাই, কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উক্ত বিষয়ে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(খ) অসমত থকা ৰাভা জনজাতি সকল সংবিধানৰ ষষ্ঠ অনুসূচীৰ অৰ্ন্তভূক্তি কৰণত চৰকাৰৰ স্থিতি কি ?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (ভৈয়াম জনজাতি ও পিছপৰা শ্ৰেণী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসমত থকা কোঁচ ৰাজবংশী সকলক জনজাতি কৰণৰ কাৰণে বিভিন্ন চিঠি পত্ৰৰ যোগাযোগ কৰাৰ ওপৰিও পবিত্ৰ সদনত সৰ্ব্ব সন্মতি ক্ৰমে দুটাকৈ প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে। ৰাজ্য চৰকাৰে প্ৰেৰণ কৰা প্ৰস্তাৱৰ ওপৰত কেন্দ্ৰই অধিক তথ্য আৰু যুক্তি-যুক্ততা বিচাৰিছিল। এই সন্দৰ্ভত এক প্ৰতিবেদন প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰক দাখিল কৰা হৈছে।

(খ) বিষয়টো বৰ্ত্তমান বিবেচনাধীন।

**বিষয় ঃ গৰ্জন বিল কাৰ্য্যক্ৰম।**

**শ্ৰীনুৰুল হুছেইনে সুধিছে ঃ**

*** ৫২। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমৰ খাল-বিল, নৈ, উপনৈ, জান আদিৰ জৰিয়তে ৰাজ্যখনত মুঠ জনসংখ্যাৰ শতকৰা প্ৰায় ৩০ ভাগলোক জীৱন নিৰ্ব্বাহ কৰা কথাটো চৰকাৰৰ অৱগতনে ?

(খ) যোৱা ২$^{১}/_{২}$ বছৰ আগতে হোৱা ভয়াবহ বানপানী আৰু এইবাৰ খৰাং সদৃশ বতৰৰ ফলত উক্ত উৎস সমূহ বন্ধ হৈ যোৱাৰ ফলত উল্লেখিত লোক সকল বিশেষভাৱে আৰ্থিক সংকটৰ সন্মুখীন হোৱা বিষয়টো চৰকাৰৰ অৱগতনে ?

(গ) উক্ত উৎস সমূহ বিজ্ঞানসন্মত ভাৱে পুনৰ সক্ৰিয় কৰাৰ আঁচনি চৰকাৰৰ হাতত আছে নেকি ? যদি আছে কি কি ?

(ঘ) হাজো সমষ্টি গৰ্জন বিলটোৰ প্ৰায় আঢ়ৈ হাজাৰ বিঘা মাটি এলেকা বালিৰে পোত যোৱাটো চৰকাৰৰ অৱগতনে ?

(ঙ) যদি অৱগত, বিলটো খান্দি পুনৰ কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা কৰিব নেকি ?

(চ) যদি কৰে, কেতিয়াৰ পৰা কৰিব ?

**শ্ৰীনুৰজামাল চৰকাৰ (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ খাল-বিল, নৈ, উপনৈ, জান আদিৰ জৰিয়তে ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ শতকৰা প্ৰায় ৬ ভাগ লোকে জীৱন নিৰ্ব্বাহ কৰে।

(খ) ৰাজ্যখনত সময়ে সময়ে হোৱা বানপানী আৰু খৰাং সদৃশ পৰিস্থিতিৰ বাবে মৎস উৎপাদনৰ উৎস সমূহ হ্ৰাস পোৱাত মৎসজীৱি লোক সকল কিছু পৰিমাণে আৰ্থিক সংকটত পৰাটো চৰকাৰৰ অৱগত।

(গ) বানপানীত ক্ষতিগ্ৰস্থ উৎস সমূহ বান সাহাৰ্য্য ও পুনৰ সংস্থাপন আঁচনিৰ অধীনত মেৰামতি কৰাৰ প্ৰস্তাৱ দাখিল কৰা হৈছে। খৰাং পিড়িত অঞ্চলৰ ক্ষতিগ্ৰস্থ মৎস পালক আৰু মাছমৰীয়া সকলৰ তালিকা উক্ত আঁচনিৰ বাবে সংগ্ৰহ কৰি থকা হৈছে।

(ঘ) অৱগত।

(ঙ) অসম মীন উন্নয়ন নিগমৰ জৰিয়তে বিলৰ কিছু অংশ খান্দি কাৰ্য্যক্ষম কৰাৰ বাবে মুঠ ২০৪ লাখ টকাৰ আঁচনি প্ৰস্তুত কৰি কামৰূপ জিলাৰ গ্ৰামোন্নয়ন বিভাগৰ প্ৰকল্প সঞ্চালকৰ ওচৰত দাখিল কৰা হৈছে। অনুমোদন পোৱাৰ পাছত আঁচনিখন ৰূপায়ন কৰা হব।

(চ) জিলা গ্ৰামীণ বিকাশ অধিকৰণৰ পৰা অনুমোদন সাপেক্ষে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব।

**Sub : Position of Co-operative Society.**

**Dr. Rumi Nath asked :**

*** 53. Will the Minister of Co-operative be pleased to state :**

(a) What is the exact position of Borkhala SC Housing Co-operative Society Limited at present and what amount has been sactioned to the Society till date ?

(b) What are the steps initiated by the Govt. to conduct election in all Co-operative Societies ?
(c) What is the quantity of Kerosine oil that has been alloted to the fair price shop of Borak Valley with special reference to Cachar District ?

**Shri Gautom Bora (Minister of Co-operative) replied :**
(a) Borkhala S.C. Housing Co-operative Society Ltd. is at present being run by an elected Managing Committee headed by Shri Hiralal Das. The tenure of the Managing Committee is upto 30-6-2009. An amount of Rs. 11.4 Lakhs was sactioned to the Society by the Housefed up to 2006 to 92 beneficiary members. Total Rs. 4.62 lakhs was subsidy component against the aforesaid loan amount.
(b) Departmental Officers have already been appointed to hold election of all the concerned Co-operative Societies whose tenure of Managing Committee has already been expired.
(c) Total 20.36 lakhs litres of Kerosine oil has been alloted to the fair price shops under 88 G.P.S.S. of Borak Valley per month out of which 10.47 lakhs litres are alloted to 39 G.P.S.S. of Cachar District.

বিষয় ঃ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আঁচনি।

**শ্ৰীদূৰ্গা ভূমিজে সুধিছে ঃ**

*** ৫৪। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আঁচনি সমূহ অসমৰ চাহ বাগিছা সমূহত অন্যান্য অঞ্চলৰ দৰে ৰূপায়ন হৈ নথকাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) চাহ বাগিছাৰ ৰাস্তা-পদুলি জৰাজীৰ্ণ অৱস্থাৰ উন্নয়নৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছে নে ?

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অৱগত।

(খ) চাহ বাগিছাৰ ৰাস্তা-পদুলি জৰাজীৰ্ণ অৱস্থাৰ উন্নয়নৰ আঁচনি চৰকাৰে গ্ৰহণ কৰি ব্যৱস্থা লৈ আছে।

**বিষয় ঃ তদন্ত ৰূপায়ন।**

**শ্ৰীআব্দুল আজিজে সুধিছে ঃ**

*** ৫৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) যোৱা বিধান সভাৰ ২৬-৭-০৬ ইং তাৰিখৰ ৪৩৬ নং তৰাবিহীন প্ৰশ্নৰ (চ) আৰু (ছ) দফাৰ উত্তৰ সৰ্ন্দভত তদন্ত কাৰ্য্য সম্পূৰ্ণ হৈছে নে ? (যদি হৈছে তদন্তৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিব)।

(খ) তদন্ত কৰি পোৱা দোষী বিষয়া তথা এজেণ্ট সকলৰ বিৰুদ্ধে বিভাগীয় ভাৱে ব্যৱস্থা লোৱা হৈছেনে ?

(গ) যদি লোৱা হৈছে, কি ?

(ঘ) যদি লোৱা হোৱা নাই, কিয় ?

(ঙ) ২৬-৭-০৬ ইং তাৰিখৰ ৪৩৬ নং তৰাবিহীন প্ৰশ্নৰ (খ) দফাৰ উত্তৰ সন্দৰ্ভত ফটোৱাল সমবায় সমিতি লিমিটেড্ এলেকাত হিতাধিকাৰী সকলৰ নাম (Ration Card Holder) ঠিকনা সহ দাখিল কৰিব।

**শ্ৰীগৌতম বৰা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) তদন্ত কাৰ্য্য সম্পূৰ্ণ হৈছে। (তদন্তৰ প্ৰতিলিপি গাঁঠি দিয়া হ'ল)। (See Annexure-V)

(খ) তদন্ত প্ৰতিবেদনত বিষয়া বা এজেণ্টৰ বিৰুদ্ধে কোনো দোষ প্ৰমাণ হোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) ৰেচন কাৰ্ড সমূহ খাদ্য ও অসামৰিক যোগান বিভাগে প্ৰদান কৰে। হিতাধিকাৰী সকলৰ নাম-ঠিকনাৰ তালিকা সদনৰ মেজত দাখিল কৰা হ'ল।

**বিষয় ঃ আঁচনি গ্ৰহণ।**

**শ্ৰীকেশৱ মহন্তই সুধিছে ঃ**

*** ৫৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমৰ কৃষক সকলক উপকৃত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে ? (আঁচনি সমূহৰ নাম বিতংকৈ দিব)।

(খ) এই আঁচনি সমূহৰ কাৰ্য্যকৰি ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত কৃষি বিভাগৰ কোন পৰ্য্যায়ৰ বিষয়াৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছে ? (বিতংকৈ জনাব)

(গ) এই সকলোবিলাক আঁচনি নগাঁও জিলাতে কাৰ্য্যকৰী কৰা হৈছেনে ? যদি হৈছে, কোন আঁচনিৰ জৰিয়তে যোৱা পাঁচ বছৰত কোন সকল হিতাধিকাৰী উপকৃত হৈছে ? (নগাঁও জিলাৰ সমষ্ঠি ভিত্তিত নাম সহ দিব)

(ঘ) খৰাং পীড়িত কৃষক সকলক উপকৃত কৰাৰ লগতে কৃষি সামগ্ৰীৰ উৎপাদন

বৃদ্ধি কৰি ভৱিষ্যতে যিকোনো প্ৰাকৃতিক বাধা (খৰাং পৰিস্থিতি, বানপানী) অতিক্ৰম কৰিব পৰাকৈ স্থায়ী আৰু দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰিছেনে ? যদি কৰিছে কিমান সংখ্যক কৃষক সামৰি লোৱাকৈ এই ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কি আঁচনি গ্ৰহণ কৰিছে ? (বিতংকৈ জনাব)।

(ঙ) বৰ্ত্তমান বছৰত খৰাং পীড়িত কৃষক সকলক জিলা ভিত্তিত কি কি সাহাৰ্য্য দিয়া হৈছে (বিতংকৈ দিব) আৰু পৰৱৰ্ত্তী কৃষিৰ ক্ষেত্ৰত কিবা সাহাৰ্য্য আঁচনি আছেনে ? যদি আছে, অৱগত কৰিবনে ?

**শ্ৰীপ্ৰমীলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) কেন্দ্ৰীয় চৰকাৰৰ আঁচনি সমূহ হ'ল-

১। মেক্ৰো মেনেজমেণ্ট মোড অৱ এগ্ৰিকালচাৰ। (Macro Management Mode of Agriculture)

২। উদ্যান শস্যৰ সংহত বিকাশৰ বাবে প্ৰযুক্তি অভিযান। (Technology Mission for Intergrated Dev. of Agriculture)

৩। ৰাষ্ট্ৰীয় জৈৱ কৃষি পাম প্ৰকল্প। (National Projection Organic Farming)

৪। ৰাষ্ট্ৰীয় শস্য বীমা আঁচনি। (National Crop insurance Scheme)

৫। চাপৰ্ট টু ষ্টেত এক্সটেনচন প্ৰগ্ৰেম ফ'ৰ এক্সটেনচন ৰিফৰ্ম। (Support to State Extention Programme for Extention reform)

৬। এগ্ৰিচনেট আঁচনি। (Agrisonet Project)

ৰাজ্য চৰকাৰৰ আঁচনি সমূহ-

১। জনজাতি উপ পৰিকল্পনা। (Tribal Sub project)

২। অনুসূচীত জাতি সংযোগী পৰিকল্পনা। (Scheduled Caste Component Plan)

৩। ৰাজ্যিক অগ্ৰাধিকাৰ আঁচনি। (State priority Scheme)

৪। বিশ্ববেঙ্কৰ অৰ্থ সাহায্যত চলি থকা আঁচনি অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্প। (Assam Agricultural Compitativeness Project)

(খ)

| আঁচনিৰ নাম | মুখ্য পৰিদৰ্শন বিষয়া | আঁচনি ৰূপায়ন কাৰি বিষয়া (কৃষি সঞ্চালকালয় ঃ অসম, খানাপাৰা | আঁচনি ৰূপায়ন কাৰী বিষয়া (জিলা, মহকুমা পৰ্য্যায়ত) |
|---|---|---|---|
| ১) মেক্রো মেনেজমেণ্ট মোর্ড অৱ এগ্রিকালচাৰ | সঞ্চালক, কৃষি বিভাগ, অসম | অতিৰিক্ত কৃষি সঞ্চালক (সম্প্ৰসাৰণ) অতিৰিক্ত কৃষি সঞ্চালক (কৃষি সামগ্ৰী) মুখ্য অভিযন্তা কৃষি যুটীয়া কৃষি সঞ্চালক (সম্প্ৰসাৰন) যুটীয়া কৃষি সঞ্চালক (ঋণ আৰু সাৰ) যুটীয়া কৃষি সঞ্চালক (পৰিসংখ্যা) উপ কৃষি সঞ্চালক (পিচপৰা অঞ্চল) উপ কৃষি সঞ্চালক (তেল আৰু মাছ) উপ কৃষি সঞ্চালক (বীজ) উপ কৃষি সঞ্চালক (পৰিকল্পনা আৰু মুলাংকন) কৃষি তথ্য আৰু প্ৰচাৰ বিষয়া। | জিলা কৃষি বিষয়া মহকুমা কৃষি বিষয়া কাৰ্য্যবাহী অভিযন্তা। |
| ২) উদ্যান শস্য সংহত বিকাশৰ বাবে প্ৰযুক্তি অভিযান। | সঞ্চালক কৃষি বিভাগ (অসম) | সঞ্চালক (উদ্যান) যুটীয়া সঞ্চালক (উদ্যান) উপ সঞ্চালক (উদ্যান) | জিলা কৃষি বিষয়া, মহকুমা কৃষি বিষয়া। |

| | | | |
|---|---|---|---|
| ৩) ৰাষ্ট্ৰীয় জৈৱ কৃষি পাম প্ৰকল্প। | সঞ্চালক কৃষি বিভাগঃ অসম | যুটীয়া কৃষি সঞ্চালক (ঋণ আৰু সাৰ) | জিলা কৃষি বিষয়া, মহকুমা কৃষি বিষয়া। |
| ৪) ৰাষ্ট্ৰীয় শস্য বীমা আঁচনি | সঞ্চালক কৃষি বিভাগ ঃ অসম | যুটীয়া কৃষি সঞ্চালক (শস্য বীমা) | জিলা কৃষি বিষয়া মহকুমা কৃষি বিষয়া |
| ৫) চাপোৰ্ট টু ষ্টেট এক্সটেনচন প্ৰগেম ফৰ এক্সটেনচন ৰিফৰ্ম | সঞ্চালক কৃষি বিভাগ ঃ অসম | যুটীয়া কৃষি সঞ্চালক (সম্প্ৰসাৰন) | জিলা কৃষি বিষয়া মহকুমা কৃষি বিষয়া কাৰ্য্যবাহী অভিযন্তা |
| ৬) এগ্ৰিকালচাৰ-নেট প্ৰজেক্ট (AGRISE NET) | সঞ্চালক কৃষি বিভাগ ঃ অসম | যুটীয়া কৃষি সঞ্চালক (সম্প্ৰসাৰন) | জিলা কৃষি বিষয়া মহকুমা কৃষি বিষয়া |

(গ) এই সকলো বিলাক আঁচনি অসমৰ আনবোৰ জিলাৰ লগতে নগাঁও জিলাতো কাৰ্য্যকৰী কৰা হৈছে। আঁচনি সমূহৰ জৰিয়তে যোৱা ৫ (পাঁচ) বছৰত উপকৃত হোৱা হিতাধিকাৰীৰ নাম আদিৰ বিশদ তথ্য সমষ্টি ভিত্তিত ইয়াৰ সৈতে গাঁঠি দিয়া হ'ল।

(ঘ) খৰাং পীড়িত কৃষকৰ লগতে অন্যান্য প্ৰাকৃতিক বাধা অতিক্ৰম কৰিব পৰাকৈ কিছুমান স্থায়ী আৰু দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰাৰ ব্যৱস্থা লোৱা হৈছে। এই আঁচনি সমূহৰ ভিতৰত আছে-

১) বিশ্ববেঙ্কৰ আঁচনিৰ অধীনত অগভীৰ নলীনাদ (S.T.W.) নিম্ন উত্তোলক পাম্প (L.L.P.) আৰু ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰৰ যোগান।

২) বীজ উৎপাদক গাঁও (Seed Village) আঁচনিখন অধিক গাঁৱলৈ সম্প্ৰসাৰণৰ ব্যৱস্থা কৰা।

৩) প্ৰাকৃতিক বাধাৰ বিপক্ষে পৰিস্থিতি সাপেক্ষে কৃষি আহিলা (Impect) যোগান ধৰাৰ বাবে আঁচনি গ্ৰহণ কৰা।

৪) কৃষকৰ বাবে শস্য বীমা আঁচনিৰ ৰূপায়ন আদি।

উক্ত আঁচনি সমূহে প্ৰায় ৭ লাখ কৃষকক উপকৃত কৰাৰ আশা কৰা হৈছে।
(ঙ) বৰ্ত্তমান বছৰত খৰাং পীড়িত কৃষক সকলৰ সাহাৰ্য্যৰ বাবে চৰকাৰৰ ফালৰ পৰা নিম্ন লিখিত পদক্ষেপ সমূহ লোৱা হৈছেঃ

১) খৰাং অঞ্চলৰ পথাৰত জনসিঞ্চনৰ কাৰণে S.T.W. আৰু L.L.P. পাম্প সমূহ চলিবৰ বাবে বিনামূলীয়াকৈ ক্ষতিগ্ৰস্থ কৃষকক ডিজেল যোগান ধৰা হৈছে। (জিলা ভিত্তিত আৱণ্টন Annexure- 'A' ত গাঁঠি দিয়া হ'ল)।

২) ক্ষতিগ্ৰস্থ কৃষক সকললৈ বিনামূলীয়া মাটি মাহৰ বীজ যোগান ধৰা হৈছে। (জিলা ভিত্তিত সাহাৰ্য্য Annexure- 'B' ত গাঁঠি দিয়া হ'ল)।

৩) ক্ষতিগ্ৰস্থ কৃষকলৈ বিনামূলীয়া বিভিন্ন শক-পাচলিৰ বীজৰ যোগান ধৰা হৈছে। (জিলা ভিত্তিত সাহাৰ্য্য Annexure- 'B' ত গাঁঠি দিয়া হ'ল)।

৪) ক্ষতিগ্ৰস্থ কৃষকলৈ বিনামূলীয়াকৈ গম, সৰিয়হ, মচুৰ মাহ আৰু মটৰ মাহৰ বীজৰ যোগান ধৰা হৈছে। আৰু গ্ৰীস্মকালীন ধানৰ বীজ যোগান ডিচেম্বৰ মাহত সম্পন্ন কৰা হব। (জিলা ভিত্তিত সাহাৰ্য্য গাঁঠি দিয়া হ'ল- Annexure-B)

৫) বিনামূলীয়াকৈ ক্ষতিগ্ৰস্থ কৃষকৰ পৰিয়ালে প্ৰতি ২ বিঘাত ২ চাহকৈ কৃষিভূমি, ট্ৰেক্টৰ বা পাৱাৰ টিলাৰেৰে চহাই দিয়া হৈছে আৰু চহাই থকা হৈছে। (জিলা ভিত্তিত সাহাৰ্য্য Annexure- 'B' ত গাঁঠি দিয়া হ'ল)।

**বিষয় ঃ পশু চিকিৎসা কেন্দ্ৰ।**

**শ্ৰীবলীন চেতিয়াই সুধিছে ঃ**

*** ৫৭। মাননীয় পশুপালন ও পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) শদিয়া সমষ্টিৰ অৰ্ন্তগত পশু চিকিৎসালয় ও পশু চিকিৎসা কেন্দ্ৰ বিলাক প্ৰায় ভগ্ন অৱস্থাত থকাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) উক্ত চিকিৎসালয় ও কেন্দ্ৰ বিলাক মেৰামতিৰ লগতে উন্নত চিকিৎসাৰ কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

(গ) চিকিৎসালয় ও কেন্দ্ৰ বিলাকত চিকিৎসকৰ নিয়মীয়া উপস্থিতিৰ ব্যৱস্থা কৰিছেনে ?

**শ্ৰীখৰছিং ইংতি (পশুপালন ও পশু চিকিৎসা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অৱগত।

(খ) প্ৰয়োজনীয় ধনৰ অভাৱৰ বাবে চিকিৎসালয় আৰু কেন্দ্ৰ বিলাক মেৰামতি কৰিব পৰা হোৱা নাই। উক্ত মেৰামতিৰ বাবে চৰকাৰৰ পৰা পুঁজি আৱণ্টন পালে মেৰামতি কৰাৰ ব্যৱস্থা লোৱা হ'ব। তথাপিও পশু চিকিৎসক সকলে নিয়মিত ভাৱে উক্ত চিকিৎসালয়ত চিকিৎসা সেৱা আগবঢ়াই আহিছে।

(গ) চিকিৎসালয় আৰু চিকিৎসা কেন্দ্ৰ বিলাকত পশু চিকিৎসক আৰু ক্ষেত্ৰ সহায়ক সকলে নিয়মীয়াকৈ চিকিৎসা সেৱা আগবঢ়াই আহিছে।

**বিষয় ঃ লাভ-লোকচানৰ খতিয়ান।**

**শ্ৰীঅভিজিৎ হাজৰিকাই সুধিছে ঃ**

*** ৫৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ লাভ-লোকচানৰ স্থিতি কিমান ?

(খ) এই বিভাগত বৰ্ত্তমান কিমান চৰকাৰী চাকৰিয়াল আছে। তেওঁলোকৰ কিমানজনে মুঠ কিমান টকা দৰমহা, ভাট্টাৰ নামত পাবলৈ আছে ?

(গ) আন ৰাজ্যৰ দৰে অসমত অট'ৰিস্কা বা টেক্সীৰ ভাড়াৰ নিৰিখৰ বাবে মিটাৰ ব্যৱস্থা নিয়মীয়া নহয় কিয় ?

(ঘ) শ্ৰীৰামপুৰ বা বক্সিৰহাটত অবৈধ ভাৱে কৰ সংগ্ৰহ কৰি থকাটো সচাঁনে

? বৰ্ত্তমান উক্ত ঠাইত কিমানখন বৈধ আৰু অবৈধ চেকগেট আছে ?

**শ্ৰীচন্দন ব্ৰহ্ম (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমান ঘাটিৰ পৰিমাণ মাহিলী ৮৫ লাখ টকা।

(খ) অসম ৰাজ্যিক পৰিবহন নিগমত বৰ্ত্তমান কোনো চৰকাৰী চাকৰিয়াল নাই। কিন্তু নিগমত ২৭৮৯ জন কৰ্মচাৰী আছে। উক্ত ২৭৮৯ জন কৰ্মচাৰীয়ে দৰ্মহা আৰু ভাট্টাৰ বাবদ মুঠ ৩.৮৭ কোটি টকা পাবলৈ আছে।

(গ) অসমত অট'ৰিস্কাৰ ভাড়াৰ নিৰিখ নিয়মীয়া কৰাৰ বাবে মিটাৰ ব্যৱস্থা প্ৰবৰ্ত্তন কৰা হৈছে। এই ব্যৱস্থা অনুযায়ী অট'ৰিস্কা চালকে অট'ৰিস্কাত মিটাৰ লগোৱাটো আৰু মিটাৰত দেখুওৱা নিৰিখ অনুসৰি (Meter Reading) যাত্ৰীৰ পৰা ভাড়া আদায় কৰাটো বাধ্যতামূলক।

যিহেতু বৰ্ত্তমান টেক্সিৰ অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা অনুযায়ী টেক্সি সমূহ সদৌ অসম আৰু জিলা ভিত্তিত চলাচল কৰিবলৈ দিয়া হয়, গতিকে টেক্সিৰ ক্ষেত্ৰত ভাড়াৰ নিৰিখৰ বাবে মিটাৰ ব্যৱস্থা নিয়মীয়া কৰা হোৱা নাই।

(ঘ) শ্ৰীৰামপুৰ বা বস্কিৰহাট পৰিবহন তালাচী চকীত নিয়োজিত বিষয়াসকলে উক্ত তালাচী চকীয়েদি অহা-যোৱা কৰা যান-বাহন সমূহ পৰীক্ষা-নিৰীক্ষা কৰি চৰকাৰৰ প্ৰাপ্য কৰ কাটল আদি বৈধভাৱে যান-বাহনৰ পৰা সংগ্ৰহ কৰে। আনহাতেদি চৰকাৰৰ দ্বাৰা স্থাপন কৰা ২ (দুয়োখন) চকীয়েই বৈধ। গতিকে চৰকাৰৰ দ্বাৰা স্থাপন কৰা উক্ত তালাচী চকীত নিয়োজিত চৰকাৰৰ প্ৰাপ্য কৰ-কাটল আদায় কৰাৰ বাহিৰে অবৈধভাৱে কোনো কৰ সংগ্ৰহ কৰা নহয়।

**বিষয় ঃ আঁচনি ৰূপায়ন।**

**শ্ৰীমতী সুশীলা হাজৰিকাই সুধিছে ঃ**

*** ৫৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ**

কৰি জনাবনে ঃ

(ক) যোৰহাট জিলাৰ অৰ্ন্তগত ঢেকৰগড়া আৰু বাঘচোং উন্নয়ন খণ্ডৰ অৰ্ন্তগত দেৰগাঁও সমষ্টিৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত সমূহলৈকে ২০০২ চনৰ পৰা ২০০৬-০৭ চনলৈকে মুঠ কিমান টকা মুকলি কৰি দিছে ?

(খ) প্ৰত্যেক গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ জৰিয়তে কিমানটা আঁচনি ৰূপায়ন কৰিছে ? (আঁচনিৰ বিপৰীতে ব্যয় কৰা ধনৰ পৰিমাণ পৃথকে পৃথকে বিতং ভাৱে জনাব)

(গ) দেৰগাঁও সমষ্টিৰ অৰ্ন্তগত পঞ্চায়ত সমূহত JAY আঁচনিৰ জৰিয়তে কিমানজন হিতাধিকাৰী উপকৃত হৈছে ? (হিতাধিকাৰীৰ নাম সহ তালিকা সদনৰ মেজত দাখিল কৰিব)

(ঘ) যোৰহাট জিলা পৰিষদৰ এলেকাধীন খঙীয়া, সৰুচৰাই আৰু পৰ্ব্বতীয়া জিলা পৰিষদৰ এলেকাত বৰ্ত্তমানলৈকে কি কি আঁচনিত কিমান টকা ব্যয় কৰা হৈছে ? (বিতং জনাব)

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ২০০১-০২ বিত্তীয় বৰ্ষৰ পৰা ২০০৬-০৭ লৈ বছৰ ভিত্তিত মুকলি কৰি দিয়া ধনৰাশিৰ পৰিমাণ পৰিশিষ্ট 'ক' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(খ) প্ৰতিখন পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ জৰিয়তে ৰূপায়ন কৰা আঁচনিৰ তালিকা সহ প্ৰতিটো আঁচনিৰ বিপৰীতে ব্যয় কৰা ধনৰ পৰিমাণ পৰিশিষ্ট 'খ' আৰু 'খ'-১ ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(গ) IAY আঁচনিৰ জৰিয়তে উপকৃত হোৱা হিতাধিকাৰী সকলৰ তালিকা পৰিশিষ্ট-'গ' আৰু 'গ-১' 'গ-২' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(ঘ) খঙীয়া, সৰুচৰাই আৰু পৰ্ব্বতীয়া জিলা পৰিষদ সমষ্টিৰ এলেকাত

ৰূপায়ন কৰা আঁচনিৰ অধীনত হোৱা ব্যয়ৰ পৰিমাণ মুঠ ১,০২,৮০,০০০/- টকা। (বিতং তথ্য পৰিশিষ্ট 'ঘ' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল)।

**বিষয় ঃ বইটামাৰী সূতা কল।**

**শ্ৰীৰবিন বনিক্যই সুধিছে ঃ**

* **৬০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**
(ক) বইটামাৰী সূতাকল পুনৰ জীৱিতকৰণ সম্পৰ্কে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে ?
(খ) বইটামাৰী সূতাকলৰ শ্ৰমিক কৰ্মচাৰী সকলৰ দীৰ্ঘদিন ধৰি বন্ধ হৈ থকা দৰমহা মুকলি কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছেনে ?
(গ) যদি কৰিছে, কেতিয়া ?

**শ্ৰীগৌতম বৰা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**
(ক) বইটামাৰী সূতাকলটো পুনৰ জীৱিতকৰণৰ অৰ্থে অসম উদ্যোগিক উন্নয়ন নিগমৰ দ্বাৰা Technoviability Report প্ৰস্তুত কৰা হৈছিল। M/S NEZONE TEXTILES(P) LTD ৰ দ্বাৰাও এই উদ্দেশ্যে এটা Report তৈয়াৰ কৰা হয় মিলটো ব্যক্তিগত খণ্ডত চলোৱাৰ বাবেও চেষ্টা কৰা হৈছিল, যদিও M/S Bhattar Sizing and Weaving Ltd. নামৰ কোম্পানী এটাই মাননীয় গুৱাহাটী ন্যায়ালয়ত এটি গোচৰ তৰে। গোচৰ শেষ নোহোৱা পৰ্য্যন্ত আগবাঢ়িব পৰা নাযাব।
(খ) ব্যৱস্থা গ্ৰহণ কৰা হৈছে।
(গ) সমবায় বিভাগে ২০০৫-২০০৬ বৰ্ষত ২৪,৫৩,৪০০/- টকা মোকলাই দিছে।

## UNSTARRED QUESTIONS AND ANSWERS

বিষয় ঃ জব কাৰ্ড।

শ্ৰীকমল সিং নাৰ্জাৰীয়ে সুধিছে ঃ

১০১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নৱগঠিত চিৰাং জিলাক ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আঁচনিত অৰ্ন্তভূক্ত কৰা কথাটো সচাঁনে ?

(খ) যদি সচাঁ, চলিত বিত্তীয় বৰ্ষত উক্ত আঁচনি ৰূপায়নৰ বাবে জিলাখনত কিমান টকা আৱণ্টন দিয়া হৈছে ? উক্ত আঁচনিৰ অধীনত কি কি প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিবলৈ আঁচনি প্ৰস্তুত কৰা হৈছে ?

(গ) আঁচনিখন ৰূপায়নৰ বাবে জিলাখনত এতিয়ালৈ কিমানজন ব্যক্তিক "জবকাৰ্ড" দিয়া হৈছে ? (গাঁও ভিত্তিত তালিকা দিব)।

শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নৱগঠিত চিৰাং জিলাৰ অধীনত থকা উন্নয়ন খণ্ড সমূহ বঙাইগাঁও জিলাৰ গ্ৰামোন্নয়ন অভিকৰণৰ অধীনত ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আঁচনিৰ অৰ্ন্তভূক্ত হৈ আছে।

(খ) চলিত বিত্তীয় বৰ্ষত উক্ত আঁচনি ৰূপায়নৰ বাবে জিলাখনত মুঠ ১৩,২৯,২০১ টকা আৱণ্টন দিয়া হৈছে। উক্ত আঁচনিৰ অধীনত লোৱা প্ৰকল্প সমূহ হৈছে ঃ

(i) All Weather Road.

(ii) Erosion Protection Bundh.

(iii) Land Development.

(IV) Renovatition of Existing Water bodies.

(গ) আঁচনিখন ৰূপায়নৰ বাবে জিলাখনত এতিয়ালৈকে ১৫,৮১৬ জনক "জবকাৰ্ড" দিয়া হৈছে। গাঁও ভিত্তিত তালিকা সংলগ্ন কৰি সদনৰ মেজত পেচ কৰা হ'ল।

**বিষয় ঃ অনুমোদিত টকাৰ পৰিমাণ।**

**শ্ৰীহাজী সেলিমউদ্দিন বড়ভূইয়াই সুধিছে ঃ**

**১০২। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) হাইলাকান্দি জেলায় IAY এর জন্য ২০০১-০২, ২০০২-০৩, ২০০৩-০৪, ২০০৪-০৫, ২০০৫-০৬ সনে (SGRY তে) সর্বমোট Central Share এ এবং State Share এ কত টাকা দেয়া হয়েছে ?

(খ) এবং কত জন হিতাধিকারীকে (Beneficiary) উপরোক্ত পাঁচ বছরে IAY ঘর দেওৱা হয়েছে ? তাহাদের নাম ও ঠিকনা সহ বিস্তারিত বিৱরন দিৱেন ?

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ২০০১-০২, ২০০২-০৩, ২০০৩,০৪, ২০০৪,০৫, ২০০৫-০৬ আৰু ২০০৬-০৭ বৰ্ষত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পৰা টকাৰ হিচাব তলত দিয়া হ'ল।

| চন | কেন্দ্ৰীয় চৰকাৰ | ৰাজ্য চৰকাৰ | মুঠ (লাখ হিচাবত) |
|---|---|---|---|
| ২০০১-০২ | ৩১৯.৪৬ | ৬৬.৫৩ | ৩৮৫.৯৯ |

| | | | |
|---|---|---|---|
| ২০০২-০৩ | ২০৫.০০ | ৩৯.৯৪ | ২৪৪.৯৪ |
| ২০০৩-০৪ | ২৩৯.৪৫ | ৭২.৮৮ | ৩১২.৩৩ |
| ২০০৪-০৫ | ৫০১.৪২ | ১৪৩.৩৭ | ৬৪৪.৭৯ |
| ২০০৫-০৬ | ৬০২.৮৬ | ২০৫.৬০ | ৮০৮.৪৬ |
| ২০০৬-০৭ | ৪৪৭.১৪ | ১৫১.৯৯ | ৫৯৯.১৩ |

(খ) IAY হিতাধিকাৰীৰ সংখ্যা বছৰ ভিত্তিত তলত দিয়া হ'ল ঃ

| চন | সম্পূৰ্ণ হোৱা ঘৰৰ সংখ্যা Normal | সম্পূৰ্ণ হোৱা ঘৰৰ সংখ্যা Upgradation |
|---|---|---|
| ২০০১-০২ | ১৫৪০ টা | ৭৭০ টা |
| ২০০২-০৩ | ১০২১ টা | ৪২৫ টা |
| ২০০৩-০৪ | ১৫৮৬ টা | ৮৭২ টা |
| ২০০৪-০৫ | ২৩০২ টা | ৬১০ টা |
| ২০০৫-০৬ | ১৫৫৬ টা | ১৯৭ টা |
| ২০০৬-০৭ | ৮৫ টা | |

হিতাধিকাৰীৰ তালিকা লগত পৰিশিষ্ট 'ক' ত সংলগ্ন কৰি সদনৰ মেজত পেচ কৰা হ'ল।

বিষয় ঃ বি. পি. এল. চাউল।

শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

১০৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দুলীয়াজান সমষ্টিত BPL চাউল প্ৰতিমাহে কিমান টন আৰু কিমান

হিতাধিকাৰী পৰিয়ালক নিয়মিত যোগান ধৰা হয় ? (তথ্য সহকাৰে জনাব)।

(খ) কঠালগুৰি আৰু টেঙাখাট সমবায় সমিতিখনে প্ৰতিমাহত BPL আৰু অন্তদয়া আঁচনিৰ কিমান পৰিমাণৰ চাউল আৱণ্টন পায় আছে ?

(গ) উক্ত চাউলখিনি হিতাধিকাৰী সকলে কি কি মূল্যত পায় ?

**শ্ৰীগৌতম বৰা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) দুলীয়াজান সমষ্টিত প্ৰতিমাহে ২৫৪.৪৭ টন BPL চাউল আৰু মুঠ ৭৬৮২ জন হিতাধিকাৰী পৰিয়ালৰ মাজত যোগান ধৰা হয়।

(খ) কঠালগুৰি সমবায় সমিতিখনে প্ৰতিমাহত মুঠ ২৬৭.৬৯ কুইণ্টল BPL আৰু ১৬৯ কুইণ্টল অন্তদয়া আঁচনিৰ চাউল আৱণ্টন পাই আছে, আৰু টেঙাখাট সমবায় সমিতিখনে প্ৰতিমাহত মুঠ ৩৭২.৭১ কুইণ্টল BPL আৰু ২৩৮.৮৫ কুইণ্টল অন্তদয়া আঁচনিৰ চাউল আৱণ্টন পাই আছে।

(গ) উক্ত চাউলখিনি হিতাধিকাৰী সকলে ক্ৰমান্বয়ে BPL প্ৰতি কিলোগ্ৰামত ৬.২০ টকা আৰু অন্তদয়া প্ৰতি কিলোগ্ৰামত ৩.০০ টকা মূল্যত পায়।

**Sub : Vacant Posts.**

**Shri Mission Ranjan Das asked :**

**104. Will the Minister of Panchayat be pleased to state :**

(a) Whether some posts of Chief Executive Officers and 40 sanctioned posts of Deputy Chief Executive Officers at different Zilla Parishad Level in the state and some posts of Block Development Officers at different Anchalik Panchayat Level are lying vacant for long time ?

(b) If so, what are the steps taken by the Govt. for

posting or filling up these posts ?

(c) As panchayat Election in the state is very near, whether Government will take steps for filling up these vacant posts before ensuing Panchayat Election ? If not, state reasons thereof ?

**Shri Chandan Brahma (Minister, Panchayat & Rural Development) replied :**

(a) Yes, 4 (four) nos. of posts of Chief Executive Officers, 34 (thirty four) nos. of posts of Deputy Chief Executive Officers and 29 (twenty nine) nos. of posts of Block Development Officers are lying vacant.

(b) As regards filling up of the posts of Chief Executive Officers of Zilla Parishad, the matter has been taken up with the personal(A) Department. The matters regarding posting of Deputy Chief Executive Officers and Block Development Officers are in process in the Department.

(c) The matter is under consideration. Does not arise.

**বিষয় ঃ হাৰিয়ালী আঁচনি।**

**মোঃ মহিবুল হুকে সুধিছে ঃ**

১০৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ কোন কোন ব্লকত হাৰিয়ালী আঁচনি দিয়া হৈছে, আৰু

ইয়াৰ বাবে কিমান ধন আগবঢ়োৱা হৈছে ?
(খ) এই ধনেৰে কি কি আঁচনি ৰূপায়ন কৰা হৈছে ?
(গ) ব্যয় নোহোৱা কোনো পুঁজি আছেনে ?
(ঘ) গৌৰিপুৰ সমষ্টিৰ দেবীতোলা আৰু ৰূপচী ব্লকত এই হাৰিয়ালী আঁচনি প্ৰৱৰ্ত্তন কৰাৰ প্ৰস্তাৱ চৰকাৰৰ আছেনে ?
(ঙ) যদি আছে, তেন্তে কেতিয়া হ'ব ? যদি নাই, তেন্তে বলবৎ কৰাৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ধুবুৰী জিলাৰ গৌৰিপুৰ আৰু দক্ষিণ শালমাৰা উন্নয়ন খণ্ডত হাৰিয়ালী আঁচনি দিয়া হৈছে আৰু ইয়াৰ বাবে সৰ্ব্বমুঠ ৬৬০.০০ লাখ টকা ধাৰ্য্য কৰা হৈছে।
(খ) এই ধনেৰে ৰূপায়ন কৰা আঁচনি সমূহ Annexure-A-1, A2 আৰু A3 ত সংলগ্ন কৰি সদনৰ মেজত পেচ কৰা হ'ল।
(গ) গৌৰিপুৰ উন্নয়ন খণ্ডৰ অৰ্ন্তভুক্ত হাৰিয়ালী আঁচনিৰ অধীনত ২০.৮০ লাখ টকা আৰু দক্ষিণ শালমাৰা উন্নয়ন খণ্ডৰ অৰ্ন্তগত হাৰিয়ালী আঁচনিৰ ৰূপায়নৰ বিপৰীতে ১.৩৮ লাখ টকা ব্যয় নোহোৱাকৈ আছে।
(ঘ) বৰ্ত্তমানলৈকে নাই।
(ঙ) প্ৰশ্ন নুঠে।

**Sub : SANCTIONED AMOUNT FOR WASTE LAND.**

**Shri Sambhu Sing Mallah asked :**

**106. Will the Minister of Agriculture be pleased to state :**

(a) What is the total sactioned amount for waste land under Karimganj District ?
(b) Please furnish the details schemes, sanctioned amount and actual address of the schemes ? (Year-wise separately).
(c) Which schemes are not completed or work is not started till to-day ? (Give the details and the Execution Officer).

**Smti. Pramila Rani Brahma (Agriculture Minister) replied :**
(a) The total sactioned amount for waste land under Karimganj District is Rs. 660.00 lakhs.
(b) Details of schemes are furnished below :

| | |
|---|---|
| 1. Name & Address of the schemes | a) Integrated waste land Development Project, Motilal Bagh, R.K. Nagar, Karimganj District. |
| Sanctioned amount year-wise break up | Rs. 300.00 lakh.<br>2001-02 = Rs. 40.75 lakhs.<br>2002-03 = Rs. 34.85 lakhs.<br>2003-04 = Rs. 31.41 lakhs.<br>2004-05 = Rs. 8,73889 "<br>2005-06 = Rs. 40,96346 "<br>2006-07 = ----------- |
| 2. Name & Address | b) Kalacherra Hariyali Project, Dullavcherra Develop- |

| | |
|---|---|
| | ment Block, Karimganj District. |
| Sanctioned amount | Rs. 360.00 lakh. |
| year-wise break up | 2003-04 = Rs. 12.20 lakh.<br>2004-05 = Rs. 38.19 lakh.<br>2005-06 = Rs. 101.50 lakh.<br>2006-07 = Rs. 0.45 lakh.. |

(c) The work of both the projects are not yet completed but all the works as per scheme are in progracess. 60% works are completed for the project, I.W.D.P., Motilalgarh, R.K. Dev. Block but on the other hand 35% works are completed for the project, Kalacherra Hariyali Project, Dullavcherra Development Block. The names of Executive Officer for both the project have been mantioned below :

| Sl. No. | Name of Project | Executive Officers | Remarks |
|---|---|---|---|
| 1. | Integrated Waste Land Development Project (I.W.D.P.) R.K. Dev. Block | (i) Shri K.M.M. Das, Sr. A.D.O.(PP), C/O. Sub-divisional Agriculture Officer, Ram Krishna Nagar. | WDT Leader |
| | | (ii) Sri P. Das, J.E. (Civil) Agri, C/O. Asstte. Executive Engineer, (Agri) Karimganj. | Member |
| 2. | Kalacherra Hariyali | (i) Shri R.C. Handique | WDT |

| | | |
|---|---|---|
| Project, Dullavcherra Dev. Block. | S.D.A.O. Ramkrishna Nagar. | Leader |
| | (ii) Shri P. Das, J.E. (Agri) Civil, C/O. Asstte. Executive Engineer, Karimganj. | Member |

**Sub : World Bank Scheme.**

**Shri Abdul khaleque asked :**

**107. Will the Minister of Fisheries be pleased to state :**

(a) No. of villages covered under World Bank Schemes under Jania, Rupshi and Titopani Mouza within Kalgachia and Baghbar circles of Barpeta District for fish farm Development ?

(b) Since fish and fish sud growers of the aforesaid Mouzas are accustormed to pisciculture in their personal tanks which exists abundantly will the Govt. take up more villages as stated above under W.B. scheme for fish Farm Development ?

**Shri Nurjamal Sarkar (Minister of Fisheries) replied :**

(a) No. of villages covered under World Bank Scheme in Jania, Rupshi and Titopani Mouza in

Barpeta District are as follows :

| Name of Circle | Mouza | Name of Village covered |
| --- | --- | --- |
| 1. Kalgachia | Titopani | i) Bonghugi.<br>ii) Khatarlari.<br>iii) Rampur.<br>iv) Garalipam. |
| 2. Baghbor | Rupshi | Nil |
| | Baghbor | Nil |
| | Mandia | i) Mourigaon.<br>ii) Ag-Mandia. |
| | Jania | i) karertal.<br>ii) Bhatkuchi.<br>iii) Tetlirtal.<br>iv) Barpally.<br>v) Kapoha. |

(b) Based on feasibility, availability of fund and confarmity with guidelines of World Bank (AACP).

**বিষয় ঃ খৰাংপীড়িত ৰাজ্য ঘোষনা।**

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সুধিছে ঃ**

**১০৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমক খৰাংপীড়িত ৰাজ্য হিচাবে ঘোষনা কৰিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক দাবী জনাইছিল নে ?

(খ) যদি দাবী জনোৱা হৈছিল; তেনেহ'লে কেন্দ্ৰীয় চৰকাৰে খৰাংপীড়িত

ৰাজ্য হিচাবে ঘোষনা নকৰাৰ কাৰণ কি ?

(গ) খৰাংপীড়িত ৰাজ্যখনৰ বাবে কেন্দ্ৰীয় চৰকাৰে কিমান টকাৰ আৰ্থিক সাহাৰ্য্য আগবঢ়াইছিল ?

(ঘ) ৰাজ্য চৰকাৰে খৰাংপীড়িত খেতিয়ক সকলৰ বাবে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছিল ?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসম চৰকাৰে অসমৰ ২৬ খন জিলাত খৰাং সদৃশ পৰিস্থিতি বিৰাজ কৰা বুলি ঘোষনা কৰিছে।

(খ) কেন্দ্ৰীয় চৰকাৰে কাৰণ দৰ্শোৱা নাই।

(গ) খৰাংপীড়িত ৰাজ্য হিচাবে কোনো আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা নাই।

(ঘ) ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সমূহ তলত উল্লেখ কৰা ধৰণৰ ঃ

(১) বিনামূলীয়াকৈ ক্ষুদ্ৰ জলসিঞ্চনৰ বাবে ডিজেল যোগান।

(২) বিনামূলীয়াকৈ মাটি মাহৰ বীজ, শাক-পাঁচলিৰ বীজ আদি বিতৰণ।

(৩) খৰাংপীড়িত খেতিয়কক গাইপতি ১ বিঘাকৈ বিনামূলীয়া ট্ৰেক্টৰেৰে মাটি চহোৱাৰ ব্যৱস্থা কৰা।

**বিষয় ঃ বদলিকৰণৰ নিয়মাৱলী।**

**ডাঃ আদিত্য লাংথাছাই সুধিছে ঃ**

**১০৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) পঞ্চায়ত বিভাগৰ বিষয়া আৰু অভিযন্তা সকলক কি কি নিয়মৰ ভিত্তিত বদলিকৰণ কৰা হয় ?

(খ) হোজাই সমষ্টিৰ অৰ্ন্তগত ধলপুখুৰী আৰু যোগীজান উন্নয়ন খণ্ডৰ কিমানজন বিষয়া আৰু অভিযন্তাক যোৱা বিধানসভাৰ সাধাৰণ নিৰ্ব্বাচনৰ চাৰি মাহৰ অগা-পিছাকৈ বদলি কৰা হ'ল। (বিতং তথ্য জনাব)

শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) (১) যি গৰাকী বিষয়া আৰু অভিযন্তাই তেখেতৰ কৰ্মস্থানত ৩ (তিনি) বছৰ বা ততোধিক সময় অতিবাহিত কৰিছে।

(২) নিৰ্ব্বাচন আয়োগৰ নিৰ্দ্দেশমৰ্মে যি সকল বিষয়া নিজৰ গৃহ জিলাত চাকৰি কৰি আছে তেখেত সকলক নিৰপেক্ষতাৰ খাতিৰত বদলি কৰা হয়।

(৩) কোনো বিষয়া বা অভিযন্তাৰ বিৰুদ্ধে অভিযোগ থাকিলে কেতিয়াবা নিলম্বিত কৰি পুনৰ চাকৰিত মকৰল কৰিলে উক্ত স্থানৰ পৰা অন্য স্থানলৈ বদলি কৰা হয়।

(৪) কেতিয়াবা ৰাজহুৱা স্বাৰ্থৰ খাতিৰত কৰ্মস্থানত তিনি বছৰৰ কম হ'লেও মাননীয় মূখ্যমন্ত্ৰীৰ অনুমতি লৈ বদলি কৰা হয়।

(খ) হোজাই সমষ্টিৰ অৰ্ন্তগত ধলপুখুৰী আৰু যোগীজান উন্নয়ন খণ্ডৰ ৩ জন বিষয়া আৰু ১২ জন কনিষ্ঠ অভিযন্তাক যোৰা বিধানসভাৰ সাধাৰণ নিৰ্ব্বাচনৰ চাৰিমাহৰ অগা-পিছাকৈ বদলি কৰা হয়। বিতং তথ্য চৰকাৰী অধিসুচনা পৰিশিষ্ট ক, খ, গ, ঘ, ঙ আৰু চ ত দেখুৱাই সদনৰ মেজত দাখিল কৰা হ'ল।

**Sub : Act of BTAD.**

**Shri Karendra Basumatary asked :**

**110. Will the Minister of W.P.T. & B.C. pleased to state :**

(a) Will the Government furnish a copy of the Bodo Accord in the Table of the House ?

(b) Whether MLAs & MPs will be involved in the developmental works under the BTAD ?

**Smti Pramila Rani Brahma (Minister of W.P.T. &. B.C.) replied :**

(a) 50 copies of Bodo Accord in the table of the House.

(b) There is no restictions on the involvement of MLAs and MPs in developmental works under BTAD.

**Sub : Utilisation of Money.**

**Shri Maheswar Boro asked :**

**111. Will the Minister of Panchayat & Rural Development be pleased to state :**

(a) What is the amount of money received by DRDA, Darrang from the Government of India in 2005-06 ?

(b) What is the amount of money received by DRDA, Darrang from the Government of Assam in 2005-06 ?

(c) What is the amount of money utilised by D.R.D.A., Darrang from Central Share for S.G.R.Y., S.G.S.Y. and IAY accordingly in 2005-06 within Kalaigaon LAC and what amount is left unutilised ? (Give details list).

(d) What is the amount utilised by DRDA, Darrang from State Share for SGRY, SGSY and IAY accord-

ingly in 2005-06 within Kalaigaon LAC and what amount is left unutilised ? (Give detais list).

**Shri Chandan Brahma (Minister, Panchayat & Rural Development) replied :**

(a) The DRDA, Darrang, Mangaldoi received the following funds from the Govt. of India during the year 2005-06.

| Programme | Amount (Rs. in lakhs) |
|---|---|
| (i) SGRY | Rs. 2285.37 |
| (ii) IAY | Rs. 1512.56 |
| (iii) SGSY | Rs. 478.79 |
| Total | Rs. 4276.72 |
| (iv) Food grains under S.G.R.Y. | 14737.00 |

(b) Funds released from the Govt. of Assam during the 2005-06 are as follows :

| Programme | Amount (Rs. in lakhs) |
|---|---|
| (i) SGRY | Rs. 533.14 |
| (ii) IAY | Rs. 431.59 |
| (iii) SGSY | Rs. 170.72 |

(c) The DRDA, Darrang, Mangaldoi released the fund to the Development Blocks for execution of

works. The Block Development Officers of Kalaigaon and the Khoirabari Development Block under Kalaigaon LAC have submitted the utilisation report as follows (Lists enclosed in Annexure-A1 & A/2 are tabled in the House).

| Name of Block | SGRY | IAY | SGSY | Rice |
|---|---|---|---|---|
| 1. Kalaigaon Dev. Block | 252.64 | 87.00 | 26.80 | 1628.30 MT |
| 2. Khoirabari Dev. Block | 100.46 | 70.00 | 8.40 | 638.60 MT |

Utilised fund IAY 2nd instalment :
(i) Kalaigaon Dev. Block : Rs. 91.25 Lakhs.
(ii) Khoirabari Dev. Block : Rs. 7.25 Lakhs.
(d) Utilised of fund (State Share) :

| Name of Block | SGRY | IAY |
|---|---|---|
| 1) Kalaigaon Dev. Block | Nil | Nil. |
| 2) Khoirabari Dev. Block | 2.00 | Nil. |

Utilised State Share of fund received in 2006-07. (Rs. in Lakhs)

| Name of Block | SGRY | IAY |
|---|---|---|
| 1) Kalaigaon Dev. Block | 55.58 | 52.25 |

| | | |
|---|---|---|
| 2) Khoirabari Dev. Block | 24.27 | 24.75 |

**বিষয় ঃ আৱাস গৃহ নিৰ্ম্মাণ।**

**মওলানা আতাউর রহমান মাজার ভূইয়াই জিজ্ঞাসা করেছেন ঃ**

**১১২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি ঃ**

(ক) কাছার জেলার কাটিগড়া উন্নয়ন খণ্ডের সরকারী কর্মচারীদের থাকার আৱাস গৃহ নির্মিত হয়নি এ ব্যাপারে কি সরকার অৱগত আছেন ?

(খ) কালাইন উন্নয়ন খণ্ডের সহকারী কর্মচারীদের জন্য নির্মিত আৱাস গৃহ সমূহ অত্যন্ত পুরাতন হওয়ার একটি গৃহও থাকার উপযোগী নয় এ ব্যাপারে কি সরকার অৱগত আছেন ?

(গ) কাটিগড়া ও কালাইন উন্নয়ন খণ্ড দুইটির সহকারী কর্মচারীদের থাকার আৱাস গৃহ নির্মানের ক্ষেত্রে সরকারের কোন পরিকল্পনা আছে কি ?

(ঘ) যদি থাকে তার কতদিনের মধ্যে নির্মান কাজ চুরু হবে ?

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায় আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অৱগত।

(খ) অৱগত।

(গ) কাটিগড়া আৰু কালাইন উন্নয়ন খণ্ডৰ চৰকাৰী কৰ্মচাৰী সকলৰ আৱাস গৃহ নিৰ্মাণৰ বাবে চৰকাৰে কোনো পৰিকল্পনা লোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

**বিষয় ঃ সমবায় সমিতিৰ কাৰ্য্যকাল।**

শ্ৰীহাফিজ বছিৰ আহমেদে সুধিছে ঃ

১১৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমবায় বিভাগৰ ধুবুৰী জিলাত গাঁওপঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি কিমানখন আছে ? তাৰ ভিতৰত কিমানখন সমবায়ত নিৰ্ব্বাচিত কাৰ্য্যকৰী কমিটি আৰু কিমানখনত তদৰ্থভিত্তিত কমিটি চলি আছে ? (তথ্য সহকাৰে সমিতিবোৰৰ নাম উল্লেখ কৰি জনাব)।

(খ) তদৰ্থভিত্তিত কমিটি বা কাৰ্য্যকাল উকলি যোৱা কমিটিক বৰ্দ্ধিত সময় নিদিবলৈ মাহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা ১৮-৯-২০০৬ তাৰিখে WP(C)No. 4358/2006 গোচৰৰ এক আদেশযোগে অসমৰ সকলো সমবায় সমিতিক নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত নিৰ্ব্বাচন পাতিবলৈ আৰু বৰ্দ্ধিত সময় বাতিল কৰাৰ বাবে চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ বিভাগীয় বিষয়াক নিৰ্দ্দেশ দিয়াটো সচাঁনে ? যদি সচাঁ তেন্তে নিৰ্ব্বাচন পতাৰ কি ব্যৱস্থা কৰা হৈছে ? (বিতংকৈ জনাব)।

(গ) ২৬ নং বিলাসীপাৰাৰ পশ্চিম সমষ্টিৰ অৰ্ন্তগত নায়েৰ আলগা, কাজাইকাটা, আখবাৰী, সাধুভাষা, মহামায়া, বৰকান্দা, বোকাখাটা সমবায় সমিতিত থকা বৰ্ত্তমান কাৰ্য্যকাৰী কমিটিবোৰৰ কাৰ্য্যকাল কেতিয়া শেষ হৈছে বা হ'ব আৰু এই সমিতিবোৰৰ সাধাৰণ সভা/ নিৰ্ব্বাচন পতাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(ঘ) ২৬ নং বিলাসীপাৰা পশ্চিম সমষ্টিৰ অৰ্ন্তগত নায়েৰ আলগা আৰু কাজাইকাটা সমবায়ৰ কাৰ্য্যকৰী কমিটি (বৰ্ত্তমানৰ) কেতিয়া আৰু কেনেকৈ গঠন হৈছিল আৰু তেওঁলোকৰ কাৰ্য্যকাল কেতিয়া শেষ হৈছে বা হ'ব ? যদি শেষ হৈছে, তেন্তে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে WP(C)No. 4358/2006 গোচৰত ১৮-৯-২০০৬ তাৰিখত দিয়া আদেশ মৰ্মে এতিয়াও সমতি দুখনত সাধাৰণ সভা আৰু নিৰ্ব্বাচনৰ ব্যৱস্থা হোৱা নাই কিয় ? (তথ্য সহকাৰে বিতংভাৱে জনাব)

শ্ৰীগৌতম বৰা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাত ৪৩ খন গাঁও পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি আছে। ইয়াৰ ভিতৰত ১৪ খন সমবায় সমিতিত নিৰ্ব্বাচিত কাৰ্য্যকৰী কমিটি আৰু ২৯ খনত তদৰ্থ কমিটি আছে। উক্ত সমিতি সমূহৰ নাম পৰিশিষ্ট 'অ' ত গাঁঠি দিয়া হ'ল। (See Annexure-VI)

(খ) হয়, মহামান্য উচ্চ ন্যায়ালয়ে ১৮-৯-২০০৬ তাৰিখে WP(C) No. 4358/06 আদেশ মৰ্মে সকলো সমবায় সমিতিত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ আদেশ দিয়াটো সত্য। উল্লেখিত আদেশৰ ভিত্তিত সমবায় সমিতি সমূহৰ পঞ্জীয়কে বিভাগীয় বিষয়াক যিবোৰ সমবায় সমিতিত নিৰ্ব্বাচনৰ আইনমতে সময় হৈছে সেইবোৰত নিৰ্ব্বাচন অনুষ্ঠিত কৰিবলৈ পঞ্জীয়নৰ চিঠি নং GPSS.47/2006/8 dt. 10-10-2006 মৰ্মে নিৰ্দ্দেশ জাৰি কৰিছে। ইতিমধ্যে বিভাগীয় বিষয়া নিযুক্তি কৰি কাৰ্য্যকাল শেষ হোৱা সমিতিবোৰত নিৰ্ব্বাচন পতাৰ ব্যৱস্থা কৰা হৈছে। আনহাতে মহামান্য উচ্চ ন্যায়ালয়ে গোচৰ নং WP(C)5344/06 মৰ্মে দক্ষিণ কামপুৰ সমবায় সমিতিৰ আৱেদনৰ ভিত্তিত নিৰ্ব্বাচন অনুষ্ঠিত কৰাৰ বাবে সময় বিচৰা আৱেদন কৰ্ত্তৃপক্ষই বিবেচনা কৰাত বাধা নাই বুলি নিৰ্দ্দেশনা জাৰি কৰিছে।

(গ) প্ৰশ্নত উল্লেখিত সমবায় সমিতিবোৰৰ নামৰ বিপৰীতে কাৰ্য্যকাল হোৱা তাৰিখ তলত উল্লেখ কৰা হ'ল।

| সমিতিৰ নাম | কাৰ্য্যকাল শেষ হোৱা তাৰিখ |
|---|---|
| ১) নায়েৰ আলগা | ৩১-৭-২০০৬ |
| ২) কাজাইকাটা | ৩১-৭-২০০৬ |
| ৩) আমবাৰী সাধুভাষা | ৩১-৭-২০০৬ |
| ৪) বৰকান্দা | ৩০-১০-২০০৬ |
| ৫) বোকাখাটা | ৩০-১১-২০০৬ |

মহামায়া সমবায় সমিতিখন BTC এলেকাৰ অৰ্ন্তভূক্ত যিহেতু সমবায়

বিভাগে BTC লৈ হস্তান্তৰিত এক বিষয়, সেয়েহে BTC এলেকাৰ অৰ্ন্তভূক্ত সমবায় সমিতি সংক্ৰান্ত কাম-কাজ সম্পূৰ্ণভাৱে BTC য়ে কৰে। এই বিষয়ত BTC য়ে সিদ্ধান্ত লব।

নায়েৰ আলগা আৰু কাজাইকাটা সমবায় সমিতিৰ পৰিচালনা কমিটি সংক্ৰান্তত ধুবুৰী "Civil Judge" আদালতত যথাক্ৰমে J.S.No. 39/ 2006 আৰু T.S.No. 18/06 (Mise Case No. 50/06 গোচৰ) চলি থকা বাবে নিৰ্ব্বাচনৰ ব্যৱস্থা লব পৰা হোৱা নাই।

বৰকান্দা সমবায় সমিতিত ইতিমধ্যে ১৬-১১-২০০৬ ইং তাৰিখে নিৰ্ব্বাচন পতাৰ বাবে বিভাগীয় বিষয়া নিযুক্তি কৰা হৈছে। বোকাখাটা সমবায় সমিতিয়ে ৩০-১২-২০০৬ তাৰিখৰ ভিতৰত নিৰ্ব্বাচন পতাৰ বাবে সময় বান্ধি দিয়া হৈছে।

(ঘ) নায়েৰ আলগা আৰু কাজাইকাটা সমবায় সমিতি দুখনৰ কমিটি (বৰ্ত্তমানৰ) যথাক্ৰমে ২৯-০৫-২০০৩ (29-5-03) আৰু ১৯-১২-২০০১ (19-12-2001) তাৰিখত নিৰ্ব্বাচনৰ দ্বাৰা গঠিত হৈছিল। তেওঁলোকৰ কাৰ্য্যকাল ইতিমধ্যে শেষ হৈছে ৩১-৭-২০০৬ তাৰিখে।

নায়েৰ আলগা আৰু কাজাইকাটা সমবায় সমিতি দুখনৰ কাৰ্য্য পৰিচালনা কমিটি সংক্ৰান্তত ধুবুৰী Civil Judge ৰ আদালতত দুটা গোচৰ বিচৰাধীন হৈ আছে। আদালতৰ ৰায়ৰ পিচত নিৰ্ব্বাচন সংক্ৰান্তত ব্যৱস্থা লব পৰা যাব। যদিও প্ৰশ্নত উল্লেখিত গোচৰটোত অসমৰ সকলো সমবায় সমিতিত নিৰ্ব্বাচনৰ ব্যৱস্থা কৰিবলৈ মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দ্দেশনা দিছে। ইতিমধ্যে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উক্ত নিৰ্দ্দেশনাৰ পৰিপ্ৰেক্ষিতত ধুবুৰীৰ Civil Judge আদালতত বিচৰাধীন গোচৰ দুটা Vacate কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লবলৈ ধুবুৰীৰ A.R.C.S. ক নিৰ্দ্দেশ দিয়া হৈছে।

## Sub : KOKILABARI AGRI. SEED FARM.

**SHRI THANESWAR BASUMATARY ASKED :**

**114. Will the Minister of Agriculture be pleased to state :**

What measure have been taken for the development of the Kokilabari Agrucultural Seed Farm by the Government as per Bodo Accord ?

**Smti. Pramila Rani Brahma (Agriculture Minister) replied :**

A. (1) After Bodo accord the Kokilabari Agril. Seed Farm, Baska was taken over by BTAD authority from State Farms Corporation of India (S.F.C.I.).

(2) One Officer on special duty has been entensted from existing Staff of Agril. Deptt. to look after the farm.

(3) Development of 16 Nos. of Casual employees at Fixed Pay.

(4) Renovation of existing 10 Nos. of Staff Quarter including office building renovation and expension of guest house. Repairing of farm road and provision of street light.

(5) One 55 H.P. tractor has been alloted for machanised cultivation.

B. (i) During 2004-05 under A.A.C.F.-1169 qtls. of H.Y.V. paddy seed were produced under certified seed production programme- the varities Ranjit, Kushal and Massuri which were utilised under De-

velopmental Scheme.

(ii) During 2005-06-1741 qtls. of certified paddy seed were produced and during 2006-07-950 bighas area covered under H.Y.V. seed production programme.

**বিষয় ঃ কাৰ্য্যালিয় গৃহ নিৰ্ম্মান।**

**ডঃ মলয়া বৰ্মনে সুধিছে ঃ**

**১১৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ৪২ নং পাটাছাৰকুছি বিধানসভা সমষ্টিৰ অৰ্ন্তগত টিহু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালিয়টো এতিয়ালৈকে ভাড়াঘৰত চলি থকাটো সচাঁনে ?

(খ) টিহু টাউনৰ নিকটবৰ্ত্তী মথুৰাপুৰত খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালিয়ৰ বাবে আৱশ্যকীয় চৰকাৰী মাটি সংৰক্ষিত কৰি ৰখাটো চৰকাৰৰ অৱগতনে ?

(গ) যদি অৱগত, উক্ত স্থানত সোনকালে টিহু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালিয়টোৰ গৃহ আদি নিৰ্মানিৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সচাঁ।

(খ) হয়, অৱগত।

(গ) টিহু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালিয়ৰ গৃহ নিৰ্ম্মানিৰ কাম আংশিকভাৱে কৰা হৈছে আৰু সময় সাপেক্ষে বাকী কামখিনিৰ ব্যৱস্থা কৰা হ'ব।

**বিষয় ঃ নিগমৰ বাছ সেৱাৰ ব্যৱস্থা।**

**শ্ৰীঅনুপ ফুকনে সুধিছে ঃ**

**১১৬। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) জনসাধাৰণৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ পৰা টিংখং হৈ নাহৰকটীয়া, নামৰূপ, দুলীয়াজানলৈ পৰিবহন নিগমৰ বাছ সেৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

(খ) যদি কৰে, কেতিয়া কৰিব ? যদি নকৰে, ইয়াৰ কাৰণ কি ?

**শ্ৰীচন্দন ব্ৰহ্ম (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) প্ৰযোজ্য সাপেক্ষে ব্যৱস্থা লোৱা হ'ব।

(খ) প্ৰশ্ন নুঠে।

**বিষয় ঃ পঞ্চায়ত নিৰ্ব্বাচন।**

**শ্ৰীবৃন্দাবন গোস্বামীয়ে সুধিছে ঃ**

**১১৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমত পঞ্চায়ত সমূহৰ কাৰ্য্যকাল কেতিয়া শেষ হ'ব ?

(খ) পঞ্চায়ত সমূহৰ নিৰ্ব্বাচন নিৰ্দ্ধাৰিত সময়ত হ'বনে ?

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসমত পঞ্চায়ত সমূহৰ কাৰ্য্যকাল ২০০৬ চনৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখৰ পৰা ২০০৭ চনৰ মাৰ্চ আৰু এপ্ৰিল মাহৰ ভিতৰত শেষ হ'ব।

(খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**বিষয় ঃ সাংস্কৃতিক কাৰ্য্যালয় স্থাপন।**

**শ্ৰীমেশ্বৰ গগৈয়ে সুধিছে ঃ**

**১১৮। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) যোৰহাটত সাংস্কৃতিক সঞ্চালকালয়ৰ তত্ত্বাবধানত এটা সাংস্কৃতিক কাৰ্য্যালয় খোলাৰ ব্যৱস্থা কৰা হৈছে নেকি ?

(খ) যদি হৈছে, কেতিয়াকৈ উক্ত কাৰ্য্যালয়ৰ কাম আৰম্ভ হ'ব ?

**শ্ৰীগৌতম বৰা (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সাংস্কৃতিক সঞ্চালকালয়ৰ তত্ত্বাবধানত যোৰহাটত এটা সাংস্কৃতিক কেন্দ্ৰ আছে।

(খ) এই কাৰ্য্যালয়টো ১৯৯৮ চনৰ পৰা চলি আছে।

**বিষয় ঃ ৰবিশস্যৰ বীজ যোগান।**

**শ্ৰীকুশল দুৱৰীয়ে সুধিছে ঃ**

**১১৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) যোৱা শালি খেতিৰ বতৰত হোৱা অভাৱনীয় খৰাং পৰিস্থিতি চম্ভালিবলৈ চৰকাৰে কৃষক ৰাইজক যোগান ধৰিবলৈ লোৱা ৰবি শস্যৰ বীজ আদি যোগান ধৰা পলম হোৱাত উক্ত আঁচনিৰ বাবে নিৰ্দ্ধাৰিত পুঁজি বৰ্ত্তমানে কৃষক ৰাইজ উপকৃত হোৱাকৈ কি আঁচনি কেনেদৰে গ্ৰহণ কৰা হ'ব ?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা শালি খেতিৰ বতৰত হোৱা খৰাং পৰিস্থিতিত ক্ষতিগ্ৰস্থ কৃষকক

বিনামূলীয়াকৈ বীজ বিতৰন সময়মতেই কৰা হৈছে।
উক্ত আঁচনিৰ বাবে ধাৰ্য্য কৰা পুঁজিৰে কৃষকক বিনামূলীয়াকৈ ঃ
(১) জলসিঞ্চনৰ বাবে পাম্প থকা কৃষকক ডিজেল বিতৰন কৰা হৈছে।
(২) মাটি মাহৰ বীজ বিতৰন কৰা হৈছে।
(৩) শাক-পাচলিৰ বীজ বিতৰন কৰা হৈছে।
(৪) ঘেঁহু, সৰিয়হ, মটৰমাহ, মচুৰ শীতকালীন শাক-পাচলিৰ বীজ বিতৰন কৰা হৈছে আৰু আগতীয়া আহুধানৰ বীজ বিতৰন ডিচেম্বৰ মাহৰ ভিতৰত সম্পন্ন কৰা হ'ব।
(৫) কৃষকৰ পথাৰত ট্ৰেক্টৰৰ দ্বাৰাই মাটি চহাই দিয়া কাম কৰা হৈছে।

**বিষয় ঃ চেকগেটৰ সংখ্যা।**

**ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ**

**১২০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**
(ক) অসমত বৰ্ত্তমান কিমানখন পৰিবহন চেকগেট আছে ?
(খ) প্ৰত্যেকখন চেকগেটৰ জৰিয়তে ২০০৪-০৫ আৰু ২০০৫-০৬ বৰ্ষত কিমান টকা ৰাজহ সংগ্ৰহ হৈছে ? (সদনৰ মেজত পৃথকে পৃথকে পৰিসংখ্যা দাখিল কৰিব)।

**শ্ৰীচন্দন ব্ৰহ্ম (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**
(ক) বৰ্ত্তমান অসমত পৰিবহন বিভাগৰ অধীনত তিনিখন চেকগেট আছে। এই চেকগেট কেইখন শ্ৰীৰামপুৰ, বক্সিৰহাট আৰু দীঘাৰ খালত স্থাপন কৰা হৈছে।
(খ) প্ৰত্যেকখন চেকগেটৰ জৰিয়তে সংগৃহীত ৰাজহৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল (কোটিৰ হিচাবত)।

| বিত্তীয় বৰ্ষ | শ্ৰীৰামপুৰ | বক্সিৰহাট | দীঘাৰখাল |
|---|---|---|---|
| ২০০৪-০৫ | ২৮.৭৪ | ১৩.০৫ | ২.৪২ |
| ২০০৫-০৬ | ২৬.১৫ | ১৩.০৩ | ২.৬৩ |

**বিষয় ঃ জলসিঞ্চন প্ৰকল্পৰ সংখ্যা।**

**ডঃ মনোৰঞ্জন দাসে সুধিছে ঃ**

**১২১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমত বৰ্ত্তমান কিমানটা জলসিঞ্চন প্ৰকল্প আছে ? (তালিকা দাখিল কৰিব)।

(খ) এই আটাইবোৰ প্ৰকল্প কাৰ্য্যক্ষম নে ?

(গ) যদি নহয়, কিয় নহয় ? (কাৰ্য্যক্ষম নোহোৱাবোৰৰ নাম দাখিল কৰিব)

(ঘ) এইবোৰ কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা ল'বনে ?

(ঙ) ভৱানীপুৰ সমষ্টিৰ পহুমৰা জলসিঞ্চন প্ৰকল্প কৰিবলৈ কি বাস্তৱ ব্যৱস্থা লোৱা হৈছে আৰু এতিয়ালৈ ব্যয় কৰা পৰিমাণ কিমান ?

**শ্ৰীনুৰজামাল চৰকাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসমত জলসিঞ্চন বিভাগৰ অধীনত জলসিঞ্চন প্ৰকল্প সমূহ এনে-ধৰণৰ ঃ

| শ্ৰেণী | বৃহৎ ও মজলীয়া | ক্ষুদ্ৰ |
|---|---|---|
| ১) সম্পূৰ্ণ হোৱা | ১৩ টা | ১০১৭ টা |
| ২) আধৰুৱা | ৭ টা | ১১৮০ টা |

(সম্পূৰ্ণ হোৱা প্ৰকল্প সমূহৰ তালিকা প্ৰ-পত্ৰ 'ক' ত গাঁঠি দিয়া হ'ল)।

(খ) ইয়াৰে মাত্ৰ ৬২২ টা প্ৰকল্প আংশিক ভাৱেহে কাৰ্য্যক্ষম হৈ আছে।

(গ) সম্পূৰ্ণ হোৱা প্ৰকল্পবোৰৰ ভিতৰত কিছুমান প্ৰকল্প কাৰ্য্যক্ষম নহয়, কিয়নো নিৰ্দ্ধাৰিত শিতানত কেইবাবছৰো ধৰি আৱশ্যকীয় ধনৰ আৱণ্টন নোপোৱা বাবে অকাৰ্য্যক্ষম হোৱা আঁচনিবোৰ উপযুক্ত মেৰামতি কৰি কামত লগাব পৰা হোৱা নাই। (অকাৰ্য্যক্ষম আঁচনিৰ তালিকা প্ৰ-পত্ৰ 'খ' ত দাখিল কৰা হ'ল)।

(ঘ) মেৰামতিৰ বাবে পৰ্য্যাপ্ত ধনৰ আৱণ্টন পালে কাৰ্য্যক্ষম আঁচনিবোৰ পৰ্য্যায়ক্ৰমে কাৰ্য্যক্ষম কৰিব পৰা যাব।

(ঙ) পহুমৰা প্ৰকল্পটোৰ বাকী থকা কামখিনি AIBP আঁচনিৰ অধীনত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে। চলিত বছৰত ৪.০৫ কোটি টকা বাজেটত অৰ্ন্তভূক্ত কৰা হৈছে। বৰ্ত্তমানলৈকে প্ৰকল্পটোৰ বাবে ৩৮.১৮ কোটি টকা খৰছ কৰা হৈছে।

**Sub : Draught affected area.**

**Shri Prafulla Kumar Mahanta asked :**

**122. Will the Minister of Agriculture be pleased to state :**

(a) How many districts were affected by the recent draught ? (Please indicate the hectares districtwise and number of population of each district).

(b) What measures State Govt. has taken to encounter the draught in State ?

(c) Whether State Govt. received any special grants from the Central Govt. ?

(d) Will the Govt. furnish the total amount of seeds, fertilizer etc. to the farmers of each district distrib-

uted so far ?

**Smti. Pramila Rani Brahma (Minister, Agriculture) replied :**

(a) 26 districts were affected by the recent draught like situation in the State (Statement showing districtwise affected area and number of familiesd enclosed). (See Anexure-VII)

(b) State Govt. has taken the following measures to deal with the draught like situation in the state.

(i) Free distribution of POL to the effected farmers having STW LLP for irrigating the affected field costing Rs. 1.91 crore.

(ii) Free distribution of black gram seed vegetable seeds to the affected farmers.

(iii) Free distribution of Wheat, Lentil, Pea, Mustard and Summer paddy seed to the affected farmers (Costing Rs. 20.00 crore).

(iv) Free tractorisation of land belonging to the affected families @ 1 bigha double harrowing per selected beneficiary (Costing Rs. 8.00 crore).

(c) No.

(d) The total amount of seeds supplied to the affected farmers of the state till date is as below :

| | |
|---|---|
| (i) Black gram | 904.10 Qtls. |
| (ii) Wheat | 21071,00 Qtls. |

| | |
|---|---|
| (iii) Mustard | 6250,00 Qtls. |
| (iv) Pea | 7500,00 Qtls. |
| (v) Lentil | 6250,00 Qtls. |
| (vi) Assorted vegetable seeds 300 gms each. | 4,34,782 Pkts of |

Distribution of seeds is continuing 48,575,00 Qtls of summer paddy seeds will be ditributed free of cost to be the affected farmers within December, 2006. No fertilizer have been distributed. (The district-wise seeds distribution list is enclosed.) (See Annexure-VIII)

**বিষয় ঃ স্কীমৰ নাম আৰু টকাৰ পৰিমাণ।**

**শ্ৰীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ**

**১২৩। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বিগত চৰকাৰ আৰু বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালত ধলাই সমষ্টিৰ ২৭ খন গাঁও পঞ্চায়ত, ৩ খন আঞ্চলিক পঞ্চায়ত আৰু ৪ খন জিলা পৰিষদৰ ভিতৰত বিভিন্ন স্কীমৰ জৰিয়তে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত, জিলা পৰিষদে কি কি কাম কৰিছে ? (আৰ্থিক বছৰ ভিত্তিক স্কীমৰ নাম আৰু টকা (এফ. জি) সহ জনাব)।

(খ) টকা দিয়াৰ পাছতো কিমান স্কীম আৰম্ভ হোৱা নাই বা অৰ্দ্ধ সমাপ্ত অৱস্থাত আছে (বিতং তথ্য দিব) ? উক্ত স্কীম বিলাক কেতিয়া সমাপ্ত হব ?

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ২০০২-২০০৩ ৰ পৰা ২০০৬-০৭ বিত্তীয় বৰ্ষলৈ ধলাই সমষ্টিৰ ২৭ খন গাঁও পঞ্চায়ত, ৩ খন আঞ্চলিক পঞ্চায়ত আৰু ৪ খন জিলা পৰিষদে কি কাম কৰিছে, তাৰ সবিশেষ তথ্য পৰিশিষ্ট-১ ত গাঁঠি দিয়া হ'ল।

(খ) মোকলাই দিয়া টকা আৰু চাউলেৰে কৰিবলগীয়া আঁচনিৰ কাম সম্পূৰ্ণ কৰা হৈছে বুলি প্ৰকল্প সঞ্চালক, কাছাৰ জিলা গ্ৰামীণ অভিকৰণে জনাইছে।

**বিষয় ঃ শীতলীকৰন ভড়াঁল স্থাপন।**

**ডাঃ মতিউৰ ৰহমান মণ্ডলে সুধিছে ঃ**

**১২৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ধুবুৰী জিলাৰ ২১ নং মানকাছাৰ বিধানসভা সমষ্টিৰ অৰ্ন্তগত ঝাউডাংগাত কিছু বছৰ পূৰ্বতে শীতলীকৰন ভড়াঁল স্থাপন কৰাৰ ব্যৱস্থালৈ কাম আৰম্ভ কৰা হৈছিল, কিন্তু আজিলৈকে উক্ত শীতলীকৰন ভড়াঁল স্থাপনৰ কাম সম্পন্ন নহ'ল কিয় ?

(খ) উক্ত কামৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছিল ? আজিলৈকে কিমান টকা খৰছ কৰা হৈছে ?

(গ) উক্ত শীতলীকৰন ভড়াঁলৰ কাম সম্পূৰ্ণ কৰা হবনে পৰিত্যাগ কৰা হৈছে ?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ধুবুৰী জিলাৰ ২১ নং মানকাছাৰ বিধানসভা সমষ্টিৰ অৰ্ন্তগত ঝাউদাং গাঁওত ১৯৯০ চনত শীতলীকৰন ভড়াঁল স্থাপনৰ বাবে নিৰ্মানৰ কাম আৰম্ভ কৰা হৈছিল। কিন্তু উক্ত শীতলীকৰন ভড়াঁলটোৰ নিৰ্দ্ধাৰিত ধন সম্পূৰ্ণৰূপে নোপোৱাত কাম সম্পূৰ্ণ কৰিব পৰা নগ'ল।

(খ) উক্ত কামৰ বাবে ৫.০০ লাখ টকা ধাৰ্য্য কৰা হৈছিল (Estimated amount Rs. 5.00) তাৰ বিপৰীতে ধুবুৰী জিলাৰ উপায়ুক্তৰ (Entide fund) ৰ পৰা ২.৪৭ লাখ টকা পোৱা হৈছিল আৰু টকাখিনি খৰছো কৰা হৈছিল।

(গ) উক্ত শীতলীকৰন ভড়াঁল আঁচনিখনৰ প্ৰাক্কলনত ধাৰ্য্য মুলতকৈ বৰ্ত্তমান বহুগুনে মূল্যবৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত আঁচনিখন পুনৰ বিবেচনাৰ বাবে লোৱা হৈছে।

**বিষয় ঃ হিমঘৰৰ সংখ্যা।**

**শ্ৰীআবু তাহেৰ বেপাৰীয়ে সুধিছে ঃ**

**১২৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমৰ কোন কোন জিলাত কিমানটা হিমঘৰ আছে ?

(খ) ধুবুৰী জিলাৰ ভিতৰত বেছি পৰিমানে উদ্যান শস্য (Horticulture Product) উৎপাদন হোৱা গোলোকগঞ্জ সমষ্টিৰ গডেৰহাটত বিভাগীয় ভাৱে হিমঘৰৰ বাবে এডোখৰ মাটি ক্ৰয় কৰিছে যদিও আজিলৈকে এই ঠাই ডোখৰত হিমঘৰ নিৰ্মান নোহোৱাকৈ পৰিত্যক্ত হৈ থকাটো চৰকাৰ অৱগতনে ?

(গ) উক্ত হিম ঘৰটোৰ কাম কেতিয়া আৰম্ভ কৰা হব ?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) জিলা সমূহত থকা হিমঘৰৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ঃ-

| <u>জিলা</u> | <u>হিমঘৰৰ সংখ্যা</u> |
|---|---|
| ১) কামৰূপ (গ্ৰাম্য আৰু মেট্ৰো) | ৫ টা |
| ২) বৰপেটা | ১ টা |

| | |
|---|---|
| ৩) ধুবুৰী | ২ টা |
| ৪) কোকৰাঝাৰ | ১ টা |
| ৫) শোণিতপুৰ | ১ টা |
| ৬) কাছাৰ | ২ টা |
| ৭) কৰিমগঞ্জ | ১ টা |
| ৮) তিনিচুকীয়া | ১ টা |

(খ) গোলকগঞ্জ সমষ্টিৰ গডেৰহাটত হিমঘৰৰ বাবে বিভাগীয় ভাৱে কোনো মাটি ক্ৰয় কৰা হোৱা নাই। গতিকে হিমঘৰ নিৰ্মানৰ প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

**বিষয় ঃ বিনামূলীয়া বীজ বিতৰন।**

**শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ**

**১২৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) খৰাং পীড়িত এলেকাৰ কৃষকক বিনামূলীয়া বীজ বিতৰন কৰাৰ নামত কৃষি বিভাগে কিমান টকা ব্যয় কৰিলে ?

(খ) কোন কোন জিলাত বিনামূলীয়া কৃষি বীজ বিতৰন কৰা হ'ল ? আৰু কিমান পৰিমানৰ বীজ কৃষকে লাভ কৰিলে ? (সদনৰ মেজত তালিকা প্ৰকাশ কৰিব)।

(গ) বীজ সমূহৰ অংকুৰন পৰীক্ষা কৰি বিতৰন কৰা হৈছিলনে ?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) খৰাং পীড়িত এলেকাৰ কৃষকক বিনামূলীয়াকৈ বীজ বিতৰন কৰাৰ কাৰণে এতিয়ালৈকে কৃষি বিভাগে ২৫ কোটি টকাৰ সংমোদন পাই বীজ ক্ৰয় কৰি আছে।

(খ) ২৬ খন জিলাত তলত দিয়া ধৰণে বিনামূলীয়াকৈ এতিয়ালৈ বিভিন্ন বীজ বিতৰন কৰা হৈছে।

| | |
|---|---|
| মাটিমাহ | ৯০৪.৪০ কুইণ্টল |
| ঘেঁহু | ২১০৭১.০০ কুইণ্টল |
| সৰিয়হ | ৬২৫০.০০ কুইণ্টল |
| মটৰ | ৭৫০০.০০ কুইণ্টল |
| মচুৰ | ৬২৫০.০০ কুইণ্টল |
| শাক-পাচলিৰ বীজ (৩০০ গ্ৰামৰ পেকেট) | ৪,৩৪,৭৮২ পেকেট (১৩০৪.৩৪৬) কুইণ্টল |

বীজ বিতৰন প্ৰক্ৰিয়া চলি আছে। জিলা ভিত্তিক বীজ বিতৰন বিতং তথ্যৰ তালিকা 'ক' সংলগ্ন কৰা হ'ল। (See Annexure-IX)

(গ) হৈছে।

**বিষয় ঃ সাপ্তাহিক বজাৰৰ টকা আৱণ্টন।**

**শ্ৰীৰঞ্জিত দত্তই সুধিছে ঃ**

**১২৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) শোণিতপুৰ জিলা পৰিষদৰ অৰ্ন্তগত বিহালী সমষ্টিৰ বৰগাং আৰু বেদেতী সাপ্তাহিক বজাৰ ২০০৬-২০০৭ চনৰ বাবে কিমান টকাত আৱণ্টন দিয়া হৈছে ?

(খ) যোৱা ২০০৩-২০০৪, ২০০৪-২০০৫ আৰু ২০০৫-২০০৬ চনত বৰগাং আৰু বেদেতী বজাৰ (সাপ্তাহিক) কিমান টকাত আৱণ্টন দিয়া হৈছিল ? (তথ্য সহকাৰে জনাব)

**শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) শোণিতপুৰ জিলা পৰিষদৰ অৰ্ন্তগত বিহালী সমষ্টিৰ বৰগাং সাপ্তাহিক বজাৰ ২০০৬-০৭ চনৰ বাবে ৮,৮৭,৭৭৭.০০ টকাত আৰু বেদেতী সাপ্তাহিক বজাৰ ২০০৬-০৭ চনৰ বাবে ৫,০৬,৯৯৯.০০ টকাত আৱণ্টন দিয়া হৈছে।

(খ) যোৱা ২০০৩-২০০৪, ২০০৪-২০০৫ আৰু ২০০৫-২০০৬ চনত বৰগাং আৰু বেদেতী সাপ্তাহিক বজাৰ নিম্ন উল্লেখিত টকাত আৱণ্টন দিয়া হৈছিল ঃ

| বজাৰ | ২০০৩-২০০৪ | ২০০৪-২০০৫ | ২০০৫-২০০৬ |
|---|---|---|---|
| বৰগাং সাপ্তাহিক বজাৰ | ১২,৩৭,৭৭৭.০০ টকা | ১৩,৫৭,৯৯৯.০০ টকা | ১০,৬৫,৫৫৫.০০ টকা |
| বেদেতী সাপ্তাহিক বজাৰ | ৭,১১,৯৯৯.০০ টকা | ৫,৭৭,৭৭৭.০০ টকা | ৫,৮৯,৯৯৯.০০ টকা |

**বিষয় ঃ ধন অনুমোদন।**

**শ্ৰীৰানা গোস্বামীয়ে সুধিছে ঃ**

**১২৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) যোৱা ২০০৪-২০০৫, ২০০৫-২০০৬ আৰু ২০০৬-২০০৭ বৰ্ষত যোৰহাট জিলাৰ মীন বিভাগলৈ মীন উৎপাদন আৰু উন্নয়ন তথা সংৰক্ষণৰ বাবে কিবা ধন অনুমোদন হৈছিল নে ?

(খ) যদি হৈছিল, কি কি আঁচনি ও শিতানত অনুমোদন দিয়া হৈছিল ?

(গ) উক্ত আঁচনিৰ কাম বা পুঁজিৰ ব্যৱহাৰ হ'লনে ?

(ঘ) যদি হ'ল, পুঁজি আৱণ্টনৰ বিপৰীতে খৰছ কৰাৰ সম্পূৰ্ণ তালিকা আঁচনি অনুযায়ী সদনৰ মেজত দাখিল কৰিবনে ?

শ্ৰীনুৰজামাল সৰকাৰ (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৪-২০০৫ ইং চনৰ পৰা ২০০৬-২০০৭ ইং চনলৈ যোৰহাট জিলালৈ ধন অনুমোদন কৰা হৈছিল।

(খ) আঁচনি আৰু শিতানৰ বিশদ বিৱৰন সংলগ্ন কৰি দিয়া হ'ল। (সংলগ্ন ১ পৃষ্ঠাৰ পৰা ৩ লৈ) (See Annexure-X).

(গ) আঁচনিৰ কাম আৰু পুঁজি-ব্যৱহাৰ হৈ আছে।

(ঘ) পুঁজি আৱণ্টন আৰু খৰছৰ সম্পূৰ্ণ তালিকা গাঁঠি দিয়া হ'ল। (সংলগ্ন ১ পৃষ্ঠাৰ পৰা ৩ পৃষ্ঠালৈ)।

**Sub : I. A. Y. BENEFICIARIES.**

**Shri Anwarul Haque asked :**

**129. Will the Minister of Panchayat & R. D. be pleased to state :**

(a) How many persons were actually provided with I.A.Y. benefits in Badarpur Development Block under Karimganj District for the year 2003-04 ; 2004-05 and 2005-06 ? (Furnish the list of beneficiaries of the Development Block in Gaon Panchayatwise for the said period on the table of the House).

(b) Whether the Govt. is aware of rampant corruption that took place in the said block in executing the scheme in I.A.Y. ?

(c) Whether that Govt. will initiate action against the delinquents ?

**Shri Chandan Brahma (Minister, Panchayat & R.D.) replied :**

(a) The number of persons who were actually provided with I.A.Y. benefits in Badarpur Development Block under Karimganj District for the year 2003-04 ; 2004-2005 and 2005-06 are as follows :

| Year | No. of beneficiaries |
|---|---|
| 2003-04 | 241 Nos. |
| 2004-05 | 304 Nos. |
| 2005-06 | 288 Nos. |

Gaon Panchayatwise list of IAY beneficiaries under Badarpur Development Block for the aforesaid period is shown in Annexure 'A' and tabled in the House.

(b) No. such complaints have been received.

(c) Does not arise.

**বিষয় ঃ এচ. পি. এচ. আঁচনি।**

**শ্ৰীজীতেন গঁগৈয়ে সুধিছে ঃ**

**১৩০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) চলিত বৰ্ষত প্ৰাকৃতিক দুৰ্যোগত পতিত (খৰাং পৰিস্থিতি) অসমৰ কৃষক জনসাধাৰণক সকাহ দিয়াৰ বাবে চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে ? (সম্পূৰ্ণ তথ্য সহ জনাব)।

(খ) SPS আঁচনিৰ অধীনত কৃষকক বিতৰন কৰা Escort Tractor সমূহ কাৰিকৰী ভাৱে অতি নিম্নমানৰ আৰু আঁসোৱাহপূৰ্ণ, এই বিষয়ে বিভাগীয় ভাৱে তদন্তৰ ব্যৱস্থা লবনে ?

(গ) কৃষি বিভাগৰ আৱণ্টিত বীজ সমূহ কৃষি কাৰ্য্যকালৰ সময়মতে আহি নোপোৱাৰ কাৰণ কি ?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) প্ৰাকৃতিক দুৰ্যোগত পতিত (খৰাং সদৃশ পৰিস্থিতি) কৃষক জনাসাধাৰণক সকাহ দিয়াৰ বাবে চৰকাৰে নিম্নলিখিত আঁচনি সমূহ গ্ৰহণ কৰিছে।

১) অগভীৰ নলী নাদ/পাৱাৰ পাম্প সমূহ চপাবলৈ ডিজেল/মবিল বিনামূলীয়াকৈ যোগান ধৰা হৈছে। ইয়াৰ বাবে ১.৪৯ কোটি টকা ব্যয় কৰি ৩৬৭০৮.৪ হেক্টৰ কৃষিভূমিত জলসিঞ্চন কৰা হৈছে আৰু ইয়াৰ দ্বাৰাই ৯০,৪২৫ জন খেতিয়ক উপকৃত হৈছে।

২) ৫২.৪৩৭৮ লাখ টকা ব্যয় কৰি ৯০৪.৯০ কুইণ্টল মাটি মাহৰ বীজ ৩০,২৩৬ জন খেতিয়কৰ মাজত বিনামূলীয়াকৈ বিতৰন কৰা হৈছে। আৰু ৩৩৪৮.৫ হেক্টৰ কৃষিভূমিত মাটিমাহৰ খেতি কৰা হৈছে।

৩) ২.৬৮ কোটি টকা ব্যয় কৰি ৪,৩৪,৭৮২ পেকেট শীতকালীন শাক-পাচলিৰ বীজ ৮৬৯,৫৬৪ জন খেতিয়কৰ মাজত বিনামূলীয়াকৈ বিতৰন কৰা হৈছে। আৰু ইয়াৰ দ্বাৰাই ৫৭,৯৭১ হেক্টৰ খেতিত শীতকালীন খেতি কৰা হৈছে।

৪) ২০ কোটি টকা ব্যয়ৰে ৰবিশস্যৰ বীজ খেতিয়কৰ মাজত বিনামূলীয়াকৈ বিতৰন কৰা হৈছে। বিতৰন কৰা বীজৰ নাম ও পৰিমান তলত উল্লেখ কৰা হ'ল।

| | |
|---|---|
| ক) ঘেঁহু | ২১,০৭১ কুইণ্টল। |
| খ) সৰিয়হ | ৬,২৫০ কুইণ্টল। |
| গ) মচুৰ | ৬,২৫০ কুইণ্টল। |

ঘ) মটৰ ৭,৫০০ কুইণ্টল।

ঙ) কালিন ধান ৪৮,৫৭৫ কুইণ্টল।

৫) বিনামূলীয়াকৈ ক্ষতিগ্ৰস্ত কৃষকক খেতি মাটি চহাই দিয়াৰ কাৰণে ৮.০০ কোটি টকা ব্যয় কৰি মুঠ ৪০০,০০০ কৃষকক উপকৃত কৰি ৪,০০,০০০ বিঘা খেতি মাটি চহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(খ) SPS আঁচনিৰ অধীনত যোগান ধৰা Escort Tractor ৰ কাৰিকৰী দক্ষতা তথা গুনাগুণ ভাৰত চৰকাৰৰ দ্বাৰা স্বীকৃত প্ৰতিষ্ঠান Form Machinary Training and Testing Budni ৰ দ্বাৰা প্ৰশিক্ষণ প্ৰাপ্ত আৰু প্ৰতিবেদন মতে Escort Tractor ৰ প্ৰয়োজনীয় কাৰিকৰী দক্ষতা আছে।

(গ) বিতৰন কৰিবলগীয়া বীজ সমূহ সময়মতে কৃষি কাৰ্য্যকালৰ ভিতৰতেই আহি পাইছে আৰু বিতৰন হৈ আছে।

**বিষয় ঃ নিগমৰ বাছৰ সংখ্যা।**

**শ্ৰীৰচুল হকে সুধিছে ঃ**

**১৩১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) উজনি আৰু মধ্য অসমৰ তুলনাত নামনি অসমত বিশেষকৈ ধুবুৰী জিলাত পৰিবহন নিগমৰ বাছ চলাচলৰ সংখ্যা কম কিয় ?

(খ) গুৱাহাটীৰ পৰা ধুবুৰীলৈ নিগমৰ কেৱল মাত্ৰ দুখন (২) বাছহে চলাচল কৰে, ইয়াৰ বৃদ্ধিৰ বাবে কাৰ্য্যপন্থা হাতত লবনে ?

(গ) ছাগলীয়া ছেক (এম. ভি. আই.) গেটত কিমানজন বিষয়া বৰ্ত্তমানে কৰ্মৰত অৱস্থাত আছে ? মুঠ কিমানজন বিষয়া নিযুক্তি দিয়া হৈছিল ? চৰকাৰী ৰাজহৰ বিপৰীতে বিষয়া সকলে অতিৰিক্ত কৰ উঠোৱাৰ বিষয়টো চৰকাৰে জানেনে ?

**শ্ৰীচন্দন ব্ৰহ্ম (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) কথাটো লক্ষ্য কৰা হৈছে। প্ৰয়োজন অনুসাৰে ব্যৱস্থা লোৱা হব।

(খ) নতুন বাছ ক্ৰয় কৰিলে চাহিদা উক্ত পথত অধিক বাছ চলাচলৰ চেষ্টা কৰা হব।

(গ) ছাগলীয়া (Boxirhat) চেকগেটত নিযুক্তি দিয়া মুঠ ৩৭ জন বিষয়া কৰ্মচাৰীৰ আটাইকেইজনেই বৰ্তমান কাৰ্য্যৰত অৱস্থাত আছে। চৰকাৰী ৰাজহৰ বিপৰীতে বিষয়া সকলে অতিৰিক্ত কৰ উঠোৱাৰ বিষয়ে কৰ্ত্তৃপক্ষ অৱগত নহয়।

**বিষয় ঃ ভূমিৰ পৰিমান।**

**শ্ৰীবদৰুদ্দিন আজমলে সুধিছে ঃ**

**১৩২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) দক্ষিণ শালমাৰা সমষ্টিৰ খৰাং পীড়িত কৃষি খণ্ডৰ ভূমিৰ পৰিমান কিমান ?

(খ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আৱণ্টিত কিমান লিটাৰ ডিজেল উক্ত সমষ্টিৰ কৃষকক বিতৰন কৰা হ'ল ?

(গ) এই অনুদান পোৱা কৃষক সকলৰ নামৰ তালিকা দাখিল কৰিবনে ?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) দক্ষিণ শালমাৰা সমষ্টিত খৰাং পীড়িত কৃষি খণ্ডৰ ভূমিৰ পৰিমান মুঠ ২২৮৫ হেক্টৰ।

(খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো পৰিমানৰ ডিজেল আৱণ্টন পোৱা নাই। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ১০২৯ লিটাৰ ডিজেল বিতৰন কৰা হৈছে।

(গ) মুঠ ২৫৭ জন কৃষকক প্ৰতিজনক ৪ লিটাৰকৈ ডিজেল দিয়া হৈছে। এই অনুদান পোৱা কৃষক সকলৰ ঠিকনা সহ নামৰ তালিকা 'ক' ত গাঁঠি

দিয়া হ'ল।

**Sub : Badrighat Ferry.**

**Shri Kutub Ahmed Mazumdar asked :**

**133. Will the Minister of Transport Department be pleased to state :**

(a) Is it a fact that Badrighat ferry ghat in Cachar District has only shallow baot since september last ?

(b) Is the Govt. aware of the untold miseries and difficulties of the commuters ?

(c) Is it a fact that Sonabarighat ferryghat in Sonai L.A.C. was auctioned in March 17 last but till today it is not settled ?

(d) What is the reason behind for taking such a long time to settle the above ferryghat ?

(e) Approaches on both sides of Badrighat ferryghat are in the worst shape and will the Govenrment apprise of the funds spent for the improvement of the approaches ?

(f) How many Muster Roll workers are engaged in Badrighat ferryghat because only three workers are found in the above ferryghat ?

(g) For how many years the country boat used at Badrighat ferry has been repaired and used and no

replacement made ?
(h) How many Muster Roll workers are engaged in Sonabarighat ferryghat ?
(i) What is the total fund alloted and spent for the repair and improvement of Sonabarighat and Badrighat ferryghat for the last 10 years ?

**Shri Chandan Brahma (Minister, Transport) replied :**
(a) The Badri Ferry service is runing with 1(One) No. shallow boat and 1(One) No. country boat.
(b) Govt. is not aware as no complaints have been received till that from ferry users or from Dist. Administration.
(c) Yes, fresh tender have been invited for settlement of the Sonabari Ferry Service.
(d) To settle the Sonabari Ferry service 4 Nos. of tenders were received for the year 2006-07, but as the tenderd amount were found to be lower that the estimated value as well as the last year's bid, fresh tender were caled for by the Executive Engineer IWT for settlement of the unsettled ferries under IWT Division, Silchar.
(e) Yes, an amount of Rs. 6,98,236.00 has spent for repair and improvement of the Badrighat approaches during the last 10 years.
(f) 6 (Six) Nos. of M.R. workers are being engaged

at Badrighat out of which 3 (Three) are engaged in country boat and 3 others for maintanence of approaches.

(g) Country boat have been used at Badrighat since the opening of the Ferry Service on 1985 and the boats are repaired time to time whenever necessary.

(h) 4 Nos. of M. R. workers are being engaged in Sonabarighat.

(i) Statement of total fund alloted and spent for the repair and improvement of Sonabarighat and Badrighat Ferryghat for the laast 10 years are as follows :

| Sl. No. | Year | Sonabari Ferry | Badri Ferry Service |
|---|---|---|---|
| 1. | 1996-97 | Rs. 1,29,618.00 | Rs. 62,350.00 |
| 2. | 1997-98 | Rs. 2,86,301.50 | Rs. 2,30,961.00 |
| 3. | 1998-99 | Rs. 22,750.00 | Rs. 34,137.00 |
| 4. | 1999-2000 | Rs. 34,888.00 | Rs. 13,056.00 |
| 5. | 2000-2001 | Rs. 1,39,923.00 | Rs. 47,542.00 |
| 6. | 2001-2002 | Rs. 43,870.00 | Rs. 30,263.00 |
| 7. | 2002-2003 | Rs. 59,196.00 | Rs. 74,336.00 |
| 8. | 2003-2004 | Rs. 1,25,653.00 | Rs. 1,24,656.00 |
| 9. | 2004-2005 | Rs. 41,898.00 | Rs. 46,935.00 |
| 10. | 2005-2006 | Rs. 1,05,373.00 | Rs. 34,000.00 |

বিষয় ঃ গ্ৰাম্য উন্নয়ন অভিকৰন সমূহৰ নিযুক্তি।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

১৩৪। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ জিলা গ্ৰাম্য উন্নয়ন অভিকৰন সমূহৰ পোনপটীয়াভাৱে নিযুক্তি ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলৰ চাকৰি ৰাজ্যিক চৰকাৰৰ অধীনৰ সংশ্লিষ্ট বিভাগত প্ৰতিনিযুক্ত (Absorb) কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিবা নিৰ্দ্দেশনা (Guideline) পাইছে নেকি ?

(খ) যদি পাইছে, ইয়াৰ ওপৰত অসম চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) বৰ্ত্তমানলৈকে জিলা গ্ৰাম্য উন্নয়ন অভিকৰন (অসম) সমূহৰ পোনপটীয়া ভাৱে নিযুক্তি হৈ অৱসৰ গ্ৰহণ/মৃত্যু হোৱা ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলে বা পৰিয়াল বৰ্গই পেঞ্চন/ গ্ৰেচুইটি আদি সুবিধা সমূহ পাইছে নেকি ?

শ্ৰীচন্দন ব্ৰহ্মা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) পাইছে।

(খ) বিবেচনাধীন হৈ আছে।

(গ) চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**Sub : NREGS SCHEME.**

**Shri Jagat Sing Engti asked :**

**135. Will the Minister of Panchayat & Rural Development be pleased to state :**

(a) How much fund has been received under

NREGS Scheme from the Central Government ?
(b) What is the total amount of fund being released to the District where NREGS Schemes are being implemented ? (Give in details Districtwise).
(c) In the two Hills District Karbi Anglong and N.C. Hills, how many "JOB CARD" have been issued so far ? (Give Block-wise in details).

**Shri Chandan Brahma (Minister, Panchayat & Rural Development) replied :**
(a) An amount of Rs. 15,165.85 lakhs has been received under NREGS from the Central Government.
(b) The total amount of fund released to the districts under NREGS is Rs. 15,165.85 lakhs (District-wise details have been shown in Annexure 'A' and place on the table of the House).
(c) 1,43,012 Nos. of JOB CARDS in karbi Anglong district and 25,283 Nos. of JOB CARDS in the N.C. Hills district have been issued (Block wise details have been shown in Annexure- 'B'/1 and B/2) and place on the table of the House.
(d) The schemes under NRGES district and blockwise in respect of Karbi Anglong and N.C. Hills have been shown in Annexure 'B'/3 & 'B'/4) and placed on the table of the House.

**Sub : Varsa-Bima 2005 Scheme.**

**Dr. Rumi Nath asked :**

**136. Will the Minister of Agriculture be pleased to state :**

(a) What amount sactioned under "Varsa-Bima, 2005" scheme for the upliftment of cultivators of Assam in districtwise ?

(b) How many districts and how many villages has been included under "NIC-KRISHI BIMA KISAN TAX" scheme in Asam state ?

(c) At present how many villages godowns exist in Barak Valley with special reference to Borkhola ? What steps has been taken by the Govt. for construction of new village godowns in Barak Valley ?

**Smti. Pramila Rani Brahma (Minister of Agriculture) replied :**

(a) 'Varsa-Bima, 2005' scheme has not been implemented in Assam.

(b) No.

(c) At present no villagegodown in Barak Valley will special reference to Borkhola. The Cachar District regulated Market Committee is requested to submit proposal for creation of 'Rural Godown under Gramin Bhandar Yojana."

বিষয় ঃ বিনামূলীয়া বীজৰ যোগান।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

১৩৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত এইবাৰ বৰষুনৰ পৰিমান কম হোৱা বাবে কৃষক সকলে ধান উৎপাদন কৰিব নোৱাৰাত গোটেই অসমৰ অৰ্থনৈতিক অৱস্থা জুৰুলা হৈ পৰাটো চৰকাৰৰ অৱগতনে ?

(খ) যদি অৱগত, কৃষক ৰাইজৰ স্বাৰ্থত ৰবিশস্যৰ উৎপাদনৰ বাবে কৃষকলৈ বিনামূলীয়াকৈ বীজৰ যোগান ধৰাৰ ব্যৱস্থা কৰিছেনে ?

(গ) যদি কৰিছে, কি কি আৰু কিমান পৰিমানকৈ যোগান ধৰা হৈছে ?

(ঘ) খৰাং পীড়িত অসমৰ কৃষক সকলে অধিক ৰবিশস্য উৎপাদন কৰিব পৰাকৈ বিনামূলীয়াকৈ চৰকাৰৰ তৰফৰ পৰা খেতি চহোৱা ও পানী যোগানৰ ব্যৱস্থা কৰিছেনে ?

(ঙ) যদি কৰিছে, কেনে ধৰনৰ ব্যৱস্থা লোৱা হৈছে ?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অৱগত।

(খ) বিনামূলীয়া বীজ বিতৰন কৰা হৈছে ও কৰি থকা হৈছে।

| | | |
|---|---|---|
| (গ) | ১) মাটিমাহ | ৯০৪.১ কুইন্টল। |
| | ২) সৰিয়হ | ৬২৫০ কুইন্টল। |
| | ৩) ঘেঁহু | ২১০৭১ কুইন্টল। |
| | ৪) মটৰ | ৭৫০০ কুইন্টল। |
| | ৫) মচুৰ | ৬২৫০ কুইন্টল। |
| | ৬) গ্ৰীস্মকালীন ধান | ৪৮৫৭৫ কুইন্টল (বিতৰনৰ কাম ডিচেম্বৰ মাহতে শেষ কৰা হব)। |
| | ৭) শাক-পাঁচলিৰ বীজ | ৪৩৪৭৮২ (পেকেট)(৩০০ গ্ৰামৰ পেকেট)। |

(ঘ) কৰা হৈছে।
(ঙ) মাটি চহোৱা বাবদ ৮ কোটি টকাৰে আৱণ্টন দিয়া হৈছে। এই ৮ কোটি টকাৰে ৪,০০,০০০ বিঘা মাটি চহোৱাৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ দ্বাৰাই ৪ লাখ খেতিয়ক উপকৃত হব।
পানী যোগানৰ বাবদ ১.৪৯ কোটি টকা আৱণ্টন দিয়া হৈছে, এই টকাৰে ৩৬,৭০৮.৪ হেক্টৰ মাটিত পানী যোগান ধৰা হৈছে আৰু ইয়াৰ পৰা ৯০,৪২৫ জন খেতিয়ক উপকৃত হৈছে।

**বিষয়ঃ কোম্পানীৰ গেছ/তেলৰ সন্ধান।**

**শ্ৰীকমল সিং নাৰ্জাৰীয়ে সুধিছে ঃ**

**১৩৮। মাননীয় খনি আৰু খনিজাত সম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**
(ক) ব্ৰহ্মপুত্ৰৰ বুকুত ও. এন. জি. চি. বা অইন কোনো কোম্পানীয়ে তেল আৰু প্ৰাকৃতিক গেছৰ সন্ধানত অভিযান চলাব বিচৰা কথাটো সচাঁনে ?
(খ) যদি সচাঁ, কোন কোন কোম্পানীয়ে কেতিয়াৰ পৰা এই অভিযান আৰম্ভ কৰিব ?
(গ) এই কোম্পানীবোৰক ব্ৰহ্মপুত্ৰত অভিযান চলোৱাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কিবা চৰ্ত্ত বান্ধি দিছে নেকি ?
(ঘ) এই অভিযানৰ ফলত ব্ৰহ্মপুত্ৰৰ পাৰিপাৰ্শ্বিক পৰিস্থিতিৰ কোনো বিৰূপ প্ৰভাৱ নপৰিব বুলি ৰাজ্য চৰকাৰ নিশ্চিত নে ?
(ঙ) যদি নহয়, ৰাজ্য চৰকাৰে এনে বিৰূপ প্ৰতিক্ৰিয়া ৰোধ কৰিবলৈ কি কি কাৰ্য্য ব্যৱস্থা হাতত লৈছে ?

**শ্ৰীখৰসিং ইংতি (খনি আৰু খনিজাত সম্পদ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অইল ইণ্ডিয়া লিমিটেডে ব্ৰহ্মপুত্ৰ নদীৰ ভূ-গৰ্ভত অন্বেষনমূলক জৰীপ কৰিব বিচাৰিছে।
(খ) নিশ্চিত নহয়।
(গ) এতিয়াও সিদ্ধান্ত গ্ৰহণ কৰা নাই।
(ঘ) গোটেই বিষয়টো Enviornmental Impect Assessment Notification ১৯৯৪ আৰু Enviornmental Impect Assessment Notification 2006 অনুযায়ী চোৱা হৈ আছে।
(ঙ) সংশ্লিষ্ট আইন অনুযায়ী ব্যৱস্থা লোৱা হ'ব।

**বিষয় ঃ মঙ্গলদৈ সমষ্টিৰ আঁচনি।**

**শ্ৰীহীৰেন কুমাৰ দাসে সুধিছে ঃ**

**১৩৯। মাননীয় ভূমি সংৰক্ষন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**
(ক) যোৱা ২০০১ চনৰ পৰা বৰ্ত্তমানলৈ ভূমি সংৰক্ষন বিভাগে দৰঙত থকা মঙ্গলদৈ সমষ্টিত কি কি আঁচনি ৰূপায়ন কৰিলে আৰু এই আঁচনি সমূহৰ বাবে কিমান টকা খৰছ কৰিলে ? (তথ্য ভিত্তিক ভাৱে সদনত আঁচনি, খৰছ কৰা পুঁজি, ঠিকাদাৰৰ নাম, ঠিকনা সহ তালিকা দাখিল কৰিব)।
(খ) ভূমি সংৰক্ষন বিভাগৰ বৰ্ত্তমান দৰঙত ৰিষয়া কৰ্মচাৰী কোন কোন, এওঁলোক ক'ত থাকে, জিলা কাৰ্য্যালয় ক'ত অৱস্থিত ?

**শ্ৰীনুৰজামাল চৰকাৰ (ভূমি সংৰক্ষন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**
(ক) যোৱা ২০০১-০২ বিত্তীয়বৰ্ষৰ পৰা বৰ্ত্তমানলৈ দৰং জিলাত (বৰ্ত্তমান ওডালগুৰি জিলা সামৰি) ভূমি সংৰক্ষন বিভাগে মুঠ ১৭ টা আঁচনি ৰূপায়ন কৰে। আঁচনি সমূহৰ বিতং তথ্য তলৰ অনুবদ্ধ সুচী ১ ত উপস্থাপন কৰা হ'ল।

| ক্ৰমিক নং | বছৰ | আঁচনি নাম | মুঠ খৰছৰ পৰিমান | উপকৃত ভূমিৰ পৰিমান | উপকৃত পৰিয়ালৰ সংখ্যা | খৰছৰ শিতান |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ |
| ১। | ২০০১-০২ | চুতিয়াপাৰা উল্টা খণ্ডা প্ৰতিৰোধ আঁচনি | ১,৫০,০০০/- | ৯ হেঃ | ৬০০ | ভি চি পি (সাধাৰন) ওডালগুৰি। |
| ২। | ২০০১-০২ | গলিয়াপাৰা উল্টা খণ্ডা প্ৰতিৰোধ আঁচনি | ১,৪৫,০০০/- | ৮ হেঃ | ৪৫০ টা | ভি চি পি (সাধাৰন) মঙ্গলদৈ। |
| ৩। | ২০০১-০২ | ননৈ হালাভূমি উন্নয়ন ও জল বিতৰন আঁচনি | ৪০,০০০/- | ১৭ হেঃ | ১০০ টা | ভি চি পি (সাধাৰন) মঙ্গলদৈ। |
| ৪। | ২০০২-০৩ | নিচলামাৰী উঃ খঃ প্ৰঃ আঁচনি | ৮৫,০০০/- | ৫ হেঃ | ২৪৫ টা | ভি চি পি (সাধাৰন) ওডালগুৰি। |
| ৫। | ২০০২-০৩ | বিহগুৰি ভেকলি খণ্ডা উঃ খঃ প্ৰতিৰোধ আঁচনি | ১,০০,০০০/- | ৬ হেঃ | ৩১৫ টা | ভি চি পি (সাধাৰন) মঙ্গলদৈ। |
| ৬। | ২০০৩-০৪ | মিছলামাৰী উঃ খঃ প্ৰঃ আঁচনি | ১,২০,০০০/- | ৭ হেঃ | ২৮৫ টা | ভি চি পি (সাধাৰন) ওডালগুৰি। |
| ৭। | ২০০৩-০৪ | শালৈপাৰা উঃ খঃ প্ৰঃ আঁচনি | ১,৫০,০০০/- | ৯ হেঃ | ২৩০ টা | ভি চি পি (সাধাৰন) মঙ্গলদৈ। |
| ৮। | ২০০৩-০৪ | দৈপামখটি ভূমি উঃ আঁচনি | ৪০,০০০/- | ১৭ হেঃ | ১৫৫ টা | টি, এচ, পি, ওডালগুৰি |
| ৯। | ২০০৩-০৪ | শালৈপাৰা ভূমি উঃ ও জল বিতৰন | ৩০,০০০/- | ১৩ হেঃ | ৬৭ টা | এচ. চি. চি. পি, মঙ্গলদৈ |

| | | | | | | |
|---|---|---|---|---|---|---|
| | | আঁচনি | | | | |
| ১০। | ২০০৩-০৪ | পশ্চিম গেলাবিল নদী নিয়ন্ত্ৰন আঁচনি | ৫০,০০০/- | ১১ হেঃ | ১৭০ টা | টি এচ পি ওডালগুৰি |
| ১১। | ২০০৩-০৪ | জনাৰাম টোকা নদী নিঃ আঁচনি | ৪০,০০০/- | ৯ হেঃ | ৫৫ টা | এচ চি চি পি মঙ্গলদৈ। |
| ১২। | ২০০৪-০৫ | বি এড কলেজ, ওডালগুৰিৰ ওচৰৰ উল্টা খণ্ডা প্ৰতিৰোধ আঁচনি | ৬,০০,০০০/- | ৩৫ হেঃ | ১৮০০ টা | বোৰ্ডাৰ এৰিয়া উন্নয়ন |
| ১৩। | ২০০৪-০৫ | চেঙেলিয়াপাৰা উঃ খঃ প্ৰঃ আঁচনি | ১,৫০,০০০/- | ৯ হেঃ | ২৪৫ টা | টি এচ পি, মঙ্গলদৈ |
| ১৪। | ২০০৪-০৫ | বতাবাৰী উঃ খঃ প্ৰঃ আঁচনি | ১,৫০,০০০/- | ৯ হেঃ | ১৮৭ টা | টি এচ পি মঙ্গলদৈ |
| ১৫। | ২০০৫-০৬ | কুৰাপানী ভূঃ উঃ আঁচনি | ৭৭,০০০/- | ৩৩ হেঃ | ১৫৭ টা | টি এচ পি মঙ্গলদৈ |
| ১৬। | ২০০৫-০৬ | মৰানদী নিয়ন্ত্ৰন আঁচনি | ৫৫,০০০/- | ২৭ হেঃ | ১৫৭ টা | টি এচ পি মঙ্গলদৈ |
| ১৭। | ২০০৪-০৫ | শাকটোলা হাৰিয়ালী প্ৰকল্প | ৪৮.৫৮ লাখ | ৭৬২ হেঃ | ৬৫০০০ টা | কেন্দ্ৰীয় চৰকাৰৰ অনুমোদিত |

উক্ত আঁচনি সমূহৰ ক্ৰমিক নং ১২-ত উল্লেখিত কামখিনি তলত উল্লেখিত নিৰ্ম্মান সমিতিৰ দ্বাৰা সম্পাদিত হয় আৰু বাকীখিনি কাম বিভাগীয় ভাৱে পৰিচালনা কৰা হয়।

সমিতিৰ নাম ঃ উল্টাখণ্ডা প্ৰতিৰোধ নিৰ্ম্মান সমিতি।
ঠিকনা ঃ বিঃ এডঃ কলেজ, ওডালগুৰি।
সভাপতি ঃ ডালিম বায়ন।
সম্পাদক ঃ সঞ্জীৱ কুমাৰ চৌধুৰী।

শাকটোলা হাৰিয়ালী প্ৰকল্পৰ কাম স্থানীয় পঞ্চায়ত আৰু জলচ্ছেদ কমিটিয়ে পৰিচালনা কৰে।

(খ) দৰং জিলাৰ ভূমি সংৰক্ষনৰ আঁচনি সমূহ পূৰ্ব্বৰে পৰা অবিভক্ত দৰং জিলাৰ তেজপুৰত অৱস্থিত সংমণ্ডল প্ৰাধিকাৰীৰ জৰিয়তে ইয়াৰ অধীনৰ টংলা আৰু ওৰাং আঞ্চলিক বিষয়াৰ কাৰ্য্যালয়ৰ পৰা চোৱাচিতা কৰা হৈছিল। বৰ্ত্তমান যোৱা জুন২০০৫ ইং তাৰিখৰ পৰা মঙ্গলদৈ নগৰৰ ইণ্ডাষ্ট্ৰি চ'কত থকা স্বতন্ত্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ পৰা (একাউণ্ট বিট) চোৱাচিতা কৰা হয়। বৰ্ত্তমানৰ জিলা ভিত্তিক একমাত্ৰ কাৰ্য্যালয় "মঙ্গলদৈ কেন্দ্ৰ বিষয়াৰ কাৰ্য্যালয়"ৰ কৰ্মচাৰী সমূহ তলৰ অনুবদ্ধ সুচী ২-ত উপস্থাপন কৰা হ'ল।

অনুবদ্ধ সুচী-২

| ক্ৰমিক নং | নাম আৰু পদবী |
|---|---|
| ১ | শ্ৰীশিৱকান্ত শৰ্ম্মা, ভাৰপ্ৰাপ্ত বিষয়া। |
| ২ | শ্ৰীইন্দ্ৰেশ্বৰ নাথ, নক্সাকাৰ। |
| ৩ | শ্ৰীজগদ্বীশ লহকৰ, প্ৰদৰ্শক (ক)। |
| ৪ | শ্ৰীদেবাংশু নাথ, প্ৰদৰ্শক (ক)। |
| ৫ | শ্ৰীপ্ৰমোদ তালুকদাৰ, ক্ষেত্ৰকৰ্মী। |
| ৬ | শ্ৰীমহিবুদ্দিন আহমেদ, ক্ষেত্ৰকৰ্মী। |
| ৭ | শ্ৰীহিতৰাম দাস, ক্ষেত্ৰকৰ্মী। |

উপৰোক্ত কৰ্মচাৰী সমূহৰ কেবাজনো মঙ্গলদৈ নগৰৰ ওচৰৰে হোৱা হেতুকে ঘৰৰ পৰাই আৰু বাকী বিলাকে ভাড়াঘৰত থাকি নিজ নিজ কৰ্তব্য সম্পাদন কৰে।

বৰ্ত্তমানে মঙ্গলদৈ কেন্দ্ৰ বিষয়াৰ কাৰ্য্যালয় প্ৰশাসনীয় ভাৱে শোণিতপুৰ জিলাৰ তেজপুৰত অৱস্থিত সংমণ্ডল প্ৰাধিকাৰী কাৰ্য্যালয়ৰ পৰা চোৱাচিতা কৰা হয়।

**বিষয় ঃ আঁচনি গ্ৰহন।**

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

**১৪০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) কৃষি বিভাগৰ তৰফৰ পৰা খৰাং পীড়িত এলেকাৰ সাহাৰ্য্যৰ বাবে কি কি আঁচনি গ্ৰহন কৰিছে ?

(খ) খৰাং পীড়িত এলেকাৰ সাহাৰ্য্যৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিশেষ সাহাৰ্য্য লাভ কৰিছে নেকি ?

(গ) যদিহে বিশেষ সাহাৰ্য্য লাভ কৰিছে উক্ত সাহাৰ্য্য কেনে ধৰনৰ ?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্য চৰকাৰে খৰাং পীড়িত কৃষকৰ সাহাৰ্য্যৰ বাবে নিম্নলিখিত ব্যৱস্থা সমূহ গ্ৰহন কৰিছে।

১) পথাৰত জলসিঞ্চনৰ বাবে STW আৰু LLP পাম্প সমূহ চলাবৰ বাবে বিনামূলীয়াকৈ ডিজেল যোগাৰ্ন ধৰা হৈছে।

২) বিনামূলীয়াকৈ মাটিমাহৰ বীজ যোগান ধৰা হৈছে।

৩) বিনামূলীয়াকৈ বিভিন্ন বিভিন্ন শাক-পাচলিৰ বীজ যোগান ধৰা হৈছে।

৪) বিনামূলীয়াকৈ ঘেঁহু, সৰিয়হ, মটৰ মাহ, মচুৰ মাহৰ বীজ যোগান ধৰা হৈছে আৰু গ্ৰীস্মকালীন ধানৰ বীজ বিতৰন চলিত ডিচেম্বৰ মাহতে সম্পূৰ্ণ কৰা হব।

৫) বিনামূলীয়াকৈ ক্ষতিগ্ৰস্থ কৃষকৰ কৃষিভূমি ট্ৰেক্টৰেৰে মাটি চহাই দিয়াৰ ব্যৱস্থা কৰা হৈ আছে।

(খ) কেন্দ্ৰীয় চৰকাৰৰ কোনো বিশেষ সাহাৰ্য্য লাভ কৰা নাই।

(গ) প্ৰশ্ন নুঠে।

**বিষয় ঃ কঠালগুৰি কৃষিপাম।**

শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

১৪১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১১৮ নং দুলীয়াজান সমষ্টিৰ অৰ্ন্তগত কঠালগুৰি কৃষিপাম খনৰ বৰ্ত্তমান স্থিতি কি ?

(খ) কৃষক প্ৰশিক্ষণ, ফল-মূল সংৰক্ষন, বীজ উৎপাদন কৰা ৰাজহুৱা প্ৰতিস্থানটি পুনঃজীৱিতকৰনৰ ব্যৱস্থা লৈছে নেকি ?

(গ) ১২০ বিঘা মাটি আগুৰি থকা উক্ত অনুষ্ঠানটিৰ দেৱাল নিৰ্ম্মানৰ বাবে ধাৰ্য্য কৰা পুঁজি কিমান খৰছ হয় ?

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ডিব্ৰুগড় জিলাৰ কঠালগুৰি অঞ্চলত থকা পাভজান কৃষি পামখন ১৯৯৯ চনত নিৰ্দ্দিষ্ট চুক্তিৰ অধীনত ৫ বছৰৰ বাবে লীজত দিয়া হৈছিল। লীজৰ সময়সীমা উকলি যোৱাৰ পিছত বৰ্ত্তমান পামখন ঘুৰাই লবৰ বাবে ব্যৱস্থা কৰা হৈছে।

(খ) অন্যান্য উদ্যান শস্যৰ কৃষি পাম সমূহৰ লগতে এই পামখনো পুনৰ বাৰ লীজত দিয়াৰ বাবে বিবেচনা কৰি থকা হৈছে।

(গ) ১২০ বিঘা মাটি আগুৰি থকা এই কৃষিপাম খনৰ দেৱাল নিৰ্ম্মানৰ বাবে ধাৰ্য্য কৰা মুঠ ২৫,৯৫,৫৯৮ টকাৰ সমুদায় ধন দেৱাল নিৰ্ম্মানত ব্যয় হয়।

**Subject : Implementation of Schemes.**

**Dr. Alaka Sarma asked :**

**142. Will the Minister of Panchayat & R.D. be pleased to state :**

(a) During 2001-2006, under borigog-Borbhag

Block and Pub Kalbari Block, under Nalbari constituency, which schemes have been approved and taken up for implementation by Gaon Panchayat (G.P.), Anchalik Panchayat (A.P.) and Zilla Parishad ? (Please give year-wise details, listing the amount proposed for sanction and the amount sanctioned and date of sanction).

(b) Which of those schemes are fully completed ? Which schemes are still half done ?

(c) When will those half done schemes be completed ? (Please give detailed year-wise list).

**Shri Chandan Brahma (Minister, Panchayat & R.D.) replied :**

(a) The schemes taken up for impletemtation under G.P.s, A.P.s and Zila Parishad during the period from 2001-2006 under Borigog-Barbhag and Pub Nalbari Development Block under Nalbari constituency are at Annexure-I & II and placed on the table of the House.

(b) All schemes of G.P. and A.P. are fully completed as per Action Plan except 27 Nos. of IAY houses for the year 2004-2005 of Pub Nalbari Development Block completed half done schemes implemented by the Zilla Parishad are shown at Annexure-II and placed on the table of the House.

(c) Half done schemes will be completed subject to

availability of fund.

বিষয় ঃ উৰনীয়া সেতু।

শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ

১৪৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ বিভিন্ন গুৰুত্বপূৰ্ণ ৰেলৰে লেভেল ক্ৰচিং সমূহত উৰনীয়া সেতু নিৰ্ম্মান কৰাৰ কাৰণে কেন্দ্ৰীয় ৰেল মন্ত্ৰনালয়লৈ ৰাজ্য চৰকাৰে কোনো প্ৰস্তাৱ প্ৰেৰন কৰিছেনে ?

(খ) যদি প্ৰেৰন কৰিছে, যাত্ৰী সোঁতৰ ক্ৰমবৰ্দ্ধমান চাহিদালৈ লক্ষ্য ৰাখি চৰকাৰে অতিশীঘ্ৰে চাংসাৰী, ৰঙিয়া, পাঠশালাকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ ৰেলৰে ক্ৰচিঙত সেতু নিৰ্ম্মানিৰ প্ৰকল্প কি পৰ্য্যায়ত আছে ?

শ্ৰীচন্দন ব্ৰহ্ম (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) প্ৰস্তাৱ প্ৰেৰন কৰা হোৱা নাই।

(খ) প্ৰযোজ্য নহয়।

**Sub : Singla Valley Project.**

**Shri Sambhu Sing Mallah asked :**

**144. Will the Minister of Soil Conservation be pleased to state :**

(a) How much fund state has received from Government of India for Singla Valley Project under

Karimganj District ? (Give year-wise separately).
(b) Furnish the names of the schemes with actual address and sanctioned amount ?
(c) Wich are the scheme not yet completed or work not started ?
(d) Who are the execution Officer of the aforesaid schemes ? (Give details).

**Sri Nurzamal Sarkar (Minister, Soil Conservation) replied :**
(a) The fund received from Government of India through the State Agriculture Department yearwise for Singla Valley Project is as follows :

| Year | Amount Released |
|---|---|
| 2002-2003 | Rs. 29.39 Lakhs. |
| 2003-2004 | Rs. 52.25 Lakhs. |
| 2004-2005 | Rs. 7.82 Lakhs. |
| 2005-2006 | Rs. 26.56 Lakhs. |
| 2006-2007 | Rs. 2.85 Lakhs. |
| Total | Rs. 118.87 Lakhs. |

(b) The names of the schemes with actual address and sanctioned amounts are furnished at Annexure-I & Annexure-II. (See Annexure-XI).
(c) Names of the schemes which are not completed

or work has not been started are furnished at Annexure-IIIA & Annexure-IIIB. (See Annexure-XII).

(d) Shri H. Singha, Divisional Soil Conservation Officer, Cachar Soil Conservation Division, Silchar is the Executive Officer. Other officers involved in the execution of the project are :

| Name | Designation |
|---|---|
| 1. Shri N.U. Laskar Choudhury | Soil conservation Ranger. |
| 2. Shri D. Das | Soil conservation overseer. |
| 3. Shri N. U. Choudhury | Soil conservation Demonstrator (Sr.) |
| 4. Shri S. Sinha | Soil conservation Demonstrator (Jr.) |
| 5. Shri F. U. Choudhury | Soil conservation Field worker. |
| 6. Shri H. R. Choudhury | Soil conservation Field worker. |
| 7. Shri H. K. Sinha | Soil conservation Field worker. |
| 8. Shri B. C. Rajbonshi | Soil conservation Field worker. |

**Sub : Bharat Nirman Programme.**

**Shri Durga Bhumij asked :**

**145. Will the Minister of Panchayat & R. D. be pleased to state :**

(a) What is Bharat Nirman Programme ?

(b) How is State Govt. will avail the benefits under the aforesaid programme for rural development ?

(c) Whether there is any scope for development of tea garden areas in this relation ?

(d) If so, please state the date supporting achievement made till date, within Tinsukia District, constituency-wise, Panchayat-wise, ward-wise ?

(e) If not, state the reasons ?

**Shri Chandan Brahma (Minister, Panchayat & R. D.) replied :**

(a) Bharat Nirman Programme is a concrete business plan of the Govt. of India to substantially augment the basis infrastucture of rural India. The Plan will be executed over a period of 5 years in a package covering six components, viz(i) to provide electricity to all remaining un-electrified villages, (ii) provide every habilitation with safe Drinking Water (iii) Provide all weather roads to all villages above population 1000 (500 is Hilly and Tribal areas) (iv) provide telephone connectivity to all remaining un-connected villages (v) increase irriga-

tion capacity by 10 million hactors and (vi) provide 60 Lakh more houses to the homeless in rural areas. These tasks are to be completed between 2005-2006.

(b) The housing component of the business plan will be implemented through Indira Awas Yojana(IAY) scheme under Panchayat & Rural Development Department, Govt. of Assam.

(c) IAY housing scheme is a centrally sponsored scheme and under this scheme there is no specific provision for development/construction of IAY houses in the tea garden areas.

(d) Does not arise.

(e) As stated at "c" above.

**বিষয় ঃ গভীৰ নলীনাদ আঁচনি।**

**শ্ৰীনুৰুল হুছেইনে সুধিছে ঃ**

**১৪৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমত ELIS আৰু DTWS আঁচনি কিমানটা মৃত আৰু অৰ্দ্ধমৃত অৱস্থাত আছে ? (তথ্য দিব)

(খ) হাজো সমষ্টিত ELIS আৰু DTWS আঁচনি কিমানটা আছে ?

(গ) হাজো সমষ্টিৰ উক্ত মৃত আৰু অৰ্দ্ধমৃত আঁচনি সমূহ পুনৰ কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা কৰিছে নেকি ?

(ঘ) যদি কৰা নাই, কিমান দিনৰ ভিতৰত কৰিব ?

শ্ৰীনুৰজামাল চৰকাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ
(ক) অসমত ২২ টা বৈদ্যুতিক উত্তোলন আঁচনি (ELIS) আৰু ১৮ টা গভীৰ নলী-নাদ আঁচনি (DTWS) বৰ্ত্তমান মৃত অৱস্থাত আছে। তাৰোপৰি ২০৬ টা ELIS আৰু ১১৭ টা DTWS বৰ্ত্তমানে অৰ্দ্ধমৃত অৱস্থাত আছে। জিলা ভিত্তিত তালিকা প্ৰ-পত্ৰ 'ক' ত দাখিল কৰা হ'ল। (See Annexure-XIII)
(খ) হাজো সমষ্টিত জলসিঞ্চন বিভাগৰ অধীনত মুঠ ৬ টা ELIS আৰু ৯ টা DTWS আঁচনি আছে।
(গ) এই মৃত আৰু অৰ্দ্ধমৃত আঁচনি সমূহ কাৰ্য্যক্ষম আৰু সম্পূৰ্ণ কৰাৰ বাবে NTCPR আৰু মেৰামতিৰ শিতানত পৰ্য্যায়ক্ৰমে ব্যৱস্থা লোৱা হৈছে।
(ঘ) ধনৰ আৱণ্টন সাপেক্ষে উক্ত আঁচনি সমূহ পুনঃ কাৰ্য্যক্ষম আৰু সম্পূৰ্ণ কৰিব পৰা যাব।

**Subject : Execution of scheme.**

**Dr. Aditya Langthasa asked :**

**147. Will the Minister of Panchayat & Rural Development be pleased to state :**
(a) Will the Government furnish the following information regarding the execution of schemes under D.R.D.A. in Karbi Anglong and N.C. Hills district ?
(i) Total fund received so far under NREGS.
(ii) Fund allocated to each Block and the name of on going schemes ?
(iii) Give the total job card issued and the payment

made against them (Block-wise) so far ?

(iv) Furnish the quantity of foodgrains received under NEFWP/SGRY after the last General Assembly Election in the Hill districts ? (Please mention the foodgrain schemes).

**Shri Chandan Brahma (Minister, Panchayat & Rural Development) replied :**

(a) Yes.

(i) Total fund received under NREGS by the Karbi Anglong and N.C. Hills are as follows :

| | |
|---|---|
| Karbi Anglong | Rs. 2027.78 Lakhs. |
| N. C. Hills | Rs. 2027.78 Lakhs. |

(ii) District-wise fund allocated to each block is shown at Annexure-A1 and A2. Names on the on going schemes are shown at Annexure-A3 and A4 and placed on the table of the House. (See Annexure-XIV).

(iii) Job Cards issued District-wise and Block-wise and the payment made are shown at Annexure-A5 and A6 and placed on the table of the House.

(iv) The quantity of foodgrains received under the National food for Work Programme(NFFWP) and the SGRY after the last General Election in Karbi Anglong and N.C. Hills district are as follows :

| District | Scheme | Foodgrain |
|---|---|---|
| Karbi Anglong | NFFWP | 13543 MT. |
| | SGRY | 2593 MT. |
| N. C. Hills | NFFWP | Nil. |
| | SGRY | Nil. |

বিষয় ঃ "মাৰ্কেট চেড্ নিৰ্ম্মান।"

শ্ৰীসুশীলা হাজৰিকাই সুধিছে ঃ

১৪৮। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা জাতি কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ইং ১১ চেপ্তেম্বৰ' ২০০৬ তাৰিখে গোলাঘাট জিলা DPMC ৰ সভাত গোলাঘাট জিলা অনুসুচীত জাতি জনকল্যান বিভাগৰ জৰিয়তে, অনুসুচীত জাতি সংৰক্ষিত দেৰগাঁও সমষ্টিৰ এটা Market Shed নিৰ্ম্মানৰ বাবে আঁচনিৰ প্ৰস্তাৱ লোৱাৰ পাছত আঁচনিটো কৰ্তন কৰাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, কৰ্তন কৰাৰ নিৰ্দ্দেশৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিবনে ?

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত নহয়।

(খ) প্ৰশ্ন নুঠে।

**Subject : Allotment of Money.**

**Shri Maheswar Boro asked :**

**149. Will the Minister of Panchayat & Rural Development be pleased to state :**

(a) The amount alloted to existing Darrang Zila Parishad for each scheme according to its purview of work since its formation till to-day ?

(b) How is the alloted money for each financial ear against each of the schemes according to its purview of work being utilized within the district ? (Give details the money utilized and non-utilized if any against each of the working place of those of the performing scheme by it).

(c) Who are the "Individual Beneficiaries" under IBS selected by the existing Darrang Zila Parisad in each financial year since it comes to power till to day within its purview ? (Give details of their names and address alongwith provided money with them against their performing schemes).

**Shri Chandan Brahma (Minister, Panchayat & Rural Development) replied :**

(a) The yearwise allotment of fund under SGRY to Darrang Zilla Parishad are as folows :

| | **Rs. in Lakhs.** |
|---|---|
| **Year** | **Amount** |
| 2002-2003 | 543.17 |

| | |
|---|---|
| 2003-2004 | 570.17 |
| 2004-2005 | 248.03 |
| 2005-2006 | 166.23 |
| 2006-2007 | 148.81 |

(b) Fund alloted under SGRY for the year 2002-03, 2003-04, 2004-05 and 2005-06 has already been utilized against each schemes as per norms. The list of completed schemes with schematic amount yearwise is at Annexure-I and placed on the table of the House.

Implementation of works for the year 2006-07 is under proress. The schemes as per Annual Action Plan 2006-07 is at Annexure-II and placed on the table of the House.

(c) The list of IBS beneficiaries showing the schematic amount against each (yearwise) since 2002-03 to 2005-06 is shown at Annexure-III and placed on the table of the House.

**বিষয় ঃ জিরি ইরিগেশন প্রজেক্ট।**

**মওলানা আতাউর রহমান মাঝার ভূইয়া জিজ্ঞাসা করেছেন ঃ**

১৫০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ করে জনাবেন কি ঃ

(ক) "জিরি ইরিগেশন প্রজেক্ট" সরকারী অনুমোদন লাভ করা সত্বেও এবং

NEC থেকে কয়েক লক্ষ টাকা মঞ্জুর হওয়া সত্বেও অদ্যবিধি চালু না হওয়ার কারন কি ?

(খ) দশম পরিকল্পনায় রাজ্যর জন্য মঞ্জুরীকৃত ২০৮.০০ লক্ষ টাকা মঞ্জুর হওয়া সত্বেও জিরি প্রজেক্টটি কেন চালু করা হয়নি ?

(গ) এই প্রজেক্টটি চালু করার বেপারে সরকারের ভৱিষ্যত পরিকল্পনা কি ?

**শ্রীনুৰজামাল চৰকাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেন ঃ**

(ক) বিত্তীয় ব্যয় কমিটি (Expenditure Finance Committee) অনুমোদন না হওয়ার জন্য আসামের জিরি ইরিগেশ্বন প্রকল্পের কাজ আরম্ভ করা সম্ভৱ হয় নাই।

(খ) আসাম ইরিগেশ্বন বিভাগের বার্ষিক পরিকল্পনাতে এই ধন ধার্য্য করা হয় নাই।

(গ) বিত্তীয় ব্যয় কমিটি (EFC) যাৱতীয় অনুমোদন হওয়ার সংগে সংগে প্রকল্পটির কাজ আরম্ভ ও ভৱিষ্যত পরিকল্পনা করা সম্ভৱ হইবে।

## DISCUSSION ON THE SUPPLIMENTARY STATEMENT OF EXPENDITURE CHARGED ON THE CONSOLIDATED FUND OF THE STATE FOR THE YEAR, 2006-2007.

**Mr. Speaker :** Now, item No. 2, Discussion if any on the supplementary statement of Expenditure Charged on the Consolidated Fund of the State for the Year, 2006-2007.

**(NO DISCUSSION TOOK PLACE)**

## VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS

**Mr. Speaker :** Now, item No. 3, Voting on Supplementary Demands for Grants, 2006-2007. In the meeting of the Business Advisory Committee held on 11th December, 2006, the Business Advisory Committee has decided unanimously to discuss the following Grants on priority basis and the rest of the Grants will be taken up for discussion serialy.

| | | |
|---|---|---|
| 1. | 62 | Power Department. |
| 2. | 37 | Food & Civil Supplies Department. |
| 3. | 49 | Irrigation Department. |
| 4. | 56 | Panchayat & Rural Development Department. |
| 5. | 57 | Rural Development Department. |

Now, Grant No. 62, Hon'ble Minister, Power to move.

**Shri Pradyut Bordoloi (Minister, Power) :** I beg Sir, to move that an additional amount of Rs. 17786.48 lakhs be granted to the Minister-In-Charge to defray certain charges which will come in the course of payment during the year ending 31st March,2007 in connection with "Power (Electricity)".

**Mr. Speaker :** There are as many as 5 cut motion in the name of :

1. Shri Mission Ranjan Das
   Shri Prasanta Phukan
   Shri Ranjit Dutta
   Shri Rameswar Teli
   Dr. Rumi Nath
   Shri Susil Dutta
   Shri Kartik Sena Sinha
   Shri Abhijit Hazarika
2. Shri Brindabon Goswami
   Shri Prabin Gogoi
   Shri Phani Bhusan Choudhury
   Shri Nurul Hussain
   Shri Ramendra Narayan Kalita
   Shri Girindra Kr. Baruah
   Shri Mati Susila Hazarika
   Shri Hiren Das
   Shri Anup Phukan
   Shri Joseph Toppo
   Shri Jyoti Prasad Das
   Dr. Alaka Sarma
3. Shri Anwarul Haque
   ShriAtaur Rahman Mazar Bhuyan
   Dr. Aditya Langthasa
4. Shri Drupad Borgohain

5. Shri Uddhab Barman
Shri Ananta Deka

Now, I request the movers of the Cut Motion to move one by one.

**Shri Mission Ranjan Das :** I beg to move that the total provision of Rs. 17786.48 Lakh under Supplementary Demand for Grant No-62 in respect of "Power (Electricity)" at pages 124-125 of the list of Supplementary Demands be reduced by Rs. 100.00 ie. the amount of the whole Supplementary Demand of Rs. 17786.48 Lakh do stand reduced by Rs. 100.00.

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিদুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে, চাপ্লিমেণ্টাৰি ডিমাণ্ডৰ জৰিয়তে বিদুৎ বিভাগৰ বাবে ১৭৭৮৬.৪৮ লাখ টকাৰ দাবী মঞ্জুৰী উৎথাপন কৰিছে। বিদুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অসম ৰাজ্যৰ বিদুৎ সমস্যা সমাধানৰ কথা কৈছে। কিন্তু আমাৰ বিদুৎ সমস্যা সমাধান হোৱা নাই বৰং বাঢ়িছে। মন্ত্ৰী মহোদয়ে তিনি হাজাৰ ৭০০ টকা বিচাৰিছে। এ এচ ই বি ৰ পৰা বেংকত দিবৰ বাবে। ১৪০৬১.০৮ তেখেতে বিচাৰিছে। ১৭.৪০ লাখ টকা বিচাৰিছে বিদুৎ ৰিনিউগেচনৰ বাবে। সৰুসজাইত ট্ৰেঞ্চফৰমাৰৰ কিলোৱাট বঢ়াবৰ বাবে।

মাননীয় অধ্যক্ষ মহোদয়, বিদুৎ বিভাগৰ ওপৰত সময়ে সময়ে কাটমোচনৰ জৰিয়তে বিধান সভাত বহুতো আলোচনা-বিলোচনা হৈ থাকে। আৰু মন্ত্ৰী মহোদয়েও ইয়াৰ ওপৰত উত্তৰ দিছে। বিদুৎ মন্ত্ৰীয়ে বহুতো আশ্বাসো দিছিল বিদুৎ ব্যৱস্থাৰ উন্নতিৰ বাবে। কিন্তু বাস্তৱত আমি উন্নতিৰ

লক্ষ্মন দেখা নাই, অৱনতিহে হৈছে। চাব ষ্টেচন বিলাকৰ উন্নতি হোৱা নাই প্ৰডাকচন কমিছে, দাম বাঢ়িছে। ল'ডছেডিঙৰ সময় বাঢ়ি গৈছে। বিদুৎ ঘাটি হৈছে। কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ বাবে টকা বিচাৰিছে। বিদুৎৰ বাবে ৰাজ্যত কেন্দ্ৰীয় চৰকাৰৰ আঁচনি আছে। তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যক ৯০% গ্ৰাণ্ট আৰু ১০% অনুদান দিয়ে। ২০০৩-০৪ চনতে আৰম্ভ হোৱা আঁচনিৰ কামৰ অগ্ৰগতি অতি কম। ৩০% মানুহৰ কাম হৈছে। অসমৰ চাবষ্টেচন বিলাকৰ উন্নতি কৰিব লাগে। ট্ৰেঞ্চফৰমাৰ বহুৱাব লাগে। যিবিলাক ট্ৰেঞ্চফৰমাৰ ৰিপ্লেচমেণ্ট কৰিছে বাস্তৱতে যিটো হব লাগিছিল সেইটো হোৱা নাই। বি. টি. পি. ৰ কথা কোৱা হৈছে, বঙাইগাঁওত যিটো আছে তাক ৰিনোভেশ্বনৰ প্ৰয়োজন হৈছে। তাৰ কাৰণে গুৰুত্ব দিয়া হোৱা নাই। দ্ৰুতগতিত কাম হব লাগিছিল। চিলাই মেচিন ভৰিৰে চলাই যদিও আজিকালি বৈদ্যুতিকৰণেৰে কৰে। কিছুমান কাম বিদ্যুতৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। লোড ছেডিং বেছিকৈ হোৱাৰ কাৰণে উদ্যোগীকৰণ ব্যাহত হৈ আছে। ছাত্ৰ-ছাত্ৰী সকলৰ পঢ়াত ব্যাহত হৈছে। লোড ছেডিং হয় যদিও পাৱাৰ চাপ্লাইত লছ নহয়, চাৰচাৰ্জ বাঢ়ি আছে। বৰাক ভেলিত পেপাৰ মিলত লোড ছেডিং কৰাৰ কাৰণে বহুত লছ হৈছে। পাৱাৰ চিষ্টেম যি ইনক্লুড হয় দিনে শতকৰা ৬ পাৰচেণ্ট লছ হৈ আছে। লোড ছেডিং যাতে নহয় তাৰ ব্যৱস্থা কৰিব লাগে। পাচগ্ৰামত ইলেক্‌ট্ৰিচিটি ট্ৰেঞ্চফৰমাৰ আছে, তাৰ পৰা কৰিমগঞ্জলৈ যিটো ৩০ কে. ভি. লাইন গৈছে ৪০ বছৰ হৈ গৈছে।

অধ্যক্ষ মহোদয়, এ. এচ. ই. বি.ৰ পৰা বেংকক লোন দিয়াত আপত্তি নাই। বিধান সভাৰ পৰাই মঞ্জুৰী দিয়ক। এই ক্ষেত্ৰত চেণ্ট্ৰেল গভৰ্নমেণ্টৰ পৰা শতকৰা ৯০ ভাগ গ্ৰেণ্ট দিয়া আছে। আমাৰ ৰাজ্যৰ ইলেকট্ৰিচিটি ইম্প্ৰুভ কৰিবৰ কাৰণে, প্ৰডাকচন কৰিবৰ কাৰণে চেণ্ট্ৰেল গভৰ্নমেণ্টে অসমৰ বিদুৎ বিভাগক দিচে। কেন্দ্ৰীয় চৰকাৰৰ এই ধনেৰে আমাৰ ৰাজ্যৰ বিদ্যুৎ বিভাগে ৰাইজক যাতে উপকৃত কৰে তাৰ কাৰণে অনুৰোধ ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Hon'ble Member, Shri Anup Phukan.

**শ্ৰীঅনুপ ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move that the total provision of Rs. 17786.48 Lakh under Supplementary Demand for Grant No.-62 in respect of "Power (Electricity)".

**Mr. Speaker :** Hon'ble Member, you need not move the Cut Motion, you please speak on it. এই গ্ৰাণ্টটো মুভ হৈছে।

* **শ্ৰীঅনুপ ফুকন ঃ** অধ্যক্ষ মহোদয়, বিদ্যুৎ মন্ত্ৰী ডাঙৰীয়াই পৰিপুৰক/দাবী মঞ্জুৰী ২০০৬-২০০৭ চনৰ বাবে ১৭৭৮৬.৪৮ লাখ টকা অতিৰিক্ত ভাৱে বিচাৰিছে।

অধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যে ২০০৩ চনত এ. এচ. ই. বি. পুনৰ গঠন কৰা হৈছিল। এই ক্ষেত্ৰত যিটো হব লাগিছিল বাস্তৱতে তাৰ ওলোটাটোহে হৈছে। বিদ্যুৎ বিভাগে চিলেক্ট কমিটিত আলোচনা কৰি ব্যৱস্থা লব লাগিছিল, সেইটো কৰা নহ'ল। প্ৰকৃততে যি ধৰণে হব লাগিছিল সেইটো হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** আগৰ পলিচিৰ ক্ষেত্ৰত আপুনি কব নালাগে। এতিয়া যিটো টকা ধৰা হৈছে তাৰ ওপৰত কওঁক।

* **শ্ৰীঅনুপ ফুকন ঃ** এতিয়া আমি এটা কথা চাব লগা হৈছে যে আমাৰ বিদ্যুৎৰ যিমান প্ৰয়োজন সেই অনুপাতে এ. এচ. ই. বি. বা অন্যান্য গোট সমূহে উৎপাদন কৰিব পাৰিছে নে নাই আৰু যদি হোৱা নাই তেনেহ'লে আজি

* Speech not corrected

যিখিনি টকা ধৰা হৈছে সেই টকাৰে প্ৰকৃততে কিমানখিনি নাটনি পুৰণ হব সেইটো চাবলগীয়া বিষয়। বিদ্যুতৰ নাটনিৰ ক্ষেত্ৰত আজি আমাৰ যিটো অৱস্থা হৈছে সেইটো বাতৰি কাকততে হওক বা বাস্তৱৰ ক্ষেত্ৰতে হওক আমি সকলোৱে উপলব্ধি কৰি আহিছো আৰু ইয়াৰ অৱসান ঘটোৱাৰ কাৰণে এ. এচ. ই. বি. য়ে যে উৎপাদন বৃদ্ধি কৰিব লাগিব সেই ক্ষেত্ৰত কি ব্যৱস্থা হাতত লৈছে সেইটো চাব লাগিব। আমি আজি দেখিছো যে আমাৰ বিদ্যুৎ বিভাগে পৰিকল্পিত ভাৱে যি ধৰণে বিদ্যুতৰ উৎপাদন বৃদ্ধি কৰিব লাগিছিল সেই ধৰণে ব্যৱস্থা হাতত লোৱা আমি দেখা নাই বৰং এই ক্ষেত্ৰত যি ধৰণে দুৰ্নীতি বৃদ্ধি পাইছে সেইটোও ৰোধ কৰাৰ ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। গতিকে বিদ্যুৎ উৎপাদন আৰু বিতৰনৰ ক্ষেত্ৰত যদি সুব্যৱস্থা হাতত লোৱা নহয় তেনেহ'লে আজি যিটো টকা ধৰা হৈছে সেই টকাৰ সদব্যৱহাৰ হব বুলি আমি নাভাবো। আজি বিদ্যুৎ বিতৰন পৰ্য্যাপ্ত পৰিমাণৰ নোহোৱা কাৰণে শিক্ষাৰ ক্ষেত্ৰতে হওক বা কৃষি উদ্যোগ আদিৰ ক্ষেত্ৰতে হওক সকলোতে আমাৰ দুখীয়া জনসাধাৰণ ক্ষতিগ্ৰস্থ হৈছে। আজি সৰু ডাঙৰ সকলো উদ্যোগ ক্ষতিগ্ৰস্থ হৈছে। সেই কাৰণে এনে দৰণৰ কথাও ওলাইছে যে- য'ত ২৪ ঘণ্টাৰ বেছি ভাগ সময়ে বাল্ব নজলে তাত বিদেশী পুজিপতিক উদ্যোগ পতাৰ কাৰণে মাতিব কেনেকৈ। আজি আমাৰ কৃষিৰ ক্ষেত্ৰত, পানী যোগানৰ ক্ষেত্ৰত, উদ্যোগৰ ক্ষেত্ৰত যি পৰিমাণৰ বিদ্যুতৰ প্ৰয়োজন হয় সেইখিনি যোগান দিব নোৱাৰা কাৰণে এই ক্ষেত্ৰ সমূহ বেয়াকৈ ক্ষতিগ্ৰস্থ হৈছে। আনহাতে আৰু এটা কথা ওলাইছে আমাৰ নিৰ্বাচিত প্ৰতিনিধি সকলক লৈ। আজি বহুতে কোৱা-কুই কৰিছে যে কেৱল ৰাজধানীতে ২৪ ঘণ্টা লাইত জ্বলে। ৰাজ্যখনৰ বাকী কোনো ঠাইতে সমভাৱে বিজুলী যোগান নহয়। সেই কাৰণে আমি যদি ৰাজ্যখনৰ উন্নতি সাধন কৰিব খুজিছো তেনেহ'লে গ্ৰাম্যাঞ্চলত সমভাৱে বিজুলী যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগিব। সেই কাৰণে মাননীয় সদস্য, শ্ৰীদাস ডাঙৰীয়াই এটা কথা কৈছে যে যিটো কাৰণত এই টকাখিনি বিচৰা হৈছে তাৰ দ্বাৰা আমি লাভবান হম নে নহম। এই টকাটো ক'ত ক'ত কি ধৰণে খৰছ কৰা হব বা আজি যি ধৰণে দুৰ্নীতিয়ে সকলো

স্তৰতে শিপাই পেলাইছে তেনেবোৰ ব্যাধি আতৰাব পৰা হ'ব নে নহব। তাকে কৰিব নোৱাৰিলে নাহৰ গছ ৰুই তাৰ গুটিৰেই বেছি লাভবান হব পাৰিম। আমি কেৱল টকা দিলেই নহব, এই ব্যৱস্থা সমূহৰ প্ৰকৃত স্থান সমূহৰ সুধৰণি ঘটাই টকাবোৰৰ সদ্ব্যৱহাৰ কৰিব পাৰিব লাগিব। আজি আমি দেখিছো যে এ. এচ. ই. বি.ৰ উৎপাদন বাঢ়িছে আৰু তাৰ লগে লগে ইয়াৰ মূল্যও বাঢ়িছে। ফিস্ক চাৰ্জটো আগৰ ১৫ টকাৰ পৰা গৈ ৩০ টকা হৈছে। এনে ধৰণে আৰ্থিক অৱস্থা বৃদ্ধি কৰা হৈছে যদিও লগে লগে বিভিন্ন ক্ষেত্ৰৰ বিষয়া বৰ্গ দুৰ্নীতিত লিপ্ত হৈ পৰিছে। এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰীয়ে বিভাগৰ ফালৰ পৰা যি ধৰণে কঠোৰ ব্যৱস্থা লব লাগিছিল তেনে ধৰণে ব্যৱস্থা লোৱা নাই। এনে ধৰণৰ বহুতো দুৰ্নীতিৰ অভিযোগ আমাৰ হাতত পৰিছে। গহপুৰতো কোটি টকাৰ কেলেংকাৰী হোৱা দেখা গৈছে। কোটি টকীয়া ভুৱা বিলৰ কেলেংকাৰী হৈছে। এনে ধৰণৰ কেলেংকাৰীবোৰ হৈ থাকিলে আমি কেৱল টকা খৰছ কৰিলে কোনো উপকাৰ নহব।

অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কব খুজিছো যে- কমলা কান্ত ভট্টাচাৰ্য্য দেৱে এটা কথা কৈছিল "উলঙ্গৰ দেশত কাম কি ধোবাৰ" ঠিক তেনে এটা কথা হৈছে আমাৰ বিদ্যুৎ বিভাগটো। যদি তেওঁলোকে কোনো কামেই কৰিব নোৱাৰে তেনেহ'লে এই বিভাগটো থকাৰ আৱশ্যক নাই। মন্ত্ৰী ডাঙৰীয়াই যিমানেই নকওঁক কিয় তেখেতে এই ক্ষেত্ৰত বাস্তৱ ব্যৱস্থা লব পৰা নাই। এই কামৰ কাৰণে সৃষ্টিশীল দৃষ্টিভঙ্গীৰ প্ৰয়োজন। তেনে এক সৃষ্টিশীল মনোভাৱেৰে কাম কৰিলেহে আমাৰ এই অন্ধকাৰ হৈ থকা ৰাজ্যখনক পোহৰৰ মুখলৈ আনিব পাৰিব। অসমৰ বিদ্যুৎ পৰিস্থিতিৰ কথাটো আজিয়েই উৎথাপিত হোৱা নাই, ইয়াৰ আগতেও বহুবাৰ আলোচনা-বিলোচনা হৈছে। কিন্তু বিদ্যুতৰ নাটনি কোনো দিনেই দূৰ কৰিব পৰা নহ'ল। এইখন চৰকাৰে ইয়াৰ আগতে ৫ বছৰ আৰু এতিয়াও ৬ মাহ কটালে। মুখ্যমন্ত্ৰীয়ে অসমৰ বিদ্যুতৰ নাটনি নাইকিয়া হবলৈ আৰু ১০ বছৰ সময় লাগিব বুলি কৈছে। আমি যি দেখিছো আৰু ১০ বছৰতো যে ইয়াৰ শুধৰণি হব তাৰ কোনো নিশ্চয়তা নাই। ইয়াৰ কাৰণে আমি অন্যান্য ব্যৱস্থা হাতত

লব লাগিব। ইয়াৰ কাৰণে 'মবাইল ইলেকট্ৰিচিটি হাউচ' নামৰ এটা সংস্থাই মবাইল ইলেকট্ৰিচিটি যোগান ধৰাৰো ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁলোকে কৃষকৰ পৰা আৰম্ভ কৰি উদ্যোগলৈ বিজুলী যোগান ধৰিব পাৰিছে। কিন্তু আমাৰ ইয়াত 'গ্ৰীন পিচ' নামৰ সংস্থা এটাই ইয়াৰ বিৰোধীতা কৰিছে। এই বিষয়টো ভালদৰে আমাৰ চৰকাৰে চিন্তা-চৰ্চা কৰিব লাগে আৰু পাৰিলে এনে ধৰণৰ ব্যৱস্থা হাতত লৈ হ'লেও ৰাজ্যখনৰ বিদ্যুতৰ নাটনি পুৰণ কৰাৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। সেই কাৰণে মই ভাৱো এই বিভাগে যেনেধৰণে আদৰণীয় আৰু উল্লেখযোগ্য ব্যৱস্থাৱলী গ্ৰহণ কৰিব লাগিছিল তেনে ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই। যি বিলাক বিষয়ত এই পৰিপুৰক মঞ্জুৰীৰ ধন বিচাৰিছে তাৰ দ্বাৰা একো হ্ব বুলি নাভাবো। সেই কাৰণে বৰ্ত্তমান যিটো পৰিপুৰক দাবী তাৰ আমি বিৰোধীতা কৰিছো। আজি ১০ বছৰ ধৰি সকলো অপব্যয় হ'ল। জোৰা তাপলি মাৰি থাকিলে তাৰ শুধৰণি নহয়। বিদ্যুৎ মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত কি ধৰনৰ স্পষ্টীকৰণ দিয়ে নাজানো। বৰ্ত্তমান চৰকাৰৰ দুৰ্দ্দশাগ্ৰস্ত এই বিভাগটোক এই পৰিপুৰক দাবীয়ে কোনো পধ্যে সহায় নকৰে। তাৰ সলনি কিছু বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। নিজৰ অভিজ্ঞতাৰ পৰা কওঁ মোৰ সমষ্টিৰ ৰাইজে মোক বিদ্যুৎ সংযোগৰ কাৰণে ৩০০-৪০০ মান আবেদন দিছে বিদ্যুৎ বিচাৰি, কিন্তু এই অৱস্থাত কেনেকৈ বিদ্যুৎ যোগান ধৰিব ? বৰ্ত্তমান সকলো ঠাইতে ট্ৰেঞ্চফৰমাৰ বিকল হৈ আছে। শ্ৰমিক কৰ্মচাৰী বিলাকৰ আৱাস গৃহ উৰলি গৈছে। এই পৰিপুৰক দাবীয়ে কি উন্নতি কৰিব ? ৰাছিয়ান মোবাইল ইলেট্ৰিক হাউচৰ নিচিনা ব্যৱস্থা কৰক। কেন্দ্ৰৰ উদ্যোগ মন্ত্ৰী আহি নিজেই কৈ গৈছে শক্তিৰ ক্ষেত্ৰত অসম স্বাবলম্বী হ্বই লাগিব। স্বাবলম্বী হোৱাৰ ব্যৱস্থা কৰক। ইয়াত আমি চৰকাৰৰ কোনো স্পষ্ট নীতি দেখা নাই। সকলো ফটা কঠাত তাপলি মৰা ব্যৱস্থা। সেয়ে আমি ইয়াৰ বিৰোধীতা কৰিছো আৰু বক্তৃতাৰ সামৰণি মাৰিছোঁ।

**Mr. Speaker :** Now, Hon'ble Member, Shri Anwarul Haque.

**Shri Anwarul Hoque :** Mr. Speaker Sir, before going to support the Cut Motion, I want to give a brief message to the House. Sir, after a long demand of Barak-Valley people the Ministry of Forest & Environment, Govt. of India has given a green signal for the commissioning Tripaimukh Hydel Power Project. It is a good message. It was a long standing demand of the people of Barak-Valley. I hope, this project, will solve the problem of power crisies in the area.

**Mr. Speaker :** Mr. Hoque, under rule 152, you should confine to the supplementary demand on the table.

**Shri Anwarul Hoque :** Sir, my friends have stated that students community, the Industrialists, Agriculturists everybody is suffering badly due to lack of electricity. it is learnt that every month the ASEB is incurring a lose of Rs. 42 crores as against the expenditure of 82 crores, because they have been earning 42 crores monthly. So, it is clear that 42 crores running in loss. Athough the ASEB has been bifurcated into three companys for public distribution, Generation and transmission, but no significant development has taken place for regular supply of power in the State. The ASEB was established almost five decades ago. In the year 2004,

The deficit was 200 MW. In this present juncture, it is 142 M.W. still, it has not been improved. Atempts were made. Mr. Jayanta Madhab, the renowned Economist, made some suggestions for improving the capacity of power generation. Thereafter, one former Power Minister of West Bangal Shri Sankar Sen has appointed as Chief Advisor to the Govt. of Assam for taking some steps in the power scenerio. It was our expection that under the able leadership and guidance of our an energetic young Minister, Shri pradyut Bordoloi the improvement of the power scenerio in the state would develop. But unfortunately that has not happend. Sir, Electricity is not a luxury item, now a days it has become more necessity. Sir, there is random load-shedding everywhere. Most of the companys/Industrialists could not run their production for inadequeate power suply. I would like to draw the attention of the Hon'ble Minister to open a Power Generating Centre with the help of coal, both the falls under the Ketigorah Constituency. I would request the Minister to take up the matter. I hope, with the commissioning of such type of project something will come up improve the condition of the electricity.

Now, Sir, Assam is such a state which can be converted into a State Power House. We are unfortunaty that our neighbouring State like Tripura,

Meghalaya, Mizoram, West Bangal are having sur plus power.

(At 10.40 AM Hon'ble Speaker vacated the Chair and Honb'e Deputy Speaker occupied the Speaker's Chair.)

So, Madam, I would request the Hon'ble Minister to look into this aspect as there are ray of hope and personally I have respect to him and hope he will do something for this. So Madam, taking into consideration the whole scenerio I support the Cut Motion. So, the Supplementary Demand for Grant may be reduced to Re. 1.00. With this words, I conclude.

**Madam Deputy Speaker :** Now, the Hon'ble Member, Shri Pradip Hazarika.

**শ্ৰীপ্ৰদীপ হাজৰীকা ঃ** মাননীয়া উপাধ্যক্ষা ডাঙৰীয়ানী, ৬২ নং পৰিপুৰক দাবীৰ ওপৰত উৎথাপন কৰা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো। কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই কেইটামান বিষয়ৰ ওপৰত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো। এখন দেশৰ উন্নতি তেতিয়াহে সম্ভৱপৰ হব যেতিয়া শক্তিখণ্ড ঠিক কৰিব পাৰিব। মাননীয় শ্ৰীযুত প্ৰদ্যুৎ বৰদলৈ দেৱে যেতিয়া এই বিভাগৰ দায়িত্ব লৈছিল আমি তেতিয়া এই বিভাগৰ কিবা এটা উন্নয়নৰ ৰূপ লব বুলি ভাবিছিলো। তেখেতে এই প্ৰচেষ্টা এতিয়াও লৈ আছে। আজি সমগ্ৰ অঞ্চলবাসী নেতাই উত্তৰ পূৰ্ব্বাঞ্চলৰ উন্নতি হ'লেহে ভাৰতবৰ্ষৰ উন্নতি

হ'ব লাগে বুলি কৈ আছে। ভাৰতৰ ৰাষ্ট্ৰপতিয়ে ঘোষনা কৰিছে যে ২০২০ চনৰ ভিতৰত ভাৰতবৰ্ষ এখন দেভেলপ কাণ্ট্ৰী হিচাবে পৰিগনিত হ'ব। সেই হিচাবে আমি আটায়ে যত্ন কৰি আছো। কিন্তু ৰাজ্যখনৰ সকলো উন্নয়ন নিৰ্ভৰ কৰে শক্তিৰ ওপৰত। গতিকে আমি চাব লাগিব শক্তিৰ ক্ষেত্ৰত আমি চেলফ চাফিচিয়েণ্ট হয় নে নহয় ? শক্তিৰ ক্ষেত্ৰত আমি সদায়ে দেফিচিট হৈ আছো। এতিয়াও আমাৰ ১০০/১২৫০ মেগাৱাট দেফিচিট হৈ আছে। কি কাৰণত হৈছে কিহত অসুবিধা ? ইয়াৰ কাৰণে পটেনচিয়েল হ'ল ওৱাটাৰ ৰিচোৰ্চ। কিন্তু আমাৰ ৰাজ্যত পৰ্য্যাপ্ত পৰিমাণৰ জলসম্পদ আছে। আমাৰ আটাইতকৈ ডাঙৰ শক্তি হৈছে মাইটি ব্ৰহ্মপুত্ৰ। আমি জনাত হিমাচল প্ৰদেশত এটা বৃটিশৰ দিনৰে নিৰ্মিত হাইদেল পাৱাৰ প্ৰজেক্ট আছে বোধকৰো ১৯২০/ ২৫ চন মানতে কৰা। তেওঁলোকে তাৰ পৰা ৫ মেগাৱাট শক্তি উৎপাদন কৰে। তেওঁলোকে সৰু সৰু টাৰবাইন বিলাক পিঠিত কঢ়িয়াই নি প্ৰজেক্টটো নিৰ্ম্মাণ কৰিছিল এতিয়াও তেনেধৰণে এই প্ৰজেক্টটো চলি আছে। ঠিক তেনেদৰে যমুনা নদীত টাৰবাইন বহুৱাই পাৱাৰ প্ৰদিউচ কৰি আছে। আমাৰ ইয়াত ব্ৰহ্মপুত্ৰ আছে তাৰ লগতে সৰু বৰ বহুত নদ উপনদী আছে। অৱশ্যে আমাৰ ইয়াতো সোৱনশিৰি কাৰ্বিলাংপি প্ৰজেক্ট নিৰ্ম্মানৰত অৱস্থাত আছে। কিন্তু সম্পূৰ্ণৰূপে তাৰ পৰা কাম আদায় কৰিব পৰা হোৱা নাই। আমাৰ ইয়াত কয়লা আছে। গতিকে কয়লা প্ৰজেক্ট কৰিব পাৰে। আমাৰ বৰ্ত্তমান শালাকাটিত যিটো প্ৰজেক্ট আছে তাত ৪ টা ইউনিট আছে, প্ৰতিটো ইউনিটে ৬০ মেগাৱাট পাৱাৰ প্ৰদিউচ কৰিব লাগে কিন্তু আমি আশাকৰা মতে একেবাৰে পাৱাৰ প্ৰদিউচ কৰিব পৰা নাই, এতিয়ালৈকে ৪ টা ইউনিট কাৰ্য্যক্ষম নহ'ল। এই পাৱাৰ প্ৰদিউচ কৰা কাৰণে বিহাৰৰ পৰা কয়লা আনে। আমি সুধিছিলো আপোনালোকে অসমৰ কয়লা কিয় ব্যৱহাৰ কৰা নাই। কাৰণ কয়লা আমাৰ মন্ত্ৰী প্ৰদ্যুৎ বৰদলৈৰ সমষ্টিতে তৈয়াৰ হয়। তেওঁলোকে ক'লে যে অসমৰ কয়লাত হেনো চালফাৰ বেছি থাকে গতিকে পাৱাৰ প্ৰদিউচ নহয়। এই ৪ টা ইউনিট সম্পূৰ্ণ নচলিলে বেলেগ ঠাইত কয়লাৰ প্ৰজেক্ট কৰিব লাগে। চন্দ্ৰপুৰ মাইবেলা লাকুৱাত আমাৰ যিমান পাৱাৰ প্ৰদিউচ হ'ব লাগিছিল তেনেদৰে

হোৱা নাই। আমি ৰিচোৰ্চৰ দুখীয়া নহয় আমাৰ কেচামাল পৰ্য্যাপ্ত পৰিমানে আছে আমি তাক ব্যৱহাৰ কৰিব পৰা নাই আমি এইবিলাকৰ পৰা পৰ্য্যাপ্ত পৰিমানৰ পাৱাৰ জেনেৰেট কৰাৰ চেষ্টা অব্যাহত ৰাখিব লাগে। কোল্ড ৰিচোৰ্চৰ বাহিৰেও আমাৰ ইয়াত গেছ আছে। মুম্বাইত গেছৰ দ্বাৰা মেগনিফিচেন্ত প্ৰজেক্ট কৰিছে তাৰ পৰা কিন্তু কোনো প্ৰদূষন হোৱা নাই। আমাৰ ইয়াত গেছ বিলাক এনেয়ে জ্বলাই থকা কামটো এটা হত্যা সদৃশ অপৰাধ কৰি থকা হৈছে। এই গুৰুত্বপূৰ্ণ বস্তুটোৰ আমি সৎব্যৱহাৰ কৰিব পৰা নাই। যেতিয়া দ্বিতীয় মহাযুদ্ধ হৈছিল সেই সময়ত বৃটিশৰ দিনত ভাৰত আৰু ম্যানমাৰৰ মাজত এটা হ্ৰদ আছিল। তাত হাইড্ৰো পাৱাৰ প্ৰকল্প বনোৱাৰ আঁচনি লোৱা হৈছিল। সেই সময়ত তেনে এটা চিন্তাই তেখেত সকলৰ দূৰদৰ্শিতাৰ পৰিচয় দিছিল, মই আজি সেইটোকেই দাঙি ধৰিছো। তেখেত সকল কেনেকুৱা দূৰদৃষ্টি সম্পন্ন আছিল সেই কথাটোকে মই কব বিচাৰিছো। আমাৰ দেশৰ ৰাষ্ট্ৰপতিয়ে কৈছে, আমি চাফিচিয়েণ্ট পাৱাৰ উৎপাদন কৰিব পাৰো। কিন্তু ইমান ৰিচোৰ্চ থকা সত্বেও আমি প্ৰয়োজনীয় পাৱাৰ উৎপাদন কৰিব পৰা নাই। মই কেইটামান কথা সকলোৰে দৃষ্টিগোচৰ কৰিব বিচাৰিছো। পাৱাৰ উৎপাদন কৰাৰ কাৰণে কি অসুবিধা আছে মাননীয় মন্ত্ৰী মহোদয়ে জনালে ভাল পাম। শিৱসাগৰ জিলাৰ আমগুৰিত এটা গেছ ভিত্তিক তাপ বিদ্যুৎ প্ৰকল্প নিৰ্ম্মান কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছিল আৰু তাৰ কাৰণে গভৰ্নমেণ্ট অৱ ইণ্ডিয়াৰ প্লেনিং কমিচনে চেনচনও দিছিল। এই প্ৰজেক্টটো কৰাৰ কাৰণে এনভৰ্ণমেণ্ট ক্লিয়াৰেঞ্চকে ধৰি যিবিলাক ক্লিয়াৰেঞ্চ চাৰ্টিফিকেট লাগে সেই সকলো বিলাক ক্লিয়াৰেঞ্চ চাৰ্টিফিকেট দিয়া হৈছিল। এইটো ৫৬০ মেগাৱাটৰ প্ৰজেক্ট আছিল। তাৰ কাৰণে ২ এম এম চি এম ভি গেছৰ প্ৰয়োজন। সেইটো তেওঁলোকে দুটা ফেজত বনাবৰ কাৰণে ঠিক কৰিলে। তাৰ কাৰণে যিখিনি গেছ লাগে সেইখিনি পোৱাৰ পিছত এ. এচ. ই. বি. য়ে এই প্ৰজেক্টটো কৰিবৰ কাৰণে এহেজাৰ বিঘা মাটি আছিল যদিও তেওঁলোকক ৯০০ বিঘা মাটিৰহে পজেচন দিয়া হৈছে। এই সকলো বিলাক দিয়াৰ পিচতো এই দুটা প্ৰজেক্টৰ পৰা উৎপাদন হব লাগিছিল যদিও তেতিয়া নহ'ল। মাননীয়

মন্ত্ৰী মহোদয়ে এই কথাটো চাব। ১৯৯৬ চনৰ পিচত যেতিয়া গভৰ্নমেণ্ট বদলি হ'ল তেতিয়া আমি খুব যুজিলো। তেতিয়া গভৰ্নমেণ্ট অৱ ইণ্ডিয়াই আমাক ১০৫ মেগাৱাট কৰিবলৈ পৰামৰ্শ দিলে। এই লিংকেজটো পোৱাৰ পিচত এই প্ৰজেক্টটোৰ কাৰণে গভৰ্নমেণ্ট টেণ্ডাৰ কৰা হ'ল। এই গভৰ্নমেণ্ট টেণ্ডাৰ কৰা প্ৰজেক্টটো কিন্তু ফ্লাড প্ৰণ এৰিয়াত নাছিল। এইটো হাই লেণ্ড এৰিয়াতহে আছিল। এই প্ৰজেক্টটোৰ কাৰণে এটা পাৰ্টীয়েহে টেণ্ডাৰ কৰা বুলি পিচত ৰি টেণ্ডাৰ কৰিলে। আমি গম পাইছো সেই গেছ ভিত্তিক তাপ বিদ্যুৎ প্ৰকল্পটো ডাইভাৰ্ট কৰি বেলেগ এটা প্ৰজেক্ট দিছে। পাৱাৰ নোহোৱাকৈ অন্য ডেভেলপমেণ্টৰ কথা কলে নহব। আমাৰ চাফিচিয়েণ্ট পাৱাৰ নাই। পাৱাৰ নোহোৱাৰ কাৰণে কোনো মানুহে ইয়াত পইচা ইনভেষ্ট কৰিবলৈ নাহে। পাৱাৰ নোহোৱাৰ কাৰণে তেওঁলোকে পইচা ইনভেষ্ট কৰিবলৈ ভয় কৰে। ৰেগুলাৰ পাৱাৰ চাপ্লাই নোহোৱাৰ কাৰণে কোনো ইণ্ডাষ্ট্ৰিয়েলিষ্টে ইয়ালৈ নাহে। গেছ ক্ৰেকাৰ প্ৰজেক্টটোৰ ক্ষেত্ৰত এতিয়াও আমি সন্দেহৰ বাহিৰত আহিব পৰা নাই। আমাৰ ওচৰৰ যিবিলাক ৰাজ্য আছে উদাহৰণ স্বৰূপে মেঘালয়তেই পাহাৰৰ ওপৰত পাৱাৰ প্ৰজেক্ট কৰি পাৱাৰ প্ৰদিউচ কৰি আছে। পাহাৰৰ ওপৰত তেওঁলোকে বহুত কষ্ট কৰি পাৱাৰ প্ৰদিউচ কৰিছে। আমাৰতো ইমান কষ্ট কৰিব নেলাগে। অলপ কষ্ট কৰিলেই আমি পাৱাৰ উৎপাদন কৰিব পাৰো। আমাৰ অসমে পাৱাৰ প্ৰদিউচ কৰি বেলেগ জেগাত বিক্ৰ কৰিব পাৰে আৰু তাৰ জৰিয়তে বহুত টকা উৰ্পাজিন কৰিব পাৰে। যিকোনো ঠাইতেই আমাৰ পাৱাৰ প্ৰদিউচ কৰাৰ সুবিধা আছে। নেচনেল হাইওৱেৰে বাহিৰৰ পৰা পাৱাৰ অনাৰ কাৰণে যত্ন কৰা হৈছে। সেই কাৰণে মই আজি আপোনাৰ জৰিয়তে এই বিষয়টো চৰকাৰৰ দৃষ্টি গোচৰ কৰিছো। কাট মোচনটো অনাৰ উদ্দেশ্যই হ'ল আমি যাতে গোটেই কথাখিনি সদনত দাঙি ধৰিব পাৰো। এই বিভাগটো ভাল কৰিবৰ কাৰণে চৰকাৰে যত্ন কৰিব লাগিব আৰু তেখেত সকলে এই চেক্টৰটো নিশ্চয় ভাল কৰিব পাৰিব। ইচ্ছা কৰিলে কাম কৰিব পাৰি। Where these is will there is way. পইচাৰ কাৰণে কাম বৈ নাথাকে। পইচা নাই কাৰণে কৰিব পৰা নাই, গেচ

নাই কাৰণে কৰিব পৰা নাই সেইটো কথা নহয়। চৰকাৰে ইচ্ছা কৰিলে কৰিব পাৰে। ১০০ মেগাৱাটৰ যিটো প্ৰজেক্ট সেইটো কৰিব লাগে। আমাৰ কথা হ'ল ডেভেলপমেণ্টৰ কাম বিলাক হব লাগে। কাট মোচনৰ জৰিয়তে মই এইখিনি কথা কৈ মোৰ বক্তব্যৰ ইমানতেই সামৰণি মাৰিলো।

**Madam Deputy Speaker :** Hon'ble Member, Shri Bhupen Kr. Bora.

* **শ্ৰীভূপেন কুমাৰ বৰা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় শক্তি মন্ত্ৰী ডাঙৰীয়াই শক্তি (বিদ্যুৎ)ৰ ক্ষেত্ৰত অতিৰিক্ত যি ১৭৭৮৬.৪৮ লাখ টকা বিচাৰিছে এই ক্ষেত্ৰত বিৰোধী দলৰ সদস্য সকলে যি কাট মোচন আনিছে মই ভাবো এই কাট মোচন অনাৰ কোনো যুক্তি নাই। বেয়াক বেয়া বুলি কব পাৰি কিন্তু ভালখিনিকো ভাল বুলি কবলৈ সৎ সাহস থকাটো দৰ্কাৰ। আমাৰ বিৰোধী দলৰ মাননীয় সদস্য, অনুপ ফুকন ডাঙৰীয়াই শক্তি খণ্ডৰ কাৰণে ছাত্ৰ সমাজত ব্যাপক প্ৰভাৱ পৰিছে বুলি কৈছে। কিন্তু যদি বিদ্যুৎ খণ্ডৰ প্ৰভাৱ ছাত্ৰ সমাজত পৰিলেহেতেন তেতিয়াহ'লে মেট্ৰিক পৰীক্ষাৰ ফলাফল ভালৰ ফালে নাহিলহেতেন। আজি কিছুদিন ধৰি মেট্ৰিক পৰীক্ষাৰ ফলাফল ক্ৰমাগত ভাৱে ভালৰ ফাললৈ আহি আছে। শিক্ষাৰ ক্ষেত্ৰত আজি এটা ভাল লক্ষণ দেখা গৈছে। আমাৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলক আনন্দৰাম বৰুৱা বঁটা দিয়াৰ ব্যৱস্থা কৰিছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, যিবোৰ গাঁৱত বিজুলিবাতিৰ সুবিধা নাই সেইবোৰ গাঁৱৰ ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰে দিয়া কম্পিউটাৰ লব নিবিচাৰি কেচ টকা লব পাৰিব বুলি চৰকাৰে ঘোষণা কৰিছিল। দেখা গ'ল ২-৩ শতাংশইহে পইচা লৈছিল বাকী সকলে কম্পিউটাৰ লৈছিল। ইয়াৰ পৰা দেখা যায় গাঁৱত বিজুলিবাতিৰ পোহৰ পৰিছে। ভাৰতবৰ্ষ স্বাধীন হোৱা ৫৮ বছৰৰ ভিতৰত বেলেগ বেলেগ পাৰ্টিয়ে কাৰ্য্যভাৰ লৈছিল। তেওঁলোকে

* Speech not corrected

সংস্কাৰ কৰিবৰ কাৰণে চেষ্টা কৰিছে। অসমৰ মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াই অসমৰ ইতিহাসত সমাজ সংস্কাৰ কাৰ্য্যসূচী হাতত লৈছে। আজি অসমত ২ হেজাৰ কোটি টকা বিনিয়োগ হৈছে। কেৱল ভাৰতবৰ্ষতে নহয় অসমকো আমি সমৰ্থন কৰিব পাৰো।

মাননীয়া উপাধ্যক্ষা মহোদয়া, ট্ৰেঞ্চফৰমাৰ আৰু ডিচট্ৰিবিউচনৰ ক্ষেত্ৰত অসমত মুঠ ৫০০ মেগাৱাট উৎপন্ন হয়। ট্ৰেঞ্চফৰমাৰ আৰু ডিচট্ৰিবিউচন চলি আছে ইয়াৰ ক্ষমতা ৫০০ মেগাৱাটৰ পৰা ১৩০০ মেগাৱাটলৈ বৃদ্ধি কৰিবৰ কাৰণে আশা কৰা হৈছে।। এই দায়িত্বশীল চৰকাৰে ৫০০ মেগাৱাটৰ ট্ৰেঞ্চফৰমাৰ আৰু ডিচট্ৰিবিউচন প্ৰক্ৰিয়াৰ পৰা ১৩ শ মেগাৱাট বৃদ্ধি কৰিবৰ কাৰণে সক্ষম হবলৈ আগবাঢ়িছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, কিছুদিনৰ আগতে টাটা কোম্পানীয়ে এটা প্ৰস্তাৱ যোগে আমাৰ অসমত ব্যৱসায় বাণিজ্য মুকলি কৰিবৰ কাৰণে আগবাঢ়ি আহিছে। ব্যৱসায় বাণিজ্যত উন্নতি নেদেখিলে কোনো উদ্যোগপতিয়ে ব্যৱসায় বাণিজ্য কৰিবলৈ আগবাঢ়ি নাহে। বিদ্যুৎ শক্তি উন্নতি হোৱাৰ কাৰণে আগবাঢ়ি আহিছে। সেইকাৰণে আমি ভাল পাইছো কাৰণ বেছি বিনিয়োগ কৰিবৰ বাবে মন মেলিছে। অসমৰ বিষয়া কৰ্মচাৰী সকলে এচ. ডি. অ' ক শ শ বাৰ ৰিং কৰিব লগা হৈছিল এতিয়া ১০-২০ বাৰ মান কৰিব লাগে। মই বিধায়ক হিচাপে কৈছো মোৰ সমষ্টিত যি কেইটা ট্ৰেঞ্চফৰমাৰ দিছিল ভাল কৰা হৈছে। কৰ্মচাৰী সকল গতিশীল হৈছে। বিৰোধী পক্ষই এই কাট মোচনটো সমালোচনা নকৰি চৰকাৰখনৰ কাম-কাজবিলাক উন্নতি কৰি লগতে শক্তি বিভাগটোৰ আমুল পৰিবৰ্ত্তন কৰিব পাৰে তাৰ কাৰণে মই এইটো সমৰ্থন জনাইছো।

**Madam Deputy Speaker :** Now, Hon'ble Member, Shri Ataur Rahman Mazarbhuyan.

**মওলানা আতাউর রহমান মাঝার ভুইঞা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজ আমাদের শক্তি মন্ত্রী মহোদয় যে অতিরিক্ত ১৭৭৮৬.৪৮ লাখ টাকার

মঞ্জুরী পেশ করেছেন আমি তার বিরোধীতা করে যে কর্ত্তন প্রস্তাব উৎথাপিত হয়েছে তা সমর্থন করে আমার বক্তব্য তুলে ধরছি।

মহোদয়া, মন্ত্রী মহোদয় যে পরিমানের অতিরিক্ত দাবী মঞ্জুরী পেশ করেছেন তা আমরা সমর্থন করতাম যদি তিনি সেই অনুপাতে আসামবাসীকে বিদ্যুৎ যোগান দিতে সমর্থ হতেন। মহোদয়া, আমরা সবাই জানি যে আধুনিক যুগে বিদ্যুতই হচ্ছে উন্নয়নের প্রতি ক্ষেত্রেই বিদ্যুৎ অপরিহার্য্য। তাছাড়া, আমাদের দৈনন্দিন জীবনের নিত্যসঙ্গী হলো এই বিদ্যুৎ। আমানের রন্ধন শালায়, পোষাক ধোত বা ইস্ত্রি কার্য্যে, ছাত্র-ছাত্রীদের পড়াশুনা ইত্যাদি সব ক্ষেত্রেই বিদ্যুতের প্রয়োজন রয়েছে। আমাদের দৈনন্দিন কাজে ৮০ শতাংশ কাজই বিদ্যুৎ ছাড়া সম্ভব নয়, কিন্তু বাস্তব ক্ষেত্রে আমরা কি দেখছি ? আমরা দেখছি বিদ্যুৎ আজ সর্বত্র একটা খেলার সামগ্রী হিসেবে গন্য করা হচ্ছে। এই বিদ্যুৎ কখন আসে কখন যায় তা কেউ বলতে পারে না। বিদ্যুৎ এলে জনসাধারনের মধ্যে হৈ চৈ পরে যায়। এই অবস্থা চললে ছাত্র-ছাত্রীদের পড়াশুনা কি ভাবে হবে ? আজ গ্রামের শহরের ছাত্র-ছাত্রীদের মোমবাতি জ্বালিয়ে পড়াশুনা করতে হচ্ছে। অনেক হাস্পাতালে অপারেশন করা হচ্ছে মোমবাতি জ্বালিয়ে। আমাৰ বক্তব্য হলো এই অৱস্থাৰ জন্য দায়ী কে ? আমাদেরতো রিসর্সের কোন অভাব নেই। আমাদের রাজ্যের রিসর্স কাজে লাগিয়ে বিদ্যুত উৎপাদন করে বাইরে নিয়ে যাওয়া হচ্ছে। আর আমরা পুনরায় সেই বিদ্যুত কিনছি। আমাদের পাশ্ববর্ত্তী রাজ্য গুলু ছোট হলেও তারা নিজস্ব রিসর্স কাজে লাগিয়ে বিদ্যুত উৎপাদন করে স্বাবলম্বিতা হয়ে উঠেছে। ঐসব রাজ্যের বিদ্যুতের অবস্থা আজ অনেক উন্নত। অন্যদিকে আমাদের রাজ্যে প্রচুর গ্যাস, জলসম্পদ থাকা স্বত্বেও আমরা তা কাজে লাগিয়ে বিদ্যুত উৎপন্ন করে স্বাবলম্বি হতে পারছি না। আমি মন্ত্রী মহোদয়কে এই সব রিসর্স কাজে লাগিয়ে অতিরিক্ত ভাবে বিদ্যুত উৎপাদনের ব্যবস্থা করার জন্য অনুরোধ করছি।

মহোদয়, আমরা দেখেছি যে গ্রামে ১০ টা বিদ্যুতের খুটা পুততে কোনো কোনো ক্ষেত্রে ৪০ লক্ষ টাকা দাবী করা হয়। কিন্তু তাতে বিদ্যুতের

কোনো যোগান ধরা হয় না। এইভাছ্ৰ গ্রামাঞ্চলে হাজার হাজার খুটি পুতা হয়েছে। কিন্তু তাঁর লাগানো হয় নি। আবার কোথাও তাঁর আছে তো বিদ্যুতের যোগান দেয়া হয়নি। দেখে মন হয়- 'মুঁচ আছে কিন্তু দাড়ি নাই'। এমতাবস্থায় মন্ত্রী মহোদয় অতিরিক্ত যে টাকা দাবী করেছেন তা আমরা সমর্থন করতে পারি না। তাই আমি আমাদের উৎথাপিত কর্তণ প্রস্তাব সমর্থন কৰে আমার বক্তব্য শেষ করছি।

**Madam Deputy Speaker :** Now, Hon'ble Member, Shri Uddhab Barman.

**শ্রীউদ্ধৱ বৰ্ম্মণ ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, চাপলিমেণ্টাৰী ডিমাণ্ডৰ যিটো কাট মোচন অনা হৈছে এই সন্দৰ্ভতে মই দুই আষাৰ কথা কব বিচাৰিছো। ইতিমধ্যে বহুতো আলোচনা কৰিছে। আমাৰ ৰাজ্যখনৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক দিশত আগবাঢ়িবলৈ হ'লে বিজুলীৰ গুৰুত্ব ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। ৰাজ্যখনত দেখিছো বিজুলী বিভাগটো সম্পৰ্কে বিভিন্ন সমালোচনা হৈছে। বিজুলী বিভাগৰ কৰ্মকৰ্ত্তা সকল বিভিন্ন ঠাইৰ ৰাইজৰ আক্ৰমণৰ সন্মুখীন হৈছে। লোড চেডিং হয় কিন্তু জাননী নিদিয়ে। গাঁও অঞ্চলত দিনৰ পিচত দিন ধৰি বিজুলী ৰাইজে নাপায়। ইয়াৰ প্ৰধান কাৰণ হৈছে উৎপাদন কমি গৈছে। আমাৰ ৰাজ্যখনত যিমানখিনি বিজুলীৰ প্ৰয়োজন সিমানখিনি উৎপাদন হোৱা নাই। ৫৭৪ মেগাৱাট সামৰ্থৰ ভিতৰত মাত্ৰ ২০০ মেগাৱাটহে উৎপাদিত হয়। এতিয়া কেৱল মাত্ৰ লাকুৱা নামৰূপত ১০০ মেগাৱাটহে উৎপাদিত হয়। ইয়াৰ প্ৰধান কাৰণ হৈছে গেছ চাপ্লাই। গেছ চাপ্লাই যি পৰিমাণে হব লাগিছিল সেই পৰিমাণতকৈ কমি গৈছে। চন্দ্ৰপুৰত ফাৰ্নেজ অইলৰ অভাৱত বিজুলী উৎপাদন নাইকীয়া হৈছে। তেলৰ দাম বাঢ়িছে। সেই ক্ষেত্ৰত বিজুলী উৎপাদনৰ ব্যয় অভাৱনীয়ভাৱে বৃদ্ধি পাইছিল। তাৰোপৰি কেন্দ্ৰীয় চৰকাৰে যি চাবচিডি দিছিল সেই বিলাকো নাইকীয়া হৈছে বা বহু পৰিমাণে কমি গৈছে। সেই কাৰণতেই চন্দ্ৰপুৰ বন্ধ হৈছে। আমাৰ ইয়াৰ বাহিৰে নিজা

উৎপাদন নাই। নিজা উৎপাদন নহ'লে সমস্যা সমাধান কৰিব নোৱাৰি। উৎপাদন নোহোৱাৰ ফলত বিভিন্ন কেন্দ্ৰৰ পৰা কিনি লব লগা হৈছে। ডি. এল. এফ. ৰ লগত যোগাযোগ কৰিছে নে নাই ? সন্দেহজনক ডি. এল. এফ. ৰ লগত থকা এগ্ৰিমেণ্টটো ৰিভিউ কৰাৰ প্ৰয়োজন। উৎপাদনৰ উপৰিও ট্ৰেন্সমিচন আৰু ডিচট্ৰিবিউচনৰ কথা আছে। উৎপাদন কমিছে কিন্তু ট্ৰেন্সমিচন আৰু ডিচট্ৰিবিউচন বাঢ়িছে। কিছুমানৰ মতে এই লোকচান শতকৰা ৫১ ভাগ বাঢ়িছে। কিছুমানৰ মতে আকৌ ৪৬ শতাংশ। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে এনে লোকচান হ্ৰাসৰ বাবে কিছুমানৰ মতে বিভিন্ন ব্যৱস্থা লৈছে। পাৱাৰ ৰিৰ্ফমৰ ক্ষেত্ৰত টি. এন. ডি. এ লোকচান কৰাৰ বাবে চেণ্ট্ৰেল গভৰ্নমেণ্ট আৰুএ ডি বি য়ে ধন আগবঢ়াইছে। আমাৰ চৰকাৰে ২০০৩ বিজুলী এক্ট মতে ৰিৰ্ফম বা সংস্কাৰ কৰিছে। এ. এচ. ই. বি. ক বিভিন্ন কোম্পানীলৈ বিভাজন কৰা হৈছে। গুণগত ভাৱে বিজুলী ৰাইজক সূলভ মূল্যত দিয়াৰ ব্যৱস্থা কৰিম বুলি চৰকাৰে কৈছিল। বিজুলীৰ নাটনি আৰু মাছুল কমা নাই। কিন্তু উৎপাদন বঢ়াব নোৱাৰিলে সমস্যা থাকিয়ে যাব। আজি তামিলনাডু, অন্ধ্ৰপ্ৰদেশত এনাৰ্জি অডিটিং যি গুৰুত্ব সহকাৰে লৈছে তেওঁলোকে উদ্বৃত্ত বা অতিৰিক্ত এনাৰ্জি আন ৰাজ্যলৈও পঠিয়াব পৰা ব্যৱস্থা লৈছে। ফলত বাহিৰৰ এনাৰ্জি ঘাটি থকা ৰাজ্যবোৰৰো সমস্যা সমাধানৰ সহায়ক হৈছে। আমাৰ ইয়াত এনাৰ্জি অডিটিং যি ধৰণে গুৰুত্ব পাব লাগিছিল সেই ধৰণে পোৱা নাই। যিখিনি উৎপাদন কৰিছে সেইখিনিও ঠিকমতে ডিষ্ট্ৰিবিউচন কৰিব পৰা নাই। তাৰ ফলত সমস্যা কমক চাৰি যথেষ্ট পৰিমাণে বৃদ্ধিহে পাইছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, এফালে বিদ্যুৎ উৎপাদন কমি গৈছে, যিটোৰ প্ৰতি আমি লক্ষ্য কৰা দৰকাৰ। বিদ্যুৎ উৎপাদনৰ কাৰণে কোনো ধ্ৰণৰ ফলপ্ৰসু ব্যৱস্থা লব নোৱাৰাৰ কাৰণে আজি আমাৰ ৰাজ্যখনত সমস্যাবিলাক বাঢ়ি গৈছে। আন কিছুমান কথালৈ মনোযোগ দিয়া দৰকাৰ। যেনে তাত কাম কৰি থকা ইঞ্জিনিয়াৰ আৰু অন্যান্য সাধাৰণ কৰ্মচাৰী সকলৰ বহুতো সমস্যা আছে। তেওঁলোকৰ সমস্যা উপলব্ধি কৰি সেইবিলাক সমাধানৰ

ব্যৱস্থা নললে বিদ্যুতৰ সমস্যা বাঢ়িহে যাব, নকমে। এইসকল কৰ্মচাৰী বিদ্যুৎ সেৱাৰ লগত জড়িত কিন্তু তেওঁলোকে কি সা-সুবিধা পাইছে, সেইটো বিদ্যুৎ পৰিষদ আৰু চৰকাৰে লক্ষ্য ৰখাটো প্ৰয়োজন। কিন্তু লক্ষ্য কৰা গৈছে আমাৰ চৰকাৰে বিদ্যুৎ পৰিষদ ভাঙি দি বিভিন্ন কোম্পানী কৰাৰ আগতে কৰ্মচাৰী সকলৰ পি. এফ. আৰু অন্যান্য সা-সুবিধাৰ সমস্যাটো সমাধান নকৰিলে। বিদ্যুৎ পৰিষদৰ কোম্পানীবোৰৰ ওপৰত এই বোজা জাপি দিয়া হৈছে। কৰ্মচাৰী সকলৰ সা-সুবিধা দিয়াৰ দায়িত্ব চৰকাৰে বহন কৰাৰ বিপৰীতে এতিয়া গ্ৰাহকৰ ওপৰত নতুন বোজা জাপি দিছে এই বোজা মাছুল বৃদ্ধিৰ জৰিয়তে জাপি দিব বিচাৰিছে। যিটো ক্ষতিকৰ। ৰাজীৱ গান্ধী বিদ্যুৎ মিচনৰ যোগেদি গাঁৱে-ভূইয়ে বিদ্যুৎ যোগানৰ যি আঁচনি লৈছে সেইটোৰ কামো সকলো জিলাতে আগবঢ়া নাই।

বিদ্যুৎ বিভাগৰ কাৰিকৰী দিশটোৰ বিভিন্ন সমস্যা আছে, সেইবিলাক সমাধানৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ? কাৰিকৰী দিশটোৰ প্ৰতি বিশেষ গুৰুত্ব নিদিয়াকৈয়ে বৰ্ত্তমানৰ ব্যৱস্থাটো চৰকাৰে ৰিফৰ্ম কিৰব আগবাঢ়িছে। এই ক্ষেত্ৰত কোনো ধৰণৰ গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা নহ'ল। ট্ৰেনচমিচন আৰু ডিচট্ৰিবিউচন বিভাগৰ সামগ্ৰীক বিকাশৰ বাবে যি ধৰণৰ ব্যৱস্থা লব লাগিছিল লোৱা হোৱা নাই। সংস্কাৰ সাধন কৰিবলৈ যাওঁতে বিভাগৰ ইঞ্জিনিয়াৰ আৰু কৰ্মচাৰী সকলৰ জৰুৰী সমস্যা সমাধানৰ কাৰণে নতুন ব্যৱস্থা লব লাগিব। কাৰ্বি লাংপি প্ৰকল্প পূৰ্নজীৱিত কৰাৰ উদ্যোগক আদৰণি জনাইছো। কিন্তু এই প্ৰকল্পত বহুত ৰাজহুৱা ধনৰ শ্ৰাদ্ধ হৈছে। ইয়াত বিভিন্ন কোম্পানীয়ে কাম কৰিছে। গেমন ইণ্ডিয়াকে ধৰি ইয়াত নিয়োজিত কোম্পানীবোৰে কি কৰিছে ? বহুতো টকা-পইচাৰ শ্ৰাদ্ধ ইতিমধ্যে হৈছে কিন্তু কাম বিশেষ একো হোৱা নাই। তথাপি আমাৰ সামাজিক, অৰ্থনৈতিক উন্নতিৰ কাৰণে বিদ্যুৎ উৎপাদন বঢ়াবলৈ ব্যৱস্থা হাতত লব লাগিব। কিন্তু এই কামৰ প্ৰতি চৰকাৰে বিশেষ গুৰুত্ব দিয়া বুলি কব নোৱাৰি। বিজুলী উৎপাদনৰ আমাৰ পৰনিৰ্ভৰশীলতা বৃদ্ধি পাইছে। চাপ্লিমেণ্টাৰী বাজেট প্ৰস্তাৱৰ ক্ষেত্ৰতো উৎপাদন বৃদ্ধিৰ গুৰুত্ব দিয়া দেখা নগ'ল। আজিৰ এই কৰ্ত্তন

প্ৰস্তাৱটো সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

**Madam Deputy Speaker :** Shri Drupad Bargoain.

**শ্ৰীদ্ৰুপদ বৰগোহাঁই ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি আলোচনাৰ বাবে উৎথাপন কৰা কাট মোচনটো সমৰ্থন কৰি দুআষাৰমান কব বিচাৰিছো। অসম চৰকাৰে বিদ্যুৎ বিভাগক যথেষ্ট পৰিমানে টকা পইচা দি আহিছে। সেই টকাবিলাক সদ্ব্যৱহাৰ হৈছে নে নাই নাজানো। গতিকে এই বিষয়টো আলোচনা কৰিবলৈ এই প্ৰস্তাৱটো উৎথাপন কৰা হৈছে। ইয়াত পজিটিভ কথা থাকিলেও নিগেটিভ দিশটোও মোৰ চকুত ধৰা পৰিছে। স্বাধীনতাৰ ইমান বছৰৰ পিচতো প্ৰয়োজন অনুযায়ী বিদ্যুৎ উৎপাদন কৰিব নোৱাৰিলে। নিজৰ প্ৰয়োজন হোৱাৰ উপৰিও আমি অন্য ৰাজ্যক বিদ্যুৎ শক্তি দিব পৰাৰ থল আছিল।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আমি পাৱলিক আণ্ডাৰটেকিং কমিটিৰ ফালৰ পৰা অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডুলৈ গৈছিলো। অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডুৰ এ. এচ. ই. বি. কৰ্মচাৰী সকলৰ লগত আমি বহুত আলোচনা কৰিছিলো আৰু পৰামৰ্শ লৈছিলো। ইতিমধ্যে আমাৰ উদ্ধৱ বৰ্মন ডাঙৰীয়াই এই সৰ্ম্পকে কৈছে। এতিয়া আমি দেখিছো যে এই দুখন ৰাজ্য চেলফ চাফিচিয়েন্ট। তামিলনাডু আগৰ পৰাই বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত আগবঢ়া। অন্ধ্ৰপ্ৰদেশ আগতে নাছিল যদিও পিছত চেলফ চাফিচিয়েন্ট হৈছে। আৰু বিদ্যুত যোগান ধৰিবলৈ সক্ষম হৈছে। তামিলনাডুয়ে চেণ্ট্ৰেল চেয়াৰ যথেষ্ট পৰিমানে পায়। তদুপৰি নিজস্ব পাৱাৰো আছে। তেওঁলোকৰ নিজা পাৱাৰ উৎপাদন কৰাৰ ব্যৱস্থা আছে। তাৰ পৰা তেওঁলোকে বিদ্যুৎ বিক্ৰীও কৰিব পাৰে। আমাৰ ইয়াত বহুতো নদী আছে। ইয়াৰ পৰা যথেষ্ট পাৱাৰ উৎপাদন কৰিব পৰা যায়। ১৯৮০ চনত ডঃ কে. এল. ৰাওে কৈছিল যে ব্ৰহ্মাপুত্ৰত পাৱাৰ প্ৰজেক্ট হ'ব পাৰে। সুৰেশ প্ৰভু কেন্দ্ৰীয় শক্তি মন্ত্ৰী থাকোতে কৈছিল অসমত সৰু সৰু হাইডেল প্ৰজেক্ট হব পাৰে। তেতিয়াহ'লে অসম বিদ্যুৎ

উৎপাদনৰ ক্ষেত্ৰত বহুতখিনি আগবাঢ়িব পাৰিব। কিন্তু তেতিয়া চৰকাৰে এই কথাখিনি কৰ্ণপাত নকৰিলে। তেতিয়া যদি এই কথাখিনি কৰ্ণপাত কৰিলেহেতেন আমি বহুতো সৰু সৰু হাইডেল প্ৰজেক্ট কৰিব পাৰিলোহেতেন। অন্ধ্ৰপ্ৰদেশত সৰু সৰু হাইডেল প্ৰজেক্ট আছে। ১০ মেগাৱাট, ১২ মেগাৱাট, ২০ মেগাৱাট উৎপাদন কৰাৰ বাবে আমাৰ টকাৰ অভাৱ নহয়। আমাৰ ৰাজ্যখনৰ চাহিদা পুৰণ কৰিব পৰা কেপাচিটিও হব। আমাৰ চৰকাৰে যাতে এই কথাখিনি বিবেচনা কৰি চায় আৰু উৎপাদনমূখী ব্যৱস্থা লয় তেতিয়াহ'লে নিশ্চয় আমাৰ ৰাজ্যখনৰ বিদ্যুতৰ অভাৱ কিছু পৰিমাণে হলেও দুৰ হব। আমাৰ ট্ৰেন্সফৰ্মাৰ বিতৰনৰ ক্ষেত্ৰতো গোলমাল আছে। আমাৰ বিভিন্ন গাঁৱত ইলেকট্ৰিফিকেশ্যন নাই। উৎপাদন যথেষ্ট পৰিমাণে নহয়। মাননীয়া উপাধ্যক্ষা মহোদয়া, মোৰ নিজৰ সমষ্টি নাজিৰাত মানুহে মোক ৰিপৰ্ট কৰে চাৰ, আমাৰ লাইটৰ খুটা নাই, তাঁৰ নাই ইত্যাদি বিভিন্ন অভিযোগ কৰে। আমাৰ কিছুমান ষ্টেটিষ্টিক আছে। আমাৰ গাঁৱৰ ইলেকট্ৰিফিকেশ্যন হল শতকৰা ৭৯.৫। অন্ধ্ৰপ্ৰদেশ বা অন্যান্য ৰাজ্যত এই হাৰ শতকৰা ৯৯.৪; ৯৯.৩ শতকৰা ৯৯.৯, শতকৰা ৯৬.৫ ইত্যাদি। অসম অন্যান্য ৰাজ্যৰ তুলনাত পিচপৰি আছে। আমাৰ গাঁওবিলাকে বিজুলীবাতি পোৱা নাই। কেতিয়াবা খুটাৰ অভাৱ, কেতিয়াবা তাঁৰৰ অভাৱ। খুটা পুতিলে তাঁৰ নাইকীয়া হয়। এইদৰে গাঁওবিলাকে বিজুলী বাতিৰ পৰা বঞ্চিত হৈ আছে। তাৰ পিচত দেখা গ'ল যে ৰুৰেল ইলেকট্ৰিফিকেশ্যনৰ নামত আমি যি আশা কৰিছিলো সেই আশাৰ পৰা আমি বঞ্চিত হৈছো। ট্ৰেন্সফৰ্মাৰৰ ক্ষেত্ৰতো দেখা যায় যে হঠাৎ এটা ট্ৰেন্সফৰ্মাৰ বেয়া হৈছে, জ্বলি গৈছে, মানুহে কয় যে তাত তেল ভৰোৱা হোৱা নাই। ট্ৰেন্সফৰ্মাৰ ভাল কৰোতে বহুত সময় লাগে। বিভাগীয় ইঞ্জিনীয়াৰ বা এচ. ডি. অ'.ক সুধিলে কয় আমি ট্ৰেন্সফৰ্মাৰ ভাল কৰিববলৈ দিছো। তেওঁলোকে আৰু কয় যে মানুহে ইলেকট্ৰিচিটি বিল পে কৰা নাই। কিন্তু ৰেগুলাৰ বিল পেমেণ্ট কৰা সকলে কিয় শাস্তি ভূগিব লাগে। এই কথাবিলাক যাতে আমাৰ চৰকাৰে এটা অন্যায় কৰি আছে। ইয়াৰ পিচত চাহ বাগিছাৰ বনুৱা সকলৰ কথা মই কব খুজিছো। চাহ বাগিছাৰ বনুৱা সকলৰ বিল

মেনেজমেণ্টে পে কৰিব লাগে। মেনেজমেণ্টে পে নকৰিলে তেওঁলোকৰ দিগদাৰ হয়। মই এটা অনুৰোধ কৰিছো চৰকাৰৰ ফালৰ পৰা যাতে তেওঁলোকক ইলেকট্ৰিচিটি যোগান ধৰে। এ. এচ. ই. বি. কো মই এই ক্ষেত্ৰত পদক্ষেপ লববৈ অনুৰোধ কৰিম। গাঁও অঞ্চলতো এ. এচ. ই. বি. ব্যক্তিগত খণ্ডত কৰিলে ভাল হয়। যদি নকৰে তেনেহ'লে গাওঁ অঞ্চলৰ ৰাইজ নানা অসুবিধাৰ সন্মুখীন হব। উদাহৰণ স্বৰূপে মই চম্পক বাগিছাৰ কথাকে কৈছো আৰু বিভিন্ন বাগিছাত এনেকুৱা হৈছে। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা এটা সিদ্ধান্ত গ্ৰহণ কৰা উচিত। আমাৰ এ. এচ. ই. বি. ৰ ফালৰ পৰাও এটা সিদ্ধান্ত ললে ভাল হয়। মাহৰ পিচত মাহ ধৰি বিজুলীৰ অভাৱত থকা দোষটো চাহ শ্ৰমিক সকলৰ নহয়। তেওঁলোকৰ অসুবিধাটোৰ প্ৰতি চকু দিববৈ মই অনুৰোধ কৰিছো। এতিয়া আহো আমগুৰি প্ৰজেক্টৰ কথালৈ। আমাৰ প্ৰদীপ হাজৰীকা ডাঙৰীয়াইয়ো কৈ গৈছে ইয়াক কেনেকৈ আণ্ডাৰচাইজ কৰা হ'ল, তাৰ কাৰণ কি। গেচ নাই বুলি কয়। কিন্তু ওচৰতে সেইখন বৃহত্তম তেলপথাৰ। আমি শুনিছো কেনেৰু কম্পেনীক দিয়া হৈছে। আমি গেচৰ প্ৰব্লেমটো বিশ্বাস নকৰো। আচল কথা ক'ত লাগি আছে। চৰকাৰৰ ফালৰ পৰা মন্ত্ৰী মহোদয়ে বিচাৰ কৰি সোনকালে ব্যৱস্থা লব লাগে। অকাজু প্ৰব্লেমবোৰ ৰিভাইজ যাতে নহয় তাৰ ব্যৱস্থা লব লাগে। বিজুলী বিতৰনৰ ক্ষেত্ৰত হোৱা অসুবিধা তথা দুৰ্নীতিৰোধ কৰিববৈ মই আজি পবিত্ৰ সদনত চৰকাৰক অনুৰোধ কৰিলো। আমাৰ বিতৰনৰ ক্ষেত্ৰত যিটো লষ্ট, সেই লষ্টটো ভাৰত অন্যান্যপ্ৰদেশতকৈ বেছি। আমাৰ এ. এচ. ই. বি. য়ে চিন্তা কৰিব লাগে কি কাৰণে লষ্ট হৈছে। There is a statement showing relative performena of ASEB. ইয়াত দিছে অন্ধ্ৰপ্ৰদেশত শতকৰা ২৩.৯ ভাগ, অসমত শতকৰা ৫১.৭ ভাগ, বিহাৰত শতকৰা ৩১.৯ ভাগ ইত্যাদি। ২০০৪-০৫ চনত হাইয়েষ্ট লষ্ট হৈছে অসমত। আমি অন্ধ্ৰ, তামিলনাডুৰ দৰে এ. এচ. ই. বি. ক শক্তিশালী কৰাটো ভাল। তাত লষ্ট কমোৱাৰ কাৰণে চৰকাৰে নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ ফালৰ পৰাও চিন্তা কৰাটো ভাল। ৩৬৭৫ টা পাম্পচেটেৰে পানী যোগান ধৰে। কিন্তু বিজুলীৰ ব্যৱস্থা নাই। এইটো অন্য

ৰাজ্যত হোৱা নাই। অন্ধ্ৰত এটা কথা কৈছিল ইৰিগেচনৰ ক্ষেত্ৰত চৰকাৰে মেক্সিমাম চাবচিডি দিয়ে। সেই কথা আমাৰ চৰকাৰেও বিবেচনা কৰা উচিত। মাননীয়া উপাধ্যক্ষা মহোদয়া, এই কেইটামান কথাৰ দ্বাৰাই মই আজি কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Madam Deputy Speaker :** Now, Hon'ble Member, Shri Keshab Mahanta.

* **শ্ৰীকেশৱ মহন্ত ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি এই সন্দৰ্ভত মই কেইটামান কথা কব বিচাৰিছো। সকলো ক্ষেত্ৰৰে উপযুক্ত পৰিকল্পনা কৰিলে ৰাজ্যখন আগবাঢ়ি যায়। আমাৰ ৰাজ্যত উপযুক্ত পৰিকল্পনাৰ অভাৱ হৈছে। বিজুলীৰ বিতৰন আৰু টেন্সমিচনৰ কথা কবলৈ যাওতে কেইটামান কথা ৰোধ কৰিব নোৱাৰিলে ৰাজ্যখন উপকৃত হব নোৱাৰিব। মই বেচি দূৰৰ কথা নকওঁ সৰুসজাই আগিয়া লাইনটোৰ কিছুমান তাঁৰ চোৰে চুৰ কৰিছে। কেবাবাৰো চুৰ হৈছে। তাঁৰবোৰ কোনে চুৰ কৰে ধৰিব নোৱাৰাটো ব্যৰ্থতাৰ কথা। এই খিনিটো সোণ-ৰূপ চুৰি কৰাৰ কথা নহয়। তাঁৰখিনি চুৰ কৰি হয়টো কোনোৱা ঠিকাদাৰক বিক্ৰী কৰিছে। বাতৰি কাকতত ওলাইছে গুৱাহাটী মহানগৰীত ট্ৰেন্সফৰ্মাৰৰ তেল চুৰি কথা। এনেধৰণৰ কথাবিলাক যদি আমি বাধা দিব নোৱাৰো তেতিয়াহ'লে আমাৰ কেতিয়াও উন্নতি নহয়। পুলিচৰ আইন শৃংখলাৰ বহুতো কাম থাকে। গতিকে এই ক্ষেত্ৰত এজন এ. ডি. চি.ক দায়িত্ব দিব পাৰে চাৰ্জ কৰা বা চিজ কৰা সম্পৰ্কে। মই ভাৱো এই ক্ষেত্ৰত যদি এজন এ. এচ. ই. বি.ৰ বিষয়াক দায়িত্ব দিলে এইবোৰ ৰোধ হব। আমাৰ অসমত সুকীয়া কোনো ব্যৱস্থা নাই। অন্ধ্ৰপ্ৰদেশত ২১ খন থানা। পুলিচৰ পৰা মানুহ ডেপুটেচনত আনিছে। তেওঁলোকৰ দৰমহা ইলেকট্ৰিচিটি বোৰ্ডে দিয়ে। কিন্তু আমাৰ ৰাজ্যত এইবোৰ নিয়ন্ত্ৰণ কৰিবলৈ আমাৰ পুলিচৰ সময় নাই। তেওঁলোক ব্যস্ত বিভিন্ন ল' এণ্ড অৰ্ডাৰৰ কামত। গতিকে এইবোৰৰ কাৰণে এটা সুকীয়া ব্যৱস্থা মন্ত্ৰী মহোদয়ে

* Speech not corrected

কৰিলে ভাল হব। (Mr. Deputy Speaker vacated the Chair and Mr. Speaker occupied the Chair.)

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিবিলাক ক্ষয়-ক্ষতি হৈছে সেইবিলাক বাধা দিব লাগিব আৰু কি সুৰুঙা আছে সেইবিলাক চাব লাগিব। পৰিকল্পনাৰ ধনৰ আৱণ্টন দিলেই নহব, টকা-পইচা বেছি আহিলেই নহব, সেইবিলাক সুপৰিচালিত হৈছেনে নাই সেইটো চাব লাগিব। ধনৰ সৰকি যোৱা সুৰুঙাবোৰ নিয়ন্ত্ৰণ কৰিব লাগিব। সকলো সময়তে বেচি মঞ্জুৰী টকা পইচাৰে কোনো বিশেষ উপকাৰ নহয়। জেনেৰেচনৰ কথা কোৱা হৈছে। বঙাইগাঁওৰ ৫০০ মেগাৱাট বঢ়াই ৭৫০ মেগাৱাট উৎপাদনৰ কথা কৈছে। ইয়াৰ পৰা আমি কিমান পাম কিবা চুক্তি হৈছেনে নাই সেইটো আমি জানিব লাগে। বিদ্যুৎ সৰবৰাহ, ট্ৰেন্সফৰমেচনৰ ব্যৱস্থা কি হৈছে সেইটো খাটাংকৈ জানিব লাগে। চন্দ্ৰপুৰতো বন্ধ হৈ গৈছে। নামৰূপত ১৩২ কিলোৱাট উৎপাদনৰ পৰা নামি ৪০-৫০ কিলোৱাট হৈছে। লাকুৱাত ১২০-২৩ ৰ পৰা নামি ৫০-৬০ হৈছে। ইয়াৰ কাৰণে এটা সুপৰিচালনাৰ দৰকাৰ। তেনেহ'লে এই টকা-পইচা বিলাকৰ দ্বাৰা কাম হোৱাৰ উপকাৰ ৰাইজে পাব। শোৱানশিৰি প্ৰজেক্টত কি হব তাৰ পৰা দিল্লী ইউ পি লৈ বিদ্যুৎ সৰবৰাহ হব। সেই ক্ষেত্ৰত কি চুক্তি হব কিমান সৰবৰাহ বাহিৰলৈ যাব আৰু আমি কিমানখিনি পাম সেইখিনি জনাৰ দৰকাৰ। মন্ত্ৰী মহোদয়ে এই বিষয়ে চোৱা ভাল। নহলে সুপৰিচালনাৰ অভাৱত আমাৰ পৰা বিদ্যুৎ সৰকাই লৈ যাব। বৰাক ভেলীটো ১৬ মেগাৱাট উৎপাদনৰ কথা কৈছে। ২০০৩ ত জেনেৰেচন, ট্ৰেন্সফৰমেচন আৰু ডিষ্ট্ৰিবিউচন তিনিটা কোম্পানী কৰা হ'ল। তাৰ হেড অফিচ গুৱাহাটীতে। আপাৰ আসাম, লৱাৰ আসাম আৰু চেণ্ট্ৰেল আসামৰ মুখ্য কাৰ্য্যালিয় গুৱাহাটীতে হোৱাৰ কাৰণে কামৰ সুচল হব পৰা নাই। লৱাৰ আসাম চেণ্ট্ৰেল আসামৰ এম. ডি এজনেই। ফলত তেওঁ দায়িত্ব সুচাৰুৰূপে পালন কৰিব পৰা নাই। সুচাৰুৰূপে নীতি নিৰ্দ্ধাৰিন হ'লে কামবোৰ ভালদৰে চাব পাৰিব আৰু পৰ্য্যাপ্ত বিদ্যুৎ উৎপাদন আৰু ব্যৱহাৰৰো সুবিধা হব। মাননীয় অধ্যক্ষ মহোদয়, মই আৰু দুই-চাৰিটা কথা কৈ চমুৱাই কম। মই এটা উদাহৰন দিম। আন্দোপানী বাগিছাত ১৫ বছৰ আগতে ধুমুহা আহি বিদ্যুৎ ট্ৰেন্সফৰমাৰ

ভাগে। ১৫ বছৰৰ পিচত ট্ৰেন্সফৰমাৰ দিয়া হয় যদিও তাত চাৰ্জ দিয়া লোক নাই। একেদৰে চামগুৰি চাবডিভিজনৰ কলিয়াবৰতো চাৰ্জ দিয়া লোক নাই। মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকে মাত্ৰ তিনিদিনৰ লাইত পালে সেই বাগিছাখন ১৫০ বছৰৰ পুৰণি বৃটিচৰ দিনৰে বাগিছা। তাত ১৫ বছৰ লাইট নাই। কিছুমান ক্ষেত্ৰত কমপ্লেন দিলে কয় মাছুল দিয়া নাই। ৩-৪ জন মানুহে টকা নিদিয়াৰ কাৰণে বাকী ২০-২৫ ঘৰে ভোগে। এইটো চাব লাগে যাতে এনেকুৱা নহয়। লাইন কাটি দিয়ে দুই-তিনিজন মানুহৰ বাবে। ইয়াৰ বিপৰীতে মই এটা উদাহৰন দিওঁ যে অন্ধ্ৰপ্ৰদেশত ২৪ ঘণ্টাৰ ভিতৰত লাইন নিদিলে পেনালটি ভৰে অফিচাৰে। ৪৮ ঘণ্টাৰ ভিতৰত ট্ৰেন্সফৰমাৰ ঠিক কৰিব লাগে। নহ'লে কাষ্টমাৰক পইচা দিব লাগিব। আমাৰ ৰাজ্যতো তেনেকুৱা এটা সময় ধৰি দিয়াতো ভাল হব। এক সপ্তাহৰ সীমা ধৰি নিৰ্দেশ দিব পাৰি। অফিচাৰ উপস্থিত থাকিব লাগে। টকা-পইচা আহিলেই নহব কামখিনি চিজিল কৰিব লাগে। মই এটা উদাহৰণ দিম। চামগুৰি চাবষ্টেচনত লাইনমেন এজন মৰিল। তাৰ পৰা উদ্ৰ কৰি বেলেগ পিনে নিছিল। মানুহ দিব লাগে। এই বিলাক ক্ষেত্ৰত বেছি ভাগ ৰাইজৰ প্ৰতিনিধিয়ে ভোগে। কাৰণ সকলোবোৰ ৰাজনৈতিক দলৰ লোকৰ ওচৰলৈ ৰাতিপুৱাৰ পৰা বিদ্যুৎ বিভাগৰ আপত্তি লৈ ৰাইজ আহে। কিছুমানৰ বিল বেছি হৈছে। কিছুমানৰ লাইন কাটি দিছে। কিছুমান ফ্ৰী কানেকচনৰ নামতো বিল আহে। গতিকে এই সকলো বিলাকৰ এটা সুপৰিচালনা হব লাগিব। বিশেষকৈ বাগিছা বিলাকৰ ক্ষেত্ৰত চাব লাগে। বাগিছাৰ কাৰণে এককোটি টকাৰ কাম ডিব্ৰুগড় আৰু তিনিচুকীয়াত প্ৰথমে আৰম্ভ হৈছে বুলি শুনিছো। মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত নীতি-নিৰ্দ্দেশনাবোৰ কাৰ্য্যকৰী হোৱাতো চকু দিবলৈ মই অনুৰোধ কৰিলো।

অধ্যক্ষ মহোদয়, এই বিষয়ে মজে মাজে বাতৰি কাকতত ওলাই যে ভয়াবহ অন্ধকাৰত অসম ডুব যাব। সেই কাৰণে মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো যে এই অন্ধকাৰ দহ বছৰ নহয় দুবছৰৰ ভিতৰতে হব। ৰাজীৱ গান্ধী মিছন হৈছে। ইয়াৰ যোগেদি সাতখন জিলা উপকৃত হৈছে। বাকী বিলাক হোৱা নাই। এখন গাঁওত এক ডেৰ

কিলোমিটাৰ ইলেকট্ৰিফিকেশ্বন হৈ গৈছে, আধা কিলোমিটাৰ নোছোৱাৰ কাৰণে নহয়। এইখিনি কাম কৰিবলৈ যাওঁতে ঠিকাদাৰৰ সমস্যা হয়, ইফালে হব নে সিফালে হব। এই বিলাক যাতে লক্ষ কৰা হয় তাৰ বাবে মই অনুৰোধ জনাইছো।

অধ্যক্ষ মহোদয়, দুমাহমান আগতে ডেৰগাঁওত ১১ কে. ভি. লাইন চিঙি এটি শিশু মৃত্যু মুখত পৰিব লগা হৈছে। মই স্পটত আছিলো। ঘটনাটো ঘটে টাউনৰ মাজতে ৬ নম্বৰ ওৱাৰ্ডত। যদি বিদ্যুতৰ লাইনৰ ক্ষেত্ৰত কোনো ব্যৱস্থা লোৱা নহয়, তেতিয়াহ'লে বহুতে মৃত্যুক আকোৱালি লব লাগিব। মই মোৰ বক্তব্য চমুৱাই দিছো। মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিদ্যুতৰ ক্ষেত্ৰত অতিৰিক্ত মঞ্জুৰী ললেও যে কাম হব তাত সন্দেহ আছে। এইটো ললে সকলোৱে উপকৃত হব লাগে। সেইয়ে কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Hon'ble Member, Shri Ramendra Narayan Kalita.

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ সদনত বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই বিদ্যুতৰ বিষয়ে যি গুৰুত্বপূৰ্ণ দাবী মঞ্জুৰী আনিছে, তাৰ ওপৰত মই কেইটামান পৰামৰ্শ দিব বিচাৰিছো। মই মোৰ বক্তব্য দীঘলীয়া নকৰো। আজি আমাৰ পাৱাৰৰ যি অৱস্থা হৈছে সেইটো কিয় হবলৈ পাইছে ? এই বিষয়টো আমি চালিজাৰি চাব লাগিব। আমাৰ ৰাজ্যত পাৱাৰৰ ডিমাণ্ড আঠশ মেগাৱাট হ'ল। ইয়াৰ বাবে বৰ্ত্তমানে কিমান পাই আছে ? আমাৰ কেইটামান প্ৰজেক্ট আছে। বঙাইগাওৰ ২৪০ মেগাৱাট বন্ধ হৈ আছে, চন্দ্ৰপুৰৰ ৬০ মেগাৱাট বন্ধ হৈ আছে। মাথো কাবিং লাংপি আৰু লাকোৱা চলি আছে। তাৰ পৰা উৎপাদন হয় একশ/১২০ মেগাৱাট। বিদ্যুৎ উৎপাদন যেনেধৰণে কৰিব লাগে তেনেধৰণে কৰিব পৰা নাই। জেনেৰেশ্বন, ডিষ্ট্ৰিবিউচন আৰু ট্ৰেন্সমিচন এই তিনিটা বিভাগ আছে। এ.

* Speech not corrected

ডি. বি. ৰ পৰা লোন লোৱা হৈছে। আমাৰ যদি বিদ্যুৎ উৎপাদন কৰিব পৰা নেযায় তেতিয়াহ'লে ডিষ্ট্ৰিবিউচন কৰিব নোৱাৰি। বঙাইগাওত অলপতে মাননীয় প্ৰধানমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিছে। কাৰ্বি আংলঙতো মুখ্যমন্ত্ৰীয়ে একশ মেগাৱাটৰ আৰম্ভ কৰিছিল। কিন্তু এতিয়ালৈ তাত উৎপাদনৰ কাম হোৱা নাই। যদি উৎপাদনে নহয় তেতিয়াহ'লে ৰাইজে বিদ্যুতৰ ক্ষেত্ৰত সকাহ নাপাব। এই ক্ষেত্ৰত তৎকালীন ভাৱে ব্যৱস্থা ললে ভাল হব।

অধ্যক্ষ মহোদয়, বৰষুন নোহোৱাৰ কাৰণে বিদ্যুৎ উৎপাদন নোহোৱা বুলি কৈছে। কিছু অসুবিধাৰ সৃষ্টি হৈছে। কিন্তু হাইডেলৰ ক্ষেত্ৰত সেইটো নহয়। এইক্ষেত্ৰত কিয় গুৰুত্ব দিয়া নাই। আজিৰ এই সুবিধা থকা স্বত্বেও বৰষুনৰ কাৰণে বৈ থাকিব নোৱাৰি। এইকেইটা ৰিনোভেশ্বন কৰি যদি কাৰ্য্যক্ষম কৰি তোলে তেতিয়াহ'লে বৰষুনৰ কাৰণে বৈ থাকিবলগীয়া নহয়। ১৩ শ মেগাৱাট বৃদ্ধি কৰিব লগা হৈছে আৰু তাৰ কাৰণে লোন লব লগা হৈছে। অধ্যক্ষ মহোদয়, আজি এলোটেড গেছ দিব পৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি চাবচিডি ৰেটত কেনেকৈ দিয়া হয় তাৰ চিন্তা কৰিছে। গেছ বাহিৰৰ পৰা ইমপোৰ্ট কৰিব লগা হয় কিন্তু আমাৰ অসমত গেছ থকা স্বত্বেও আন্তৰাষ্ট্ৰীয় ৰেটত গেছ লব লগা হৈছে। 'ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ যোজনা' এই আঁচনিৰ অধীনত টকা দিয়ে। সেই মতে কতো কাম হোৱা নাই, মন্ত্ৰী ডাঙৰীয়াৰ সমষ্টিত হৈছেনে কব নোৱাৰো। অসমত এই আঁচনিৰ কাম এতিয়ালৈকে হোৱা নাই। অন্ধ্ৰপ্ৰদেশৰ কথা কোৱা হৈছে, তাত যি চিষ্টেমত ষ্টেট ইলেকট্ৰিছিটি প্ৰজেক্ট কৰি কাম কৰিছে তাত প্ৰশাসনৰ দৃষ্টি আছে। আজি অন্ধ্ৰপ্ৰদেশত যিটো চিষ্টেমত কাম কৰিছে সেই প্ৰসংশনীয় হৈছে। সেই কাৰণে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো আপোনালোকে এটা টীম লৈ তেওঁলোকে পাচ বছৰীয়া পৰিকল্পনা লৈ যি ধৰণে কাম কৰিছে সেইবোৰ চাই আহক। তেওঁলোকে এচ. ই. বি. ৰ কাম বিলাক চোৱাচিতা কৰাৰ কাৰণে ট্ৰাইবুনেল কৰিছে। মন্ত্ৰী মহোদয়ে যিহেতু সংস্কাৰৰ কথা কৈছে সেই কাৰণে অসমতো পাৱাৰ জেনেৰেচনৰ ক্ষেত্ৰত সংস্কাৰ সাধন কৰিলেহে আমাৰ এই ক্ষেত্ৰত উন্নতি হব।

**Mr. Speaker :** Hon'ble Minister, Power will reply now.

* **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে বিৰোধী দলৰ মাননীয় সদস্য সকলক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই শক্তিখণ্ডত গুৰুত্ব দিয়াৰ দৰে এইবাৰ বিৰোধী দলৰ সদস্য সকলেও বিদ্যুৎ খণ্ডত গুৰুত্ব দিয়াৰ কাৰণে আজি কৰ্ত্তন প্ৰস্তাৱত আলোচনা কৰিবলগীয়া বিভাগবোৰৰ ভিতৰত বিদ্যুৎ বিভাগটোক প্ৰথম স্থান দিয়া হৈছে। এই ক্ষেত্ৰত আজি আলোচনাত ভাগ লৈ যি সকল বিধায়কে দিহা পৰামৰ্শ আগবঢ়াইছে সেই ক্ষেত্ৰত মই সৃষ্টিশীল দৃষ্টিভঙ্গী আগত ৰাখি আপোনালোকৰ আগত এক চমু উত্তৰ দিব পাৰিম বুলি আশা ৰাখিছো।

অধ্যক্ষ মহোদয়, মই আমাৰ আগৰ চৰকাৰৰ দিনটো এই বিভাগটোত চাৰে তিনি বছৰ কাল কাম কৰিছো আৰু এতিয়াও ইতিমধ্যে ৬ মাহ কাল পাৰ কৰিলো আৰু আজি বিদ্যুৎ নাটনিৰ ক্ষেত্ৰত আমি যিবোৰ সমস্যাৰ সন্মূখীন হৈছো সেই কথাৰো বিভিন্ন সময়ত প্ৰকাশ হৈ আহিছে। গতিকে এই সমস্যা ৰাজ্যৰ পৰা আমি কেনেকৈ নিস্কাসন পাব পাৰো তাৰ কাৰণে আমি ব্যৱস্থা হাতত লব লাগিব। অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কব খোজো যে দ্বিতীয় মহাযুদ্ধৰ সময়ত উইনষ্টন চাৰ্চিলে এটা কথা কৈছিল। তাৰ অসমীয়া অনুবাদ এনেধৰণৰ। আজি ময়ো সেই লাখুটিডালৰ পংকিলময় অংশটো চুব লগা হৈছে। আজি আমি অসমত মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈৰ নেতৃত্বতে তেখেতৰ সহযোগত এই পংকিলময় অৱস্থা নাইকীয়া কৰাৰ কাৰণে আগবাঢ়িছো। আজি আমাৰ বিধায়ক সকলে যিবোৰ কথা দাঙি ধৰিছে তাত আমাৰ দ্বিমত নাই। বিদ্যুৎ খণ্ডত আমাৰ যিবিলাক সমস্যা আছে সেই সমস্যা সমূহে আমাক ভাৰাক্ৰান্ত কৰি তুলিছে। আমাৰ যিখিনি চাহিদা আছে সেইখিনি পুৰণ কৰাৰ কাৰণে আমি এই বিভাগটোক যিমানখিনি শক্তিশালী কৰিব লাগিছিল সেইখিনি কৰিব পৰা নাই। আমাৰ মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাকে ধৰি কেইবাজনো মাননীয় সদস্যই ৰাজ্যখনৰ বিদ্যুতৰ নাটনি সম্পৰ্কে উল্লেখ কৰিছে। এই ক্ষেত্ৰত মই কওঁ যে ৰাজ্যখনত গধুলি সময়ত

* Speech not corrected

য'ত ৮০০ মেগাৱাটৰ প্ৰয়োজন হয় সেই সময়ত আমি পাওঁ মাত্ৰ ১০০ মেগা ইউনিট। গতিকে বাকীখিনি আমি বাহিৰৰ পৰা লব লগা হয়। এই অতিৰিক্ত বিদ্যুতখিনি আমি ওচৰ পাজৰৰ ৰাজ্য কেইখনৰ পৰা আনিব লগা হয়। বাকী ৰাজ্য কেইখনৰ পৰা অনা ক্ষেত্ৰতো আমাৰ বহুতো অসুবিধা আহি পৰে। এইবোৰ বহু কথা। সেই কাৰণে আমি বিভিন্ন ব্যৱস্থা লোৱাৰ লগতে ১৯৭৯ চনতে হাতত লোৱা এটা উৎপাদন গোট সম্পূৰ্ণ কৰাৰ বাবে ব্যৱস্থা হাতত লৈছো আৰু এইটো অতি সোনকালে সম্পূৰ্ণ কৰিব পাৰিম বুলি আশা ৰাখিছো। এই ক্ষেত্ৰত আমাৰ আৰু এটা কথা আহি পৰে যে আমি যিবিলাক ঠাইৰ পৰা পাৱাৰ আনিব লগা হয় সেইবোৰৰ পৰা ৬০ শতাংশ থাৰ্মেল পাৱাৰ আৰু ৪০ শতাংশ হাইডেল পাৱাৰ আনিব লগা হয়। এতিয়া কথা হৈছে থাৰ্মেল পাৱাৰ বছৰৰ গোটেই সময়চোৱাতে পোৱা যায়, কিন্তু হাইডেল পাৱাৰ বছৰৰ ৫ টা মাহতে কমি যায়। বিশেষকৈ অক্টোবৰৰ পৰা মাৰ্চ মাহলৈকে যেতিয়া বৰষুণ কমি যায় তেতিয়া হাইডেল পাৱাৰ জেনেৰেচন প্ৰায় বন্ধ হৈ যায় আৰু সেই কাৰণে আমি বাহিৰৰ পৰা পোৱা পাৱাৰখিনিও কমি যায়। সেই কাৰণে এই লীন চিজনৰ সময়ত আমাৰ বিজুলী নাটনি সমস্যাটো বৃদ্ধি পায়। মাননীয় সদস্য কলিতা ডাঙৰীয়াই কৈছে যে শক্তি বিভাগটো একেবাৰে ব্যৰ্থ হৈছে। সেই কাৰণে এই ক্ষেত্ৰত ময়ো কৈছো যে লাখুটিডালৰ সেই পংকিলময় অংশখিনি ময়েই চুব লগা হৈছে আৰু সেইখিনি মই পৰিস্কাৰ কৰিব লগা হৈছে। আমি আশা ৰাখিছো এই বিভাগটোৰ দুৰ্গতি নাইকিয়া কৰাত আমি চেষ্টাৰ ত্ৰুটি নকৰো।

অধ্যক্ষ মহোদয়, আমি 'নিপকোৰ'ৰ পৰাও যথেষ্টখিনি বিদ্যুৎ আহৰণ কৰিব লাগে। কিন্তু তেওঁলোকেও ইয়াৰ আগতে আমাক যি ধৰণে বিদ্যুৎ যোগান ধৰিছিল সেই পৰিমাণ ক্ৰমান্বয়ে কমি গৈছে। ২০০৪ চনত তেওঁলোকে আমাক যিমানখিনি বিদ্যুত যোগান ধৰিছিল সেই অনুপাতে ২০০৬ চনত ২৭ শতাংশ যোগান কমি গৈছে। ইয়াৰ কাৰণ হ'ল এইবাৰ উত্তৰ পূৰ্ব্বাঞ্চলত হোৱা অভূটপূৰ্ব খৰাং। বৰষুন নোহোৱাৰ কাৰণে বাহিৰৰ ৰাজ্য কেইখনে যি পৰিহাৰত বিদ্যুত যোগান দিব লাগিছিল সেইটো তেওঁলোকে কৰ্ত্তন কৰি

দিছে। তাৰ ওপৰতে আকৌ ভূটৰ ওপৰত দানব পৰাৰ দৰে এইবাৰ ৰঙানদী প্ৰকল্পটোও বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে। তাৰ পৰা আমি ১৫০ মেগাৱাট বিদ্যুত আহৰণ কৰিব পাৰিছিলো। কিন্তু তাৰ টানেল লীক হোৱাৰ কাৰণে প্ৰথমতে ১০ দিনৰ কাৰণে বন্ধ ৰাখিছিল যদিও পিচত ৪৫ দিনৰ কাৰণে বিদ্যুত যোগান বন্ধ ৰাখে আৰু এতিয়া প্ৰায় বন্ধ হোৱাৰে উপক্ৰম হৈছে। এনে অৱস্থাৰ সমুখীন হৈয়ো চৰকাৰ নিলীপ্ত হৈ বহি থকা নাই। আমাৰ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া আৰু মই নিজে দিল্লীলৈ গৈ কেন্দ্ৰীয় চৰকাৰৰ লগত কথা বতৰা পাতি কেন্দ্ৰীয় শক্তিমন্ত্ৰী শ্ৰীশুশীল কুমাৰ শিন্ধে ডাঙৰীয়াক হেচাঁ দি কেন্দ্ৰীয় চৰকাৰৰ অংশৰ পৰা ১৫০ মেগাৱাট পাৱাৰ ইষ্টাৰ্ণ গ্ৰীডৰ পৰা ডাইভাৰ্ট কৰি অসমলৈ অনাৰ ব্যৱস্থা কৰে। তাৰ বাহিৰেও এন. টি. পি. চি. ৰ পৰা ১৬৫ মেগাৱাট পাৱাৰ অসমৰ কাৰণে আৱণ্টন কৰিছে। এইটো কেৱল অসমৰ ক্ষেত্ৰতহে কৰিছে। আজি কেৱল অসমতে লড চেডিং হোৱা নাই, অন্যান্য ৰাজ্যতো হৈছে।

অধ্যক্ষ মহোদয়, আজি গোটেই ভাৰতবৰ্ষতে লোড শ্বেডিং চলি আছে। হিমাচল প্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, তামিলনাডু আনকি দিল্লীটো লোড শ্বেডিং চলি আছে। আজি সমগ্ৰ ভাৰতবৰ্ষতে অৰ্থনীতি যি গতিত আগবাঢ়িছে সেই হিচাপে অৰ্থনীতিৰ লগে লগে মানুহৰ চাহিদাও বাঢ়ি গৈছে। অৱশ্যে অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ সমস্যাৰ যথেষ্ট তাৰতম্য আছে। অলপতে চেণ্ট্ৰেল ইলেক্ট্ৰিচিটি বোৰ্ডে কৈছে যে অহা দহ বছৰৰ ভিতৰত ভাৰতবৰ্ষত নতুনকৈ এক লাখ মেগাৱাট উৎপন্ন কৰিব পৰাকৈ নতুন নতুন প্ৰজেক্ট স্থাপন কৰিব লাগিব। নহ'লে সমগ্ৰ ভাৰতত বিদ্যুতৰ সাংঘাটিক আকাল হ'ব। কাৰণ এতিয়া আমাৰ চাহিদা আগতকৈ বহু বেছি বাঢ়িছে। মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ন কলিতাই যিটো কৈছে সেইটো ঠিকেই কৈছে যে জেনেৰেশ্যনৰ ক্ষেত্ৰত কোনো নতুন প্ৰচেষ্টা হাতত লোৱা হোৱা নাই। এই কথাত ময়ো একমত। কিন্তু কথা হ'ল বি. টি. পি. এচ. বঙ্গাইগাঁও এতিয়া বন্ধ হৈ গ'ল, এইটোত ১৯৭৬ চনতে বিনিয়োগ কৰা হৈছিল ২৪০ মেগাৱাট উৎপাদনৰ কাৰণে। এইটোৰ চাৰিটা ইউনিট আছিল, কিন্তু এতিয়া সেইটো সম্পূৰ্ণৰূপে বন্ধ। ১৯৯২ চনত শেষৰ ফালে এইটো বন্ধ হৈ গ'ল। আকৌ চন্দ্ৰপুৰৰ প্ৰকল্পটোৰ

আহৰন ক্ষমতা আছিল ৬০ মেগাৱাট। এইটো ১৯৬৮ চনতে আৰম্ভ কৰা হৈছিল কিন্তু দূৰ্ভাগ্যবশতঃ বন্ধ কৰি দিয়া হ'ল। এই প্ৰজেক্ট দুটা চন্দ্ৰপুৰ আৰু বঙ্গাইগাঁও ১৯৯৮-৯৯ চনতে বন্ধ কৰি দিয়া হৈছিল অ. গ. প.ৰ দিনতে। কিন্তু তাৰ বিপৰীতে সেই সময়ৰ চৰকাৰে একো নতুন বিকল্প প্ৰকল্পৰ ব্যৱস্থা নকৰিলে। আজি কাগজে কলমে বহুত প্ৰকল্প দেখা যায় কিন্তু আচলতে কাৰ্য্যক্ষম অৱস্থাত কি কি আছে বা কেনে অৱস্থাত আছে সেই কথা বিলাক অলপ ভিতৰলৈ নগলে কোনেও জানিব নোৱাৰে। কাগজে কলমে ৫৭৫ মেগাৱাট আমাৰ শক্তি আছে বা উৎপাদন হয় বুলি দিয়া আছে কিন্তু সেইটো নহয়। এই ৫৭৫ মেগাৱাট শক্তিৰ ভিতৰত দেখুৱা আছে নামৰূপৰ পৰা ১২৪ মেগাৱাট, লাকুৱাৰ পৰা ১২০ মেগাৱাট আৰু বঙাইগাঁওৰ পৰা ১৪০ মেগাৱাট, এইটো কিন্তু এতিয়া সম্পূৰ্ণ বন্ধ। আকৌ চন্দ্ৰপুৰ প্ৰকল্পৰ পৰা ৬০ মেগাৱাট দেখুৱা আছে সেইটোও এতিয়া সম্পূৰ্ণ বন্ধ। আকৌ যোৱা সত্তৰৰ দশকতে মোবাইল গেছ টাৰ্বাইনৰ ব্যৱস্থা কৰা হৈছিল। এই ব্যৱস্থাও ১৯৯৪ চনতে বন্ধ হৈ যায়। কিন্তু কাগজে কলমে এই গোটবোৰ হিচাপত ধৰি থোৱা আছে। আনকি বৰ ডেকত ২ মেগাৱাট ধৰা আছিল সেইটোও আমাৰ সেই ৫৭৫ মেগাৱাট উৎপাদনৰ হিচাপত ধৰা আছে কাগজে কলমে। কিন্তু সেইটো বন্ধ। অসমত এতিয়া একমাত্ৰ কাৰ্য্যক্ষম আৰু বিদ্যুৎ উৎপাদনক্ষম প্ৰকল্প হিচাপে কাম কৰি আছে মাত্ৰ লাকুৱা আৰু নামৰূপ কিন্তু ইয়াৰো প্লেন্ট লোড ফেক্ট তেনেই কম। তাৰ নামৰ পিচত শতকৰা ৭ ভাগ আৰু লাকুৱাত শতকৰা ৩০ ভাগহে। তাৰ তুলনাত অন্ধ্ৰপ্ৰদেশ, তামিলনাডু, বিহাৰ, পশ্চিমবঙ্গ আদিৰ বিদ্যুৎ উৎপাদন ক্ষমতা আমাতকৈ বহুত বেছি শতকৰা ৭০ ভাগ আৰু ৯০ ভাগ পৰ্য্যন্ত। আমাৰ প্লেন্ট লোড ফেক্টবা আমাৰ প্ৰকল্পৰ কাৰ্য্যক্ষমতা, বা কাৰ্য্যকুশলতা অতি নিম্নস্তৰলৈ নামি গৈছে। তাৰ কাৰণো অৱশ্যে নোহোৱা নহয়, আমাৰ এই কামৰ বাবে যি ধৰণে গেছৰ যোগান আদি পাব লাগে সেইটো আমি নাপাওঁ। অইল ইণ্ডিয়া বা গেইল আদিয়ে গেছ যোগান দিব পৰা নাই। কাগজে কলমে গেছো তেওঁলোকে যথেষ্ট উৎপাদন আদি দেখুৱাই কিন্তু কাৰ্য্যক্ষেত্ৰত প্ৰয়োজন অনুসাৰে তেওঁলোকে গেছ যোগান দিব নোৱাৰে।

সেয়ে মাজতে আমাৰ লাকুৱা প্ৰকল্পটো উৎপাদন কমি গৈছিল। এতিয়া অতিৰিক্তভাৱে গেছ যোগান দিছে বাবে লাকুৱা প্ৰকল্পই উৎপাদন কৰিব পাৰিছে বিদ্যুৎ। মই আমাৰ লাকুৱা আৰু বিশেষকৈ নামৰূপৰ অভিযন্তা আদি বিষয়া সকলক ধন্যবাদ জনাইছোঁ এইখিনিতে কাৰণ ১৯৬৫ চনতে স্থাপন কৰা এই পাৱাৰ প্লেণ্টটো কোনোমতে তেওঁলোকে জোৰা টাপলি মাৰি চলাই আছে। কাহানিবাই ইয়াক আমি আধুনিকীকৰণ কৰিব পাৰিব লাগিছিল। যোৱা নব্বৈৰ দশকতে এইটো আমি আধুনিকীকৰন কৰিব পাৰিব লাগিছিল কিন্তু কৰা হোৱা নাই।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ন কলিতাই কৈছে যে বিতৰন আৰু পৰিবহন আদিত ইমান টকা খৰছ কৰিছে আৰু খৰছ কৰিব বিচাৰিছে কিন্তু আচল উৎপাদনৰ ক্ষেত্ৰত আমি সিমান খৰছ কৰা দেখা নাই। হয়, কথাটো সচাঁ, কিন্তু কথা হ'ল আকৌ আমি সেই প্ৰবচনৰ দৰে কব লাগিব কণীটো আগতে নে কুকুৰাটো আগত আছিল ? তেনেকুৱা কথা। আমি এতিয়া বিতৰন আৰু ট্ৰেন্সমিশ্যনত টকা বেছি খৰছ কৰিব লগা হৈছে। ২০০৩-০৪ চনত সমগ্ৰ অসমতে যি সংস্কাৰ কাৰ্য্যসুচী লোৱা হৈছিল তাত অগ্ৰাধিকাৰ ভিত্তিত আমি কিছুমান বিশেষ বিশেষ ক্ষেত্ৰত টকা খৰছ কৰা উচিত হব বুলি ভাবিছোঁ। বিনিয়োগৰ ক্ষেত্ৰত আমি কাকো বাদ দিয়া নাই। ৬৯-৭০ দশকতে আমাৰ শদিয়াৰ পৰা ধুবুৰীলৈ যিবোৰ বিতৰনৰ লাইন কৰা হৈছিল সেই বিলাক মাত্ৰ ১১ কেভিয়েটৰহে। এই বিলাকৰ দ্বাৰাই মকৰাজালৰ দৰে বনাই অসমৰে চুকে কোনে ঘৰে ঘৰে বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰা হৈছিল। সেই ব্যৱস্থাটো সত্তৰৰ দশকৰে। এই চিষ্টেমটো যথেষ্ট ত্ৰুটিপূৰ্ণ। এতিয়া আৰু এইখিনি ধাৰণ ক্ষমতা নোহোৱা হৈ আহিছে। লাইনবোৰ এনে অৱস্থাত উপনীত হৈছে যে যিকোনো সময়তে ই হয়তো খহি পৰিব। গতিকেই আজি আমি এই লাইনবোৰ শক্তিশালী কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছোঁ। তাৰ বাবে নিৰ্ম্মাণ কাৰ্য্য চলিয়ে আছে। যিহেতু সত্তৰৰ দশকতে কৰা এই লাইনবোৰৰ ধাৰনক্ষমতা নোহোৱা হৈ আহিছে গতিকেই ইয়াৰ উত্তৰণ কৰিব বিচৰা হৈছে। সেই কাৰণেই আজি আমাৰ চৰকাৰে সংস্কাৰৰ কাৰ্য্যসূচী হাতত

লৈছে। আমাৰ বৰ্ত্তমানৰ পাৱাৰৰ চাহিদা ৮০০ মেগাৱাট কিন্তু আমাৰ নেটওৱৰ্কৰ বিতৰন ও পৰিবহন ক্ষমতা ৫০০ মেগাৱাটহে। প্ৰয়োজন হ'লে অধ্যক্ষ মহোদয় আমি অন্ধ্ৰপ্ৰদেশৰ পৰাও শক্তি কঢ়িয়াই আনিব পাৰোঁ। কিন্তু কথা হ'ল আমাৰ যি আগৰে পৰা থকা লাইন আছে সেই বিলাকৰ এই শক্তি কঢ়িয়াই আনিব পৰা ধাৰন ক্ষমতা আছে নে নাই আমি সেইটো চাব লাগিব। সেয়ে আমি এতিয়া এই এগজিষ্টিং লাইনবোৰ সংস্কাৰ কৰাৰ কাৰ্য্যসূচী হাতত লৈছো। যাতে আমি আমাৰ চাহিদা অনুযায়ী বিদ্যুৎ পৰিবহন কৰিবলৈ সক্ষম হওঁ। গধুলী সময় আমাৰ সদায়ে ১৫০ মেগাৱাট চৰ্টফল হয় কিন্তু তাৰ কাৰণে আমি জৰা তাপলি মাৰি চলিবলগীয়া হয়। সেই কাৰণে আমি এদিবি এন আৰ ই চি পি প্ৰগ্ৰেমত লোন লৈ পৰিবহন আৰু বিতৰনত খৰছ কৰিবলগীয়া হৈছে। তাৰ কাৰণে ইতিমধ্যে আমি ২০০০ কোটি টকা বিনিয়োগ কৰিছো। বোধকৰো ইয়াৰ আগতে কোনো চৰকাৰেই বিদ্যুৎ শক্তিৰ কাৰণে ২০০০ কোটি টকা বিনিয়োগ কৰা নাই। এইটো সম্ভৱপৰ হৈছে একমাত্ৰ আমাৰ মুখ্যমন্ত্ৰীৰ তৎপৰতাৰ কাৰণে তেখেতে লোৱা প্ৰচেষ্টাৰ কাৰণে আমি এদিবিৰ পৰা ২০০০ কোটি টকা পাইছো। আমাৰ বহুতে এইটো লোন বুলি কৈছে কিন্তু আচলতে এইটো লোন নহয় ইয়াৰে শতকৰা ৯০ ভাগ গ্ৰাণ্ট আৰু বাকী ১০ ভাগ লোন তাকো আমি কম ৰেটৰ সুদতে দিঘলীয়া সময়ত পৰিশোধ কৰিলে হব। এনে সাহসী পদক্ষেপ কোনো চৰকাৰে আগতে লোৱা নাছিল একমাত্ৰ আমাৰ কংগ্ৰেছ দলৰ মুৰব্বী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বৰ কাৰণে সম্ভৱপৰ হৈছে। যিটো কাম আজিৰ পৰা ১৫ বছৰ আগতে কৰিব লাগিছিল সেই কাম এতিয়া আৰম্ভ কৰা হৈছে। বহুতৰে হয়তো মনত খুদুৰনী লাগিছে এই টকা ক'ত কেনেকৈ খৰছ হৈছে বুলি। অসমত এতিয়ালৈ ৬৭ টা চাব ষ্টেচন আছে। এই ৬৭ টা চাব ষ্টেচনৰ কাৰ্য্যক্ষমতা বৃদ্ধি কৰা হৈছে আৰু নতুনকৈ আৰু ৮১ টা চাব ষ্টেচন স্থাপন কৰা হৈছে। আজি অসমৰ য'তেই নাযাওক কিয় শিলচৰ, ধেমাজী, ধুবুৰী সকলোতে এই চাব চেণ্টাৰ বিলাক দেখিবলৈ পাব। ইয়াৰোপৰি ৬২০০ টা উচ্চ ক্ষমতা সম্পন্ন লাইন নিৰ্ম্মাণ কৰিবলৈ লোৱা হৈছে। এই কাম সকলো ঠাইতে চলি আছে। আমাৰ মাননীয়

সদস্য শ্ৰীঅনুপ ফুকন ডাঙৰীয়াই পৰিপূৰক দাবীৰ টকাৰে জোৰা টাপলি মৰাৰ কথা উল্লেখ কৰিছে। আমি বি টি পি এচৰ জোৰা টাপলিৰ কাৰণে টকা বিচৰা নাই। আমি বিচাৰিছো ৬২০০ টা নতুন লাইন তৈয়াৰ কৰিবলৈ বিচৰা হৈছে। আজি অসমত ১২০০০ হাজাৰ নতুন ট্ৰেন্সফৰ্ম্মা লাগে। আজি এডিবিৰ টকাৰ পৰা আমি অসমৰ সকলো ঠাইতে কম্পিউটাৰাইজ বিলিং কৰাৰ ব্যৱস্থা কৰা হৈছে। কম্পিউটাৰাইজ কৰা হ'ল সেই ব্যাখ্যাও মাননীয় সদস্যই জানিব বিচাৰিছে। ইয়াৰ উদ্দেশ্য আছিল আমাৰ এ এচ ই বিৰ পাৱাৰ গ্ৰীদ ৰিলাকে শতকৰা ৫১-৫২ ভাগ লচ কৰা বুলি সদায়ে অভিযোগ আছিল কাৰণ তাক জুখিব পৰা কোনো ব্যৱস্থা আগতে নাছিল। খালি আন্দাজতে কৈ দিয়ে যে ৫৬, ৫৭ ভাগ লচ হৈ আছে বুলি। মই নিজেও এই ক্ষেত্ৰত সন্দিহান আছিলো। এতিয়া আৰু কোনেও ফাকি দিব নোৱাৰে এডিবিৰ আৰ্হিত এতিয়া কম্পিউটাৰাইজ হোৱাৰ পাছত সকলোৰে একাউণ্টেবুল হব লাগিব। কিমান টকা বিলিং কৰিলে কিমান লচ কৰিলে সমস্ত হিচাৱ থাকিব এতিয়া ইয়াৰ দ্বাৰা যথেষ্ট লচ কমি যাব। মই মাননীয় সদস্য সকলক জনাবলৈ পাই সুখী হৈছো যে অসমত ২০০৩-২০০৪ চনৰ পৰা এই সংস্কাৰ কাৰ্য্যসূচী লোৱাৰ পাছত এ এচ ই বিৰ শতকৰা ৩ ভাগ লচ কমাব পাৰিছো অৰ্থাৎ এ এচ ই বিয়ে মাহেকত ৪ কোটি টকা চেভ কৰিবলৈ সক্ষম হৈছে, এই সংস্কাৰ কাৰ্য্যসূচী চলি থাকিলে এ এচ ই বিৰ আৰু বহুত লচ কমাব পৰা যাব। এই অৱস্থাটো এটা সময়ত আমি দিল্লী আৰু অন্ধ্ৰপ্ৰদেশৰ সাৰিলৈ লৈ যাব লাগিব। অৱশ্যে এডিবিৰ বিনিয়োগৰ যোগেদি আজিয়েই আমি সফল হোৱা নাই। এই ক্ষেত্ৰত ময়ো সন্তুষ্ট নহয় আৰু তেখেত সকলকো কৈছো। কিন্তু তেখেত সকলে কৈছে যে ৰাতিৰ ভিতৰতে আমি অসম্ভৱটোক সম্ভৱ কৰিব নোৱাৰো। এনহেঞ্চটো আমি লাহে লাহে কৰিব লাগিব। এই ক্ষেত্ৰত মই এ এচ ই বিৰ চেয়াৰম্যান আৰু বিষয়ববীয়া সকলৰ লগতো কথা বতৰা পাতিছো। মই কৈছো যে আপোনালোকৰ কাম-কাজত আমি সন্তুষ্ট নহয়, কাম বিলাক লেহেমীয়া হৈছে খৰতকীয়া কৰক। তেওঁলোকেও কিন্তু জেনেৰেচনত অগ্ৰাধিকাৰ দিছে। ৫৭৫ মেগাৱাট চাহিদাৰ বিপৰীতে মাত্ৰ আমাৰ উৎপাদন

হয় ১০০ মেগাৱাট। অসমৰ শক্তি বিভাগে বিভিন্ন কাগজ পত্ৰত নেচনেল পেপাৰতো বিজ্ঞাপন দিছো আমি বিভিন্ন ঠাইৰ পৰা শক্তি বিচাৰিছো। বিটিপিএ যিটো প্ৰকল্প সেইটো ১৯৯৮ চনতে বন্ধ হৈ গ'ল। মোৰ বন্ধু আগৰ শক্তি মন্ত্ৰী শ্ৰীহিতেন গোস্বামী ডাঙৰীয়াই মোক কৈছিল যে অসমত কাম কৰা বৰ দিগদাৰী। কাৰণ ২০০০ চনতে অকদেন নামৰ কোম্পানী এটাই বিটিপিএচ লবলৈ আগবাঢ়ি আহিছিল। তেওঁলোকক তেতিয়া দিয়া হ'লে তেওঁলোকে ইয়াক ২০০৩ চনত কাৰ্য্যক্ষম কৰিব পাৰিম বুলি কথা দিছিল আৰু তাৰে পাৱাৰ ১৯০ আৰু ২৪০ টকাত এ এচ ই বিক বিক্ৰী কৰিবলৈ চুক্তিবদ্ধ হৈছিল কিন্তু অসমত তেতিয়া হুলস্থূল লাগিল যে অসম চৰকাৰে অকদেনক গতাব বিচাৰিছে কিন্তু তাৰ পিচত তাৰ যিবিলাক টাৰবাইন ইত্যাদি মামৰে ধৰিলে আৰু তেওঁলোক আহি ক'লে আমি এপদো বস্তু তাৰ পৰা ব্যৱহাৰ কৰিব নোৱাৰো। ফলত সেই সামগ্ৰীবিলাক স্ক্ৰেপ হিচাৱত বিক্ৰী কৰিব লাগিব। এইটো বৰ লজ্জাজনক কথা। তেতিয়া অদেনক দিয়া হ'লে এই অৱস্থা নহ'লহেতেন। বৰ্ত্তমান পশ্চিমবঙ্গত পাৱাৰ চাৰপ্লাচ আছে আমি মাননীয় সদস্য শ্ৰীউদ্ধৱ বৰ্মন আৰু শ্ৰীঅনন্ত ডেকাৰ দৃষ্টি আকৰ্ষন কৰি কব বিচাৰিছো আমি পশ্চিমবঙ্গৰ পৰা শক্তি বিচাৰি শক্তি মন্ত্ৰীৰ লগতো বহিছিলো কিন্তু তেওঁলোকে আমাৰ অনুৰোধ মানি নললে। যাৰ কাৰণে আমি আজি লেংকো, ৰিলায়েঞ্চ আদানি আদি কোম্পানীৰ পৰা ৫ টকা ৰেটত শক্তি কিনিবলগীয়া হৈছে। আমি অতীতলৈ ঘূৰি যাব লাগিব। সময়োপযোগী সিদ্ধান্ত লোৱাত অসমে সদায় পিচ পৰি থাকিলে নহব। চাহিদা অনুযায়ী যিহেতু পাৱাৰ যোগান ধৰিব পৰা নাই গতিকে নতুন প্ৰজেক্ট লব লাগিব। সংস্কাৰৰ ক্ষেত্ৰত মই কব বিচাৰিছো আমাৰ মাননীয় সদস্য অনুপ ফুকন ডাঙৰীয়াই সংস্কাৰ কাৰ্য্যসূচী ভাল পোৱা নাছিল। পশ্চিমবঙ্গত বাওপন্থী দলৰ চৰকাৰ চলি আছে। কিন্তু তাতো সংস্কাৰ কাৰ্য্যসূচী লোৱা হৈছে। কলকাতাৰ যিটো পাৱাৰ চাপ্লাই প্ৰজেক্ট আছে সেইটো এটা ব্যক্তিগত খণ্ডত চলি আছে। কলকাতা ইলেকট্ৰিক চাপ্লাই আৰ, পি, গোৱেঙ্কাই চলাই আছে। মহাৰাষ্ট্ৰত যেতিয়া স্পেচিয়েল ইকোনমিক জোন প্লেণ্ট কৰিব বিচাৰিছিল তেতিয়া সীতাৰাম য়েচুৰীয়ে আপত্তি কৰিছিল।

কিন্তু এতিয়া হাজাৰ বিঘা মাটি স্পেচিয়েল ইকোনমিক জোন প্লেণ্ট কৰিবৰ কাৰণে দিছে। পশ্চিমবঙ্গত হাজাৰ হাজাৰ বিঘা মাটি টাটা মটৰচ্‌ক প্ৰজেক্ট বনাবলৈ দিবলৈ ওলাইছে। পশ্চিমবঙ্গৰ শক্তি মন্ত্ৰী মৃণাল বেনাৰ্জীৰ লগত মোৰ এটা ভাল সম্পৰ্ক আছে। আমি আৰ, পি গোৱেঙ্কাৰ সেই ব্যক্তিগত কোম্পানীটো কিয় নেচনেলাইজ কৰি নলয় সেই কথা সুধিছিলো। তেতিয়া তেখেতে কৈছিল এতিয়া কম্পিটিচনৰ যুগ। সেই কাৰণে কম্পিটিচনৰ দৰ্কাৰ। আজি আমি ত্ৰিপুৰাৰ পৰা পাৱাৰ কিনিবলগীয়া হৈছে। আমি ত্ৰিপুৰাৰ পৰা পাৱাৰ চাপ্লাই কৰাৰ কাৰণে ত্ৰিপুৰা চৰকাৰৰ লগত বাইলেটাৰেল এগ্ৰিমেণ্ট কৰিব বিচাৰিছিলো কিন্তু তেওঁলোকে মান্তি নহ'ল। তেওঁলোকে প্ৰাইভেট ট্ৰেডাৰ্চৰ জৰিয়তে পাৱাৰ বিক্ৰী কৰিছে যাতে বেচিকৈ পইচা উপাৰ্জন কৰিব পাৰে। পশ্চিমবঙ্গ চৰকাৰে পাৱাৰ বিক্ৰী কৰি ১ হাজাৰ কোটি ইনকাম কৰিছে। ত্ৰিপুৰা চৰকাৰেও পাৱাৰ বিক্ৰী কৰি বহুত কোটি টকা ইনকাম কৰিব পাৰিব বুলি কৈছে। সেয়েহে সংস্কাৰ আমি কৰিবই লাগিব। সংস্কাৰ সাধন কৰি আমি ৰাইজৰ চাহিদা পুৰণ কৰিবৰ কাৰণে ব্যৱস্থা লবই লাগিব। জেনেৰেচন প্ৰজেক্ট আমি লবই লাগিব। অকল দুটা প্ৰজেক্ট নহয় আমি কেইবাটাও প্ৰজেক্ট লব খুজিছো। চেণ্ট্ৰেল ইলেকট্ৰিক অথৰিটিয়ে ২০১২ চনত আমাৰ অসমত পাৱাৰ চাহিদা ১৪০০ মেগাৱাটলৈ বাঢ়ি যাব বুলি কৈছে। অসম যিহেতু উত্তৰ পূৰ্ব্বাঞ্চলৰ দুৱাৰমুখ সেয়েহে অন্য ৰাজ্যতকৈ আমাৰ অসমত পাৱাৰৰ চাহিদা বহুত বেছি বাঢ়ি যাব। তেওঁলোকৰ মতে অসমত এক নতুন যুগৰ সূচনা হব। উত্তৰ পূৰ্ব্বাঞ্চলৰ যুগসুত্ৰ ৰাজ্য হিচাবে আমাৰ ৰাজ্যখনত বিদ্যুতৰ চাহিদা বেছি হব। সেই কাৰণে আমি বেচিকৈ পাৱাৰ উৎপাদন কৰিব লাগিব। অধিক পাৱাৰ উৎপাদন কৰাৰ কাৰণে আমাৰ অসম চৰকাৰে প্ৰচপেকটিভ প্লেন হাতত লৈছে আৰু ১৮০০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰাৰ কাৰণে প্ৰজেক্ট স্থাপন কৰিব। এই প্ৰজেক্ট বিলাক ব্যক্তিগত খণ্ডতেই কৰিব লাগিব। আমাৰ যাতে সময় অপব্যয় নহয় আমি সেই বিলাক কথাও চাব লাগিব। আমি কামত আগবাঢ়ি যাব লাগিব আৰু অধিক বিদ্যুৎ উৎপাদন কৰিব লাগিব। সেই কাৰণেই আমি এ. এচ. ই. বি. ৰ তিনিটা কোম্পানী কৰিছো। তেওঁলোকৰ

মাজত এটা কম্পিটিটিভ মনোভাব জগাই তুলিবৰ কাৰণেই এইটো কৰা হৈছে। লগতে এটা একাউনটেবিলিটি কৰিবৰ কাৰণে এইটো কৰা হৈছে। এই ক্ষেত্ৰত যদি তেওঁলোক ব্যৰ্থ হয় তেতিয়াহলে বেলেগ ব্যৱস্থা লব লাগিব। বিদ্যুৎ খণ্ডৰ ক্ষেত্ৰত সেৱাৰ মানদণ্ডৰ উত্তৰণ ঘটিবই লাগিব। কিন্তু আমি যেনেধৰণে বিচাৰিছো তেনে ধৰণে এ. এচ. ই. বিয়ে কাম কৰিব পৰা নাই। এ. এচ. ই. বিয়ে এটা জন দৰদী ব্যৱস্থা গঢ়ি তোলাৰ কাৰণে ব্যৰ্থ হৈছো। আমি কনজুমাৰ সকলৰ মাজত এটা ওৱৰ্ক কালচাৰ গঢ়ি তুলিব লাগিব। যদি এ. এচ. ই. বি এই বিলাক ক্ষেত্ৰত ব্যৰ্থ হয় তেতিয়াহ'লে এ. এচ. ই. বি.ৰ সলনি বেলেগ আহিব। আমি ভালেমান প্ৰজেক্ট কৰাৰ কাৰণে চেষ্টা কৰিছো। বৰ্ত্তমান আমি ৪ টা প্ৰজেক্ট কৰিব বিচাৰিছো। হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়া শক্তিমন্ত্ৰী থাকোতে মাৰ্ঘেৰিটাৰ বৰগোলাই প্ৰকল্পটো ব্যক্তিগত খণ্ডত দিয়াৰ কাৰণে এ. এচ. ই. বি. য়ে এটা জাননী দিছিল। কিন্তু ব্যক্তিগত খণ্ডৰ পৰা এটাও বিট নাহিল। এতিয়া আমি বৰগোলাইকে ধৰি ৪ টা প্ৰকল্পৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছো। আপোনালোকে শুনি আচৰিত হ'ব যে এই প্ৰকল্পবোৰৰ কাৰণে ইতিমধ্যে ১৬-১৮ টা লব্ধ প্ৰতিষ্ঠ নেচনেল মাল্টি নেচনেল কোম্পানী আগবাঢ়ি আহিব খুজিছে। ১৯৬৫ চনতেই নিৰ্ম্মাণ কৰা নামৰূপ তাপ বিদ্যুৎ প্ৰকল্পৰ কোনো আধুনীকৰণ কৰা হোৱা নাই। আমি ২০০১ চনৰ ১ অক্টোবৰৰ পৰা গাইড় লাইন সলনি কৰিছো। সেই কাৰণে আমি নতুন গাইড লাইন লবলগীয়া হৈছে। গাইড লাইন নতুনকৈ কৰিবৰ কাৰণে গভৰ্নমেণ্টে নিৰ্দ্দেশ দিছে। আমি তেনে ধৰণৰ প্ৰজেক্ট বিলাকৰ কাম কৰাৰ কাৰণে ব্যৱস্থা হাতত ল'ম। ইয়াৰ উপৰিও আমি কিছুমান প্ৰজেক্ট লবলৈ চেষ্টা কৰিছো। লাকুৱাৰ গেচ ভিত্তিক বিদ্যুৎ প্ৰকল্পত ৩৭ মেগাৱাটৰ এটা অতিৰিক্ত প্ৰকল্প হ'ব। নামৰূপত ২০০ মেগাৱাট প্ৰকল্পৰ উৎপাদনৰ দায়িত্ব ভাৰত হেভী ইলেকট্ৰিকেল লিমিটেডে আৰু পুনৰ প্ৰতিষ্ঠা কৰাৰ দায়িত্ব লব। লংলীত ৬ মেগাৱাট, লৱাৰ কপিলীত এশ মেগাৱাট আৰু বদৰপুৰতো নতুন প্ৰকল্পৰ উৎপাদনৰ কাম আৰম্ভ হ'ব। বঙ্গাইগাঁওৰ তাপ বিদ্যুৎ প্ৰকল্পটোৰ ইকোনমিক ৰিভাইভেল সম্ভৱ নহয়। তথাপিতো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই প্ৰকল্পটোৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে।

বঙ্গাইগাঁওত এন. টি. পি. চি. য়ে ৭০০ মেগাৱাট নতুন প্ৰকল্প নিৰ্ম্মাণৰ বাবে সন্মতি দিছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই মাননীয় প্ৰধান মন্ত্ৰীক অনুৰোধ কৰিছিল ৰাজহুৱা প্ৰতিষ্ঠান এন. টি. চি. পি. সমগ্ৰ দেশতে আছে কেৱল আমাৰ উত্তৰ পূৰ্ব্বাঞ্চলতে নাই। আগৰ যিবোৰ আছিল সেইবোৰ পুৰণা হৈ গ'ল কাম নহয়। মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ অনুৰোধ ৰক্ষা কৰি এখন মিটিং পাতি ক'লে এই ক্ষেত্ৰত আমাৰ দায়িত্ব আছে অসমৰ বঙ্গাইগাঁওত নতুন প্ৰকল্প এটা পাতিব লাগিব। প্ৰথমে ৫০০ মেগাৱাট আছিল এতিয়া ৭৫০ মেগাৱাট। মাননীয় সদস্য, হাজৰীকাদেৱে কৈছে অসমত কিয় দিয়া নাছিল ? তেতিয়া প্ৰযুক্তি নাছিল। এন টি চি পিয়ে আমাক স্বত্ব দিলে। আগতে ৰাণীগঞ্জ, বিহাৰলৈকে গৈছিলে সেইটো পুনৰ ব্যৱহাৰ কৰিবৰ কাৰণে সিদ্ধান্ত লৈছে। কয়লাৰ ক্ষেত্ৰত বঙ্গাইগাঁওৰ কথা কৈছে, আমাৰ কয়লা গোটেই অসমতে বিতৰন কৰিব বিচাৰিছো। এইটো ৭০ দশকতে বন্ধ হৈ গৈছে। এতিয়া আমি অইল আৰু অ' এন জি চিৰ লগত কথা পাতিছো। আমি উজনি অসম আৰু নামনি অসমলৈকে ৫ মেগাৱাট, ১০ মেগাৱাট, ১৫ মেগাৱাটলৈকে কৰিবলৈ চেষ্টা কৰিছো। ১৪ টা চাৰ্কেলৰ কাম আৰম্ভ কৰিছো। কিছুমান খৰতকীয়া হৈছে, কিছুমান লেহেমীয়া হৈছে। কামবিলাক কৰিবৰ কাৰণে আমি এ. এচ. ই. বিক নিৰ্দ্দেশ দিছো। ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিখন ২০০৫ চনত আৰম্ভ কৰাৰ পিছত আমি সিদ্ধান্ত লৈছো। অসমত যিমান বিদ্যুৎ বিহীন গাঁও আছে সকলো গাঁও আমি সোমাই লম। অসমৰ ২৩ খন জিলা আছে এই জিলাবিলাকৰ ঘৰে ঘৰে আহিবলগীয়া বিজুলীবাতি সম্পৰ্কত সকলোবোৰ চালি-জাৰি চাই ফিল্ডলৈ গৈ চাবমিট কৰিছে। ২৩ খন জিলাৰ ডিটেইলচ্ ৰিপোৰ্ট দাখিল কৰাৰ পিছত কাম আৰম্ভ কৰা হব। তেওঁলোকে প্ৰথমে ৭ খন জিলা চেংচন কৰিছে আৰু অলপতে ৮ খন জিলাত ............

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই

* Speech not corrected

কৈছে ঠিকেই কিন্তু দেখা যায় এখন গাঁৱত ৮ টা বা ১০ টা পোষ্ট পুতি গাঁওখন ইলেকট্রিফিকেচন হোৱা বুলি কয়। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্রী মহোদয়ক জনাব খুজিছো ৰাজীৱ গান্ধী যিটো বৈদ্যুতিকৰণ আঁচনিৰ কথা কৈছে এ. এচ. ই. বিয়ে যথেষ্ট কাম কৰিলেও এইদৰে এখন গাঁৱত য'ত ৫০ টা বা ৫৫ টা খুটা প্রয়োজন হয় তাত ৮ টা বা ১০ টা খুটা দি কামটো সম্পূর্ণ হোৱা বুলি কলে নহয়।

* **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক উত্তৰ দিবলৈ দিয়ক, মাননীয় অধ্যক্ষ মহোদয়ে যদি আপোনালোকক কবলৈ অনুমতি দিয়ে কব। গাঁৱত কেৱল খুটা কেইটা থাকিলে নহয় তাত অতি কমেও এটা ট্রেন্সফৰ্মাৰ থাকিব লাগিব। গোটেইখিনি সামৰি লোৱা ওপৰিও ৫০ পাৰচেণ্ট পপুলেচন সামৰি লব লাগিব। ২৩ খন জিলা বি পি এলত চাবমিট কৰা হৈছে, তাৰে তিনিচুকীয়া, কাছাৰ, গোলাঘাট, দৰং কৰিমগঞ্জ, ডিব্রুগড়, শিৱসাগৰ, কোকৰাঝাৰ আৰু হাইলাকান্দি চাবমিট হৈছে। তিনিচুকীয়া ৫৬, কাছাৰ ৬৫, গোলাঘাট, দৰং, কৰিমগঞ্জ, ডিব্রুগড় আৰু শিলচৰ আদিক ৪৪৬ কোটি টকা, গোলাঘাটত ৩৭ কোটি টকা, মৰিগাঁও ২২ কোটি টকা, যোৰহাটত ২০ কোটি টকা, বৰপেটাত ৪৮ কোটি টকা দিছে। এইটো বি পি এল সকলোকে দিয়া হৈছে। ১৫ খন জিলাৰ কাৰণে অনুমোদন আহি আছে বাকী কেইখনৰ কাৰণে আহিব।

* **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাকত অহা নাই সেইবিলাকত আহিব বুলি আশ্বাস দিব পাৰিব নে ?

* **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি কেইখনত অনুমোদন দিয়া হৈছে বা পাইছে সেইকেইখনত কাম-কাজ হব। প্রক্রিয়াৰ মাজেদি হব আৰু বিভিন্ন পৰ্য্যায়ত অনুমোদন লাগিব। ৰাজীৱ গান্ধী গ্রাম্য আঁচনিত সোমাই লোৱা হব। পেৰামিটাৰ আমি নতুনকৈ সোমাই লবৰ কাৰণে কোৰা হৈছে।

---

* Speech not corrected

প্ৰত্যেক সমষ্টিত ২৩১ টা ট্ৰেন্সফৰমাৰ এ. এচ. ই. বিক দিবলৈ কোৱা হৈছে। আঁচনি মতে কামবোৰ কৰা হব।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, চাহবাগান বিলাকত ইনডিভিজুয়েলি মিটাৰ বহুৱাৰ আমি ব্যৱস্থা কৰিছো। এইটোৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৪৮ কোটি টকা হাতত লৈছে। এতিয়ালৈ ৩৪ খন বাগানত আৰম্ভ কৰা হৈছে। আৰু প্ৰতিখন বাগানতে একোখন কমিটি গঠন কৰি দিয়া হৈছে। আমাৰ কেন্দ্ৰীয় শক্তিমন্ত্ৰী সুশীল কুমাৰ সিন্ধেই কৈছে যে ভাৰতবৰ্ষৰ ভিতৰত অসম ৰাজ্যতেই এই প্ৰথম আঁচনি আৰম্ভ কৰা হৈছে। ৰুৰেল ইলেকট্ৰিফিকেচনৰ ক্ষেত্ৰত এমপ্লইমেণ্ট জেনেৰেচনো হব। গাৱঁ ভূয়ে প্ৰত্যেক ট্ৰেন্সফৰমাৰৰ লগত এজনকৈ এজেণ্ট দিয়া হব। এতিয়ালৈকে অসমত ৫০০ জন এজেণ্ট নিয়োগ কৰা হৈছে। আৰু এই এজেণ্টজনৰ লগত দুই-তিনিজনকৈ গাঁওৰ শিক্ষিত ল'ৰা থাকিব আৰু তেওঁলোকে বিলিং কৰিব আৰু খুতখাত বেয়া হ'লে তেওঁলোকে ভাল কৰিব। কাৰণ এ. এচ. ই. বিৰ পৰা মানুহ গৈ ঘৰে ঘৰে বিলিং কৰাটো সম্ভৱ নহয়। লগতে গাঁওৰ উপযুক্ত শিক্ষিত ডেকা ল'ৰাখিনিও সংস্থাপন হব। কাৰ্য্যদক্ষতা বাঢ়িব আৰু এইটো কাৰণত অৰ্থাৎ ডিলিং আজি কৰাৰ কাৰণে ২৫ শতাংশকৈ টকা দিয়া হব। লগতে তেওঁলোকৰ জীৱন নিৰ্ব্বাহ হব। কেন্দ্ৰীয় চৰকাৰে এ. এচ. ই. বিক এই আঁচনিৰ আৰম্ভ কৰিবলৈ নিৰ্দ্দেশ দিছে। মই আপোনালোককো অনুৰোধ কৰিছো আপোনালোক নিজৰ নিজৰ ঠাইত উপযুক্ত শিক্ষিত যুৱক থাকিলে এ. এচ. ই. বি. কৰ্ত্তৃপক্ষৰ লগত যোগাযোগ কৰিলে লাভবান হব পাৰিব। ইয়াৰ লগে লগে চৰকাৰে বিভিন্ন ধৰণে কাৰ্য্যসূচী হাতত লৈছে। এতিয়া সময়ো হৈ আহিছে। মোৰ কবলগীয়া বহুত আছিল আৰু কৈ থাকিবৰে মন গৈছিল কিন্তু সময় হ'ল। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশত এই সংস্কাৰ আগুৱাই নিবলৈ যত্ন কৰিছো। ইয়াৰ লগতে কেইবাটাও উৰ্দ্দেশ্য আছে। আমাৰ শক্তি উৎপাদনৰ ক্ষেত্ৰত সুচল আন্তঃ গাঁঠনি তৈয়াৰ কৰা। ইয়াৰ সেৱা উপযুক্ত কৰাৰ লগতে নিয়োগৰ ব্যৱস্থা কৰা। ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে মঞ্জুৰী দিছে। সেই টকাখিনি খৰছ কৰিবলৈ আমি আজি ১৭৭৮৬.৪৮ লাখ টকা অতিৰিক্ত মঞ্জুৰী

বিচাৰিছো। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিৰোধী দলৰ সকলো সদস্যই অসমৰ সংস্কাৰ কাৰ্য্যসূচী সম্পূৰ্ণ কৰি বিদ্যুৎ খণ্ডৰ সমস্যা সমাধান কৰাত সহায় কৰিব বুলি আশা ৰাখি কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনালো।

* শ্ৰীপ্ৰদীপ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কবলৈ বিচাৰিছো যে অসমলৈ ভেল আকৌ আহিল। এই প্ৰজেক্টত ভেলে মেচিন চাপলাই দিছে গতিকে মই চৰকাৰক অলপ সকিয়াই দিব বিচাৰিছো। ১৯৯০ চনতে যি প্ৰজেক্ট আৰম্ভ কৰা হৈছিল আজি ২০০৭ চনতো একো হোৱা নাই। গতিকে এইটো ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**Mr. Speaker :** Now, I request to the Hon'ble Members :-

1. 1. Shri Mission Ranjan Das,
   2. Shri Prasanta Phukan
   3. Shri Ranjit Dutta
   4. Shri Rameswar Teli
   5. Dr. Rumi Nath,
   6. Shri Sushil Dutta,
   7. Shri Kartik Sena Sinha
   8. Shri Abhijit Hazarika,
2. 1. Shri Brindaban Goswami,
   2. Shri Probin Gogoi,
   3. Shri Phani Bhusan Choudhury,
   4. Shri Nurul Hussain,
   5. Shri Ramendra Narayan Kalita,

* Speech not corrected

6. Shri Girindra Kumar Baruah,
7. Smti. Sushila Hazarika,
8. Shri Hiren Kumar Das,
9. Shri Anup Phukan,
10. Shri Joseph Toppo
11. Jyoti Prasad Das,
12. Dr. Alaka Sarma

3\. 1. Shri Anwarul Haque,
2. Shri Ataur Rahman Majarbhuyan,
3. Dr. Aditya Langthasa,

4\. 1. Shri Drupad Borgohain,

5\. 1. Shri Uddhab Barman,
2. Shri Ananta Deka

Will you withdraw your Cut Motion ?

**শ্ৰীমিশ্বন ৰঞ্জন দাস** ঃ আমি উঠাই লৈছো।

**Mr. Speaker :** Is it the pleasure of the House to grant leave to withdraw the Cut Motions ?

With the leave of the House the Cut Motions are withdrawn.

Now, I put the Motion before the House for approval.

The Motion is that an additional amount of Rs.

17786.48 lakhs be granted to to the Minister-In-Charge to defray certain charge which will come in the course of payment during the year ending 31st March, 2007 in connection with "Power (Electricity)".

Those who are in favour, say, "Ayes" ;
Those who are against, say, "Noes". ;

"Ayes" have it, "Ayes" have it, "Ayes" have it.

The Motion is passed. Grant No.62 is passed.

Now, Grant No.37, Minister, Food and Civil Supplies to move.

**Dr. Nazrul Islam (Minister) :** On the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 1041.67 lakhs be granted to the Minister-In-Charge of defray certain which will come in the course of payment during the year ending 31st March/2007 in connection with "Food Storage, Warehousing and Civil Supplies".

**Mr. Speaker :** There are as many as 5 Cut Motions-

1. 1. Shri Mission Ranjan Das,
   2. Shri Prasanta Phukan,

| | | |
|---|---|---|
| | 3. | Shri Rameswar Teli, |
| | 4. | Shri Ranjit Dutta, |
| | 5. | Shri Sambhu Sing Mallah, |
| | 6. | Dr. Rumi Nath, |
| | 7. | Shri Sushil Dutta, |
| | 8. | Shri Kartik Sena Sinha, |
| | 9. | Shri Abhijit Hazarika, |
| 2. | 1. | Shri Brindaban Goswami, |
| | 2. | Shri probin Gogoi, |
| | 3. | Shri Phani Bhusan Choudhury |
| | 4. | Shri Nurul Hussain |
| | 5. | Shri Ramendra Narayan Kalita, |
| | 6. | Shri Girindra Kumar Baruah, |
| | 7. | Shri Hiren Kumar Das, |
| | 8. | Shri Anup Phukan, |
| | 9. | Shri Joseph Toppo, |
| | 10. | Shri Jyoti Prasad Das, |
| | 11. | Dr. Alaka Sarma, |
| | 12. | Smti Sushila Hazarika |
| 3. | 1. | Shri Hafiz Basir Ahmed, |
| | 2. | Shri Sirajuddin Ajmal, |
| | 3. | Shri Ataur Rahman Majarbhuyan, |
| | 4. | Shri Anwarul Haque, |
| 4. | 1. | Shri Drupad Borgohain, |
| 5. | 1. | Shri Uddhab Barman, |
| | 2. | Shri Ananta Deka |

Now, I request all the Members to move the Motion one by one.

* **Shri Prasanta Phukan :** I beg to move that the total provision of Rs. 1041.67 lakhs under Supplementary Demand for Grant No.37 in respect of "Food Storage, Warehousing and Civil Supplies at pass 65-67 of the list of Supplementary Demands be reduced by Rs. 100.00 i.e. the amount of the whole Supplementary Demand of Rs. 1041.67 lakh do stand reduced by Rs. 100.00.

মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই কাট মোচনত মই খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ওপৰত চমুকৈ দুআষাৰমান কম। খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ওপৰত কাম কৰিবলৈ যাওঁতে আমাৰ যিখিনি সুবিধা অসুবিধা হয় সেইখিনি আপোনালোকক অৱগত কৰিব খুজিছো। এই বিভাগৰ দ্বাৰাই আমাৰ ৰাইজক যিখিনি সামগ্ৰী দিয়া যায় সেইবিলাক যে সুচাৰুৰূপে নাপায় সেই বিষয়ে সকলো অৱগত। প্ৰধান সামগ্ৰীৰ ভিতৰত চেনী, চাউল, কেৰাচিন তেল বিতৰণৰ ক্ষেত্ৰত বহুতো আসোঁৱাহ দেখা গৈছে। ডিব্ৰুগড় জিলাৰ বাবে ১০ লাখ লিটাৰ আৱণ্টন হয় তাৰ ভিতৰত ২০ হাজাৰ লিটাৰ মুকলি বজাৰত চোৰাংভাৱে বিক্ৰী হৈ যায়। বিতৰন ব্যৱস্থাটো সুচাৰুৰূপে নোহোৱাৰ বাবে এনে হ'বলৈ পায়। কেৰাচিন তেল নোহোৱাৰ বাবে গাঁৱৰ ল'ৰা-ছোৱালীবিলাকে শিক্ষা-দীক্ষা কৰাত যথেষ্ট অসুবিধা হৈছে। মোৰ সমষ্টিৰ মানুহ এঘৰলৈ যাওঁতে তেওঁলোকে মিঠাতেলৰ চাকী এটা দেখুৱাইছিল যে কেৰাচিন নোহোৱাৰ বাবে তেওঁলোকে মিঠাতেল ব্যৱহাৰ কৰিবলগীয়া হৈছে। মোৰ সমষ্টিত ২০০ জন হকাৰ আছে তেওঁলোকৰ ২০ জনেহে কেৰাচিন বিক্ৰী কৰে। বিতৰণ ব্যৱস্থাৰ ওপৰত বিভাগটোৰ নিয়ন্ত্ৰণ নথকাৰ বাবেই এনেবোৰ সমস্যা দুখীয়া ৰাইজে ভুগীবলগীয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই সেই কাৰণে সদনক জনাব খুজিছো যে বিতৰণ ব্যৱস্থাটো সুন্দৰভাৱে আৰু শুদ্ধভাৱে হয় তাৰ প্ৰতি চৰকাৰে

* Speech not corrected

ব্যৱস্থা লব লাগে। ডিষ্ট্ৰিবিউশ্যন ফ'ৰাম গঠন কৰাৰ কথা কোৱা হৈছে। এইখন গঠন কৰা হওক কিন্তু তাত যাতে গৰু থকা ঘৰত পৰিণত নহয় সেইটো লক্ষ্য ৰাখিব লাগিব। এই কথাখিনি অৱগত কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

(Hon'ble Speaker vacated the Chair and Hon'ble Chairman Shri Membor Gogoi occupied the Chair).

* **ড. অলকা শৰ্ম্মা :** মাননীয় সভাপতি মহোদয়, আজি যিটো কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে মই সপক্ষে কব বিচাৰিছো। প্ৰথম কথা হ'ল অসমত পানী আৰু মাটি প্ৰচুৰ পৰিমাণে থকা স্বত্বেও আমি চেলফ্ চাফিচিয়েন্ট হব পৰা নাই। বাকীবিলাক ৰাজ্যৰ তুলনাত পিছ পৰি আছো। বজাৰত বস্তুৰ দামৰ ওপৰত নিয়ন্ত্ৰণ নোহোৱাৰ বাবে মূল্য বৃদ্ধি হৈ আছে। অলপ দিনৰ আগতে মচুৰ দাইলৰ দাম প্ৰতি কিলোত ৩০ টকা আছিল কিন্তু আজি ৪৪ টকা হৈছে। চৰকাৰৰ নিয়ন্ত্ৰণ নোহোৱাৰ কাৰণে মানুহৰ অৱস্থা দিনক দিনে বেয়া হৈ গৈছে। যোগান বিভাগে বিতৰণ ব্যৱস্থা ঠিক কৰিব লাগে। আমাৰ ৰাজ্যত বহুতো দুখীয়া মানুহ আছে। চোমালিয়াত দুৰ্ভিক্ষই যেনেকুৱা ৰূপ লৈছে আমিও ইয়াত তেনেকুৱা অৱস্থা দেখিবলৈ পাম। দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকৰ সংখ্যা বাঢ়ি গৈছে। নতুন নতুন নীতি নিয়ম উলিয়াইছে কিন্তু বেলেগ মানুহেহে ভোগ কৰিছে। কেৰাচিন তেলৰ মূল্য নিৰ্দ্ধাৰণ নকৰাৰ বাবে দুখীয়া মানুহ বিলাকে তেল নাপায়। খাদ্য আৰু যোগান বিভাগত থকা এই দুৰ্নীতি বিলাক দূৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সময় কম হোৱাৰ বাবে মই মোৰ বক্তব্য ইমানতে সামৰিলো।

(Hon'ble chairman Shri Membor Gogoi vacated the Chair and Hon'ble Speaker occupied the Chair).

---

* Speech not corrected

**হাফিজ বশ্বীৰ আহ্মদ কাছিমী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মানুহৰ বাবে জীয়াই থাকিবলৈ প্ৰথম বুনিয়াদী প্ৰয়োজন হ'ল খাদ্য। নেচনেল চাৰ্ভে মতে ভাৰতৰ মুঠ জনসংখ্যাৰ ৫ শতাংশ মানুহে পেট ভৰাই খাবলৈ নাপায়। এই শ্ৰেণীৰ মানুহবোৰকে ভোকাতুৰ বুলি কোৱা হয়। ভাৰতত ৪ লাখ সুলভ মূল্যৰ দোকনৰ জৰিয়তে বছৰি ১৫০০০ কোটি মূল্যতকৈ অধিক টকাৰ খাদ্য সামগ্ৰী প্ৰায় ১৬ কোটি পৰিয়ালক যোগান ধৰা হয়।

অসমৰো ৩২৭৩৮ খন সুলভ মূল্যৰ দোকানৰ জৰিয়তে ৫২৯৩০৭২ ৰেচন কাৰ্ড মাৰফতত খাদ্য সামগ্ৰী যোগান ধৰা হয়। অধ্যক্ষ মহোদয়, সময় বহুত কম মই সংক্ষেপে সামগ্ৰী যোগানৰ ক্ষেত্ৰত থকা কেইটামান আসোঁৱাহ উল্লেখ কৰিব বিচাৰিছো। প্ৰথম- ৰেচন কাৰ্ডবোৰ দোকানীৰ ওচৰত বন্ধকত ৰখা। BPL তালিকাৰ পৰা বিৰাট সংখ্যক দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুহ বাদ পৰিছে আৰু বহুত দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ মানুহ BPL ৰ অৰ্ন্তভুক্ত হোৱা আৰু বিতৰণ ব্যৱস্থাত সাংঘাটিক ধৰণৰ খেলিমেলিৰ বাবে যথেষ্ট পৰিমাণৰ সামগ্ৰী কলা বেপাৰীৰ হাতত পৰিছে। টাটা ইক'ন'মিক কনছালটেন্সীয়ে উল্লেখ কৰা মতে অসম আৰু বিহাৰত ৬৪ শতাংশ সামগ্ৰী উপযুক্ত দৰিদ্ৰ মানুহে নাপায় আৰু সেইবোৰ কলা বজাৰত যায়। অধ্যক্ষ মহোদয়, ক'বলগীয়া বহুত আছিল, সময়ৰ নাটনিৰ বাবে সংক্ষিপ্ত কৰিবলৈ বাধ্য হলো। এই ক্ষেত্ৰত চৰকাৰে বিহিত ব্যৱস্থা লব লাগে। যি উদ্দেশ্য আগত ৰাখি এই বৃহৎ ব্যৱস্থা হাতত লোৱা হৈছে সেয়া যাতে বাস্তৱতে দুখীয়া মানুহে পায় তাৰ ব্যৱস্থা ল'ব লাগিছিল, কিন্তু এই ক্ষেত্ৰত অসম চৰকাৰে তুলনামূলকভাৱে সফলতা লাভ কৰিব পৰা নাই। সেই কাৰণে মই এই কাট মোচন সমৰ্থন কৰিলো।

**Mr. Speaker : Mr. Ananta Deka.**

* **শ্ৰীঅনন্ত ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কেৱল খাদ্যৰ অভাৱ হোৱা নাই। আমাৰ খাদ্য আৰু অসামৰিক যোগান বিভাগটো অতি গুৰুত্বপূৰ্ণ

* Speech not corrected

বিভাগ। আমাৰ খাদ্য বিভাগটো একেবাৰে অকৰ্মণ্য বিভাগ বুলি বিবেচিত হৈছে। প্ৰথম কথা হ'ল আমাৰ ৰাজনৈতিক বিতৰণ ব্যৱস্থা একেবাৰে ভাঙি গৈছে। এতিয়া আমি লক্ষ কৰিছো হঠাতে বস্তু কিছুমানৰ দাম বাঢ়ি গৈছে। এতিয়া মগু দাইল ১ কেজিৰ দাম ৫৫ টকা হৈছেগৈ। আমাৰ প্ৰশাসনৰ এই ক্ষেত্ৰত একো নিয়ন্ত্ৰণ নাই। কেৰাচিনৰ ক্ষেত্ৰতো দেখা গৈছে যে খাদ্যৰ কাৰণে কেৰাচিন লাগে। এক লিটাৰ কেৰাচিনৰ দাম ২৫ টকা ৩০ টকালৈকে বিক্ৰি হৈছে। সেই কাৰণে মই কৈছো যে এচেনচিয়েল কম'ডেটি এক্ট মতে এইবিলাক কৰিব লাগে। আমাৰ জনসাধাৰণ বহুখিনি ক্ষতিগ্ৰস্ত হৈছে। মই আৰু এটা কথা কবলৈ ওলাইছো। সেইটো হৈছে ৰেচন কাৰ্ডৰ কথা। আমাৰ বহুতো দুখীয়া মানুহ আছে। তেওঁলোকে ৰেচন কাৰ্ড পোৱা নাই। এই ক্ষেত্ৰত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বহু কৰণীয় আছে। এই কথাখিনি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **ডাঃ নজৰুল ইছলাম (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কাট মোচনত চাৰিজনকৈ মাননীয় সদস্যই ভাগ লৈছে। মই তেখেত সকলক আন্তৰিক ধন্যবাদ জনাইছো। আমাৰ মাননীয় সদস্য, ফুকন ডাঙৰীয়াই পি. ডি. এচ. চিষ্টেমটোৰ কথা কৈছে। কিন্তু আমাৰ যিটো চেনেলাইজ চিষ্টেম আছে সেইটো বহুত ঠাইত নাই। আমাৰ প্ৰত্যেক জিলাত জিলা ভিত্তিত Vigilence Committee গঠন কৰি দিয়া হৈছে। তাত এম. এল. এ. সকল সদস্য হৈ আছে।

* **শ্ৰীৰঞ্জিত দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কমিটিখন কেতিয়া গঠন কৰা হ'ল ? আমি ফৰমেলি একো চিঠি পোৱা নাই।

* **ডাঃ নজৰুল ইছলাম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ চৰকাৰ গঠন হোৱাৰ পিচত আমি নতুনকৈ কমিটি গঠন কৰিছো। ইয়াত নটিফিকেশ্যন

* Speech not corrected

আছে। In-Charge-Minister of the District is the Chairman all MPs Member. All local MLAs-Member, Zila Parishad President-Member, Deputy Commissioner-Member Secretary, All Chairman of Sub-Divisional Level V & MC leaded by SDO(C)-Member. 1 Consumer activist from each Sub-Division-Member, 2 Representatives from Women Bodies-Member, DRCS/ARCS-Member. Area Member, FCI/Representatives of Railway and OMC-Invitee Member. DDS/ADS- Convenor. ৰেচন কাৰ্ড এতিয়া বন্ধ হৈ থকা নাই। ৰেচন কাৰ্ড সদায় দিব পাৰে, কোনো নিয়ম নাই। মাত্র ভাৰতীয় নাগৰিক হব লাগে। বি. পি. এল. কিন্তু দিব নোৱাৰো। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশ মতে মাত্র ১৯ লাখ ৬০০০ হে আমি দিব পাৰিম। ইয়াৰ বাহিৰে আমি এটাও দিব নোৱাৰো। কিন্তু ৰেচন কাৰ্ড সদায় খোলা আছে। এইটো জিলা প্ৰশাসনৰ কাম। ৰেচন কাৰ্ড জিলা প্ৰশাসনেহে দিয়ে। যদি কোনোবাই ৰেচন কাৰ্ড পোৱা নাই তেতিয়াহ'লে জিলা উপায়ুক্তৰ লগত যোগাযোগ কৰক। আমি আকৌ ইনষ্ট্ৰাকশ্যন দিম আৰু ইয়াৰ কপি আমি এম. এল. এ. সকলক দিম। ৰেচন কাৰ্ড খোলা আছে, কোনো অসুবিধা নাই।

**Mr. Speaker :** Now, it is 1-30 PM and I guillotine all the remaining cut motions.

Now, I put all the remaining demand for grant Nos. 37, 49, 56, 57, 1, 3, 4, 8, 9, 11, 12, 14, 15, 17, 19, 20, 21, 22, 26, 27, 28, 29, 30, 34, 35, 36, 38, 39, 42, 43, 44, 45, 46, 48, 50, 52, 53, 54, 55, 58, 59, 60, 61, 63, 64, 65, 66, 70, 71, 72, 73 and 74 for

approval of the House.

Those who are in favour, say, "Ayes";
Those who are against, say, "Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

The Demand for Grants No. 37, 49, 56, 57, 1, 3, 4, 8, 9, 11, 12, 14, 15, 17, 19, 20, 21, 22, 26, 27, 28, 29, 30, 34, 35, 36, 38, 39, 42, 43, 44, 45, 46, 48, 50, 52, 53, 54, 55, 58, 59, 60, 61, 63, 64, 65, 66, 70, 71, 72, 73 and 74 are passed.

## INTRODUCTION, CONSIDERATION AND PASSING OF "THE ASSAM APPROPRIATION (NO. III) BILL, 2006.

**Mr. Speaker :** Now, item No. 4(a),
"The Assam Appropriation (No.III) Bill, 2006".

Now, Hon'ble Chief Minister to move the motion for leave to introduce the Bill.

**Dr. Himanta Biswa Sarma (Minister) :** Sir, I on behalf of the Hon'ble Chief Minister, beg leave to

introduce "The Assam Appropriation (No. III) Bill, 2006".

**Mr. Speaker :** Is it the pleasure of the House to grant leave to introduce the Bill ?

Leave is granted.

There is a Message from the Governor of Assam, Raj Bhawan, Guwahati, December, 12, 2006.

**ORDER**

"Under the provision of Article 207(I) of the Constitution of India, I, Lt. Gen.(Retd) Ajai Singh, PVSM, AVSM, Governor of Assam recommend The Introduction of 'The Assam Appropriation (No. III) Bill, 2006' in the Assam Legislative Assembly.

Sd/-
Lt. Gen(Retd) Ajai Singh,
PVSM, AVSM,
Governor of Assam".

Now, Hon'ble Chief Minister to introduce the Bill.

**Dr. Himanta Biswa Sarma (Minister) :** Sir, I, on behalf of Hon'ble Chief Minister beg to introduce "The Assam Appropriation (No. III) Bill, 2006".

**Secretary, Assam Legislative Assembly :** The title of the Bill is "The Assam Appropriation (No. III) Bill, 2006".

**Mr. Speaker :** Now, Item No. 4(b).

There is a Message from the Governor of Assam, Raj Bhawan, Guwahati, December, 12, 2006.

**ORDER**

"Under the provision of Article 207(3) of the Constitution of India, I Lt. Gen.(Retd), Ajai Singh, PVSM, AVSM, Governor of Assam recommend that 'The Assam Appropriation (NO.III) Bill, 2006' be taken into consideration by the Assam Legislative Assembly.

Sd/-
Lt. Gen(Retd) Ajai Singh,
PVSM, AVSM,
Governor of Assam".

Now, Hon'ble Chief Minister to move.

**Dr. Himanta Biswa Sarma (Minister) :** Sir, I, on behalf of Hon'ble Chief Minister, beg to move that "The Assam Appropriation (No. III) Bill, 2006" be taken into consideration.

* **শ্ৰীবৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মোৰ কেইটামান কথা সুধিবলগীয়া আছে। অনুগ্ৰহ কৰি মন্ত্ৰী মহোদয়ে জনালে ভাল পাম। অসমৰ বিশেষ অৰ্থনৈতিক মণ্ডল স্থাপনৰ প্ৰস্তাৱ ধূলিসাৎ হ'ল কিয় ? কেন্দ্ৰীয় চৰকাৰে গঠন কৰা 'বৰ্ড অব এপ্ৰভেলৰ শেহতীয়া বৈঠকে ৰাজ্যখনৰ আইন-শৃঙ্খলা পৰিস্থিতিৰ বাবেই গৃহ দপ্তৰৰ আপত্তিৰ বাবে অসমে বিশেষ অৰ্থনৈতিক মণ্ডল নেপালেনে কি ?

নীতি বহিভূৰ্ত প্ৰবেশ কৰ উভটাই দিবলৈ চৰকাৰক আদালতৰ নিৰ্দ্দেশ দিয়াটো হয়নে ? ইয়াৰ ফলত ৰাজ্যখনৰ পৰা ২০০ কোটি ওলটি যাবনে ? বিত্ত বিভাগৰ অদুৰদৰ্শীতাৰ বাবে এনে পৰিস্থিতিৰ সৃষ্টি হৈছে নেকি ? কাছাৰীৰ দৰে বিক্ৰেটাৰ লেনদেন হৈছে নেকি ? ভেট প্ৰয়োগ ধনৰ ব্যয়ৰ প্ৰমাণ পত্ৰ দাখিল নকৰাত আৱণ্টন ধন ব্যৱহাৰ কৰাত ব্যৰ্থ হোৱাৰ বাবে কেন্দ্ৰৰ ৮১২ কোটি হেৰুৱালে নেকি ?

কেন্দ্ৰই দেশত নিৰক্ষৰতা দুৰীকৰণৰ বাবে সৰ্বশিক্ষা মিচনৰ যোগেদি বিভিন্ন আঁচনি ৰূপায়ন কৰি বৃহৎ পৰিমাণৰ ধন ব্যয় কৰিছে। কিন্তু বিগত বৰ্ষত ৰাজ্য চৰকাৰৰ বিত্ত বিভাগৰ গাফিলতিৰ বাবে কেন্দ্ৰই অনুমোদন জনোৱা ধনৰাশি মোকলাই নিদিয়াত ৮১২ কোটিৰ পৰা সৰ্বশিক্ষা মিচন বঞ্চিত হ'ল নেকি ?

দুৰ্য্যোগ সাহাৰ্য্য পূঁজিৰ ধন ২৯৫ কোটি ব্যয় কৰিব পৰা নাই নেকি ?

ৰাজ্য চৰকাৰৰ ব্যৰ্থতাক কেন্দ্ৰৰ কঠোৰ সমালোচনাৰ সম্পৰ্কত

* Speech not corrected

চৰকাৰে স্পষ্টীকৰণ দিছেনে ? উত্তৰ পূৰ্বাঞ্চলৰ দায়িত্বত থকা মন্ত্ৰী মনিশংকৰ আয়াৰে উত্তৰ পূৰ্বাঞ্চল পৰিষদৰ বৈঠকত অঞ্চলটোৰ উন্নতিমূলক আঁচনি সমূহ ৰূপায়নৰ ক্ষেত্ৰত চোকা ভাষাৰে সমালোচনা কৰাৰ পাচত আজি স্বয়ং প্ৰধান মন্ত্ৰীয়ে অসন্তুষ্টি প্ৰকাশ কৰিছে বুলি প্ৰকাশ পাইছে। কেন্দ্ৰীয় মন্ত্ৰী সন্তোষ মোহন দেৱেও তেওঁৰ দপ্তৰেও অসমৰ পৰা কোনো প্ৰকল্প প্ৰস্তাৱ পোৱা নাই বুলি কোৱা বুলি প্ৰকাশ পাইছে। জিলা পৰিকল্পনাৰ ৪৫ শতাংশ কৰ্ত্তন।

ৰাজ্যখনত অৰ্থনৈতিক অৱস্থা সুস্থিৰ বুলি কোৱা চৰকাৰে অৰ্থনৈতিক সংকটত পৰিছে। এই সংকট মোচনৰ বাবে তৎকালিন উপায় হিচাপে জিলা উন্নয়ন পৰিকল্পনাৰ ৪৫ শতাংশ কৰ্ত্তন কৰা হৈছেনে ? ২০০৬-০৭ চনৰ বাবে ২০০ কোটি ধাৰ্য্য কৰিছিল। বিত্তৰ অভাৱত নিয়মীয়া উন্নয়নৰ কামো বন্ধ হৈছে নেকি ?

গড়কাপ্তানী, জনস্বাস্থ্য, কাৰিকৰী, জলসম্পদ, কৃষি আদি বিভাগৰ কাম স্থবিৰ হৈছে নেকি ? পৰিকল্পনাৰ ধন ব্যয় কৰিব পৰা নাই। জলসিঞ্চন বিভাগত পৰিকল্পনাৰ ধন ব্যয় কৰিব নোৱাৰিলে নেকি ? ৰাষ্ট্ৰজুৰি কাৰ্য্যপালিকা আৰু ন্যায়পালিকাৰ মাজত শক্তি প্ৰদৰ্শনৰ এখন যুজ অব্যাহত থকাৰ মাজতে অসম চৰকাৰৰ বিৰুদ্ধে সৰব হৈ পৰিছে ৰাজ্যখনৰ সৰ্বোচ্চ ন্যায়পালিকা। তৰুণ গগৈ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰখন সৰ্বদিশতে ব্যৰ্থ হোৱাৰ অভিযোগ উৎথাপন কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে সাংবিধানিক বিধি ব্যৱস্থাৰ মাজেৰে কেন্দ্ৰীয় চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মূখ্য ন্যায়াধীশকে ধৰি পাচজন জ্যেষ্ঠ ন্যায়াধীশক লৈ গঠিত খণ্ড বিচাৰপীঠে মুখ্যমন্ত্ৰী তৰুণ গগৈ নেতৃত্বৰ কংগ্ৰেছ চৰকাৰখন ৰাজ্যখনৰ আভ্যন্তৰীণ শৃংখলা ৰক্ষাত ব্যৰ্থ বুলি কেন্দ্ৰীয় চৰকাৰৰ এটৰ্নী জেনেৰেলৰ ওচৰত অভিযোগ দাখিল কৰিছে আৰু শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। ভাৰতীয় সংবিধানৰ ৩৫৫ নং অনুচ্ছেদৰ আধাৰত অসমত কংগ্ৰেছ নেতৃত্বাধীন ৰাজ্য চৰকাৰ আভ্যন্তৰীণ বিধি ব্যৱস্থা তথা বিত্তীয় শৃঙ্খলা বজাই ৰখাত ব্যৰ্থ হোৱা বুলি এক গুৰুত্বৰ অভিযোগ উৎথাপনেৰে পাঁচজনীয়া খণ্ড বিচাৰপীঠে

